মাৰ্চ 2007

Rs. 13 /-

চান্দমামা

৬০ বছৰ ধৰি বিজ্ঞান তথা বিনোদনৰ প্ৰকাশ-প্ৰচাৰত লিপ্ত বিশিষ্ট আলোচনী


TEST YOUR IQ
The banana is a tree. True or false?
What sustains life? Air or water?
The main characteristic of a bird is that it can fly. But there is one type of bird that can't fly. Which one?
When did the first heart transplant take place?
Did you know that Greece had once upon a time banned the export of one particular fruit? Which fruit? What prompted them to take this unusual step?
Who were called Palayakkars? Here's a clue : they belonged to South India.
Which is the currency commonly used by more than 300 million people in a dozen countries?
If you feel stumped, read Junior Chandamama March 2007 issue for all the answers!
Junior
CHANDAMAMA
THE ONE-STOP COMPLETE FUN AND ACTIVITY MAGAZINE
NOW AVAILABLE AT YOUR NEAREST NEWS STAND FOR
RS.15 PER COPY
PAY ONLY RS.150 FOR ANNUAL SUBSCRIPTION AND SAVE RS.30
For Further Details write to :
CHANDAMAMA INDIA LTD.,
82, Defence Officer's Colony,
Ekkatuthangal, Chennai - 600 097.
TREASURE-TROVE FOR TALENTED TOTS
Junior
CHANDAMAMA
COLOURS OF JOY
STORIES AND ACTIVITIES SPECIALLY CREATED FOR CHILDREN BELOW 9 YEARS

চান্দমামা বৰ্ষ ৩১ • মাৰ্চ ২০০৭ সংখ্যা-৩

এই সংখ্যাত আছে

★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
★ চতুৰ ন্যায়াধিকাৰী ...০৭
★ বুদ্ধিমত্তা ...১২
★ ভয়ংকৰ ঘাটী ...১৩
★ বিচিত্ৰ ভাৰত ...২৫
★ সম্পত্তিৰ ভাগ-বাটোৱাৰা ...২৬
★ সংবাদ বিচিত্ৰা ...৩০
★ চান্দমামা ভাৰত কুইজ-২ ...৩১
★ কুটীৰ উৎসৱ ...৪২
★ তথাস্তু দেৱতা ...৩৮
★ জাতক কথা ...৪৫
★ প্ৰশান্ত জীৱন ...৫৫
★ অপৰাজেয় গৰুড় ...৫৯
★ ভাৰতৰ সাংস্কৃতিক পৰিঘটনা ...৬৩
★ জানো আহাঁ নানা কথা ...৬৪
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৬৬

বিশেষ আকৰ্ষণ

সেনাপতিৰ বাচনি (বেতাল কাহিনী) ...১৯

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-১৫ ...৩২

তামিলনাডুৰ এটি লোককাহিনী ...৩৭

ৰামায়ণ ... ৪৯

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20

Remittances in favour of Chandmama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal,
Chennai - 600 032
E-mail :
subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকাত। সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১৫০ টকাত আপোনাৰ বৰঙণি ডিমাণ্ড ড্ৰাফট বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠিয়াব লাগিব।

For booking space in this magazine please contact:
CHENNAI Shivaji : Ph : 044-22313637 / 22347399
Fax: 044-22312447, Mobile : 98412-77347
email : advertisements @chandamama.org
DELHI : OBEROI MEDIA SERVICES, Telefax (011) 22424184
Mobile : 98100-72961, email : oberoi@chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

Statement about Ownership of
CHANDAMAMA (Assamese)
Rule 8 (FormVI), Newspaper (Central) Rules, 1956

1. **Place of Publication**
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 032
2. **Periodicity of Publication**
   MONTHLY
   1st of each calendar month
3. **Printer's Name**
   B. VISWANATHA REDDI
   Nationality
   INDIAN
   Address
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 032
4. **Publisher's Name**
   B. VISWANATHA REDDI
   Nationality
   INDIAN
   Address
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 032
5. **Editor's Name**
   B. VISWANATHA REDDI
   (Viswam)
   Nationality
   INDIAN
   Address
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 032
6. Name and Address of individuals who own the newspaper
   Chandamama India Ltd.
   Board of Directors:
   1. P. Sudhir Rao
   2. Vinod Sethi
   3. B. Viswanatha Reddi
   82 Defence Officers Colony
   Ekkatuthangal, Chennai-600 032

I, **B. Viswanatha Reddi,** *do hereby declare that the particulars given above are true to the best of my knowledge and belief.*

(Sd.) B. VISWANATHA REDDI
Publisher

1st March 2007



I wish to be a subscriber of Junior Chandamama.

Name____________________

Age____Class_____School____________________

Home Address____________________

____

____________________PIN__________

I am enclosing D/D No____________________on

____________________Bank/M.O. receipt

No__________issued by____________________P.O.

for Rs.150. Please start supply from____________________

(month)

Date______________ Signature

6-3-2007

সম্পাদকীয়
বি.নাগি ৰেড্ডি আৰু চক্ৰপানি

আমাৰ প্ৰাথমিক কৰ্ত্তব্য

আমাৰ সংসদৰ মজিয়াত প্ৰায়েই ধৰ্মীয়, অৰ্থনৈতিক আৰু সামাজিক দিশত সংখ্যালঘুৰ বাবে সংৰক্ষণ ৰখাৰ বাবে দাবী কৰা শুনা পোৱা যায়। স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বৰ ভিত্তিতে আমাৰ ভাৰতীয় সংবিধান ৰচিত হৈছে। তেনেস্থলত সমাজৰ কেতবোৰ শ্ৰেণীৰ বাবে বিশেষ সুবিধা কিয় থাকিব লাগে? তেনে কাম কৰি আমি সংবিধানৰ এটি প্ৰাথমিক নীতি উলংঘন কৰা নাইনে?

বিদ্যালয় সমূহলৈ চালেই এই কথাৰ অসাৰতা উপলব্ধি কৰা যায়। একেলগে বহি থকা ল'ৰাহঁতে কেতিয়াও উপলব্ধি নকৰে যে তেওঁলোকৰ মাজৰে কোনোবা এজন কম সুবিধাভোগী শ্ৰেণীৰ। তেওঁলোকৰ মন কেৱল পঢ়া শুনাৰ প্ৰতিহে একাগ্ৰ হ'ব। তেওঁলোকৰ একমাত্ৰ লক্ষ্য হ'ব কোনে পৰীক্ষাত সৰ্বাধিক নম্বৰ পাব, শ্ৰেণীত কোন প্ৰথম হ'ব, খেলপথাৰত বা অন্যান্য দিশত কোনে কুশলতা দেখুৱাব পাৰিব।

আমি ডাঙৰসকলেও ল'ৰা ছোৱালীহঁতৰপৰা এই উদাহৰণ লৈ তেওঁলোকৰ মন ৰাষ্ট্ৰীয় সম্পত্তিৰ প্ৰতি নিৱদ্ধ কৰা উচিত কিয়নো ভাৰতৰ প্ৰাথমিক সমস্যাটো হৈছে দৰিদ্ৰতা।

এনেকুৱাতে গান্ধীজীৰ এষাৰ কথা স্মৰণীয়, "মই এনে এখন ভাৰতবৰ্ষৰ বাবে কাম কৰিম--য'ত কোনো উচ্চ নীচ শ্ৰেণীৰ বুলি মানুহৰ ভাগ নাথাকিব--এনে এখন ভাৰতবৰ্ষ য'ত সকলো সম্প্ৰদায়ৰ মানুহ সম্পূৰ্ণ মিলাপ্ৰীতিৰে বাস কৰিব।"

"চান্দমামা"ই আশা ৰাখিছে যে উঠি অহা প্ৰজন্মই এনে এটা ইতিবাচক দৃষ্টিভংগীয়েই গ্ৰহণ কৰিব।

সম্পাদক : বিশ্বম

Visit us at : http://ww.chandamama.org

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

বন্ধু 'চান্দমামা'ক নৱবৰ্ষৰ শুভেচ্ছা জনালো। 'পঢ়ুৱৈৰ বাবে এটি পৃষ্ঠা' শিতান প্ৰকাশ হোৱাৰেপৰা পাঠকৰ অভিপ্ৰায়, সমালোচনা তথা জ্ঞানৰ কথা জানিব পাৰি। মই শৈশৱৰেপৰা 'চান্দমামা' পঢ়ি আহিছো। এতিয়া মই এখন স্কুলৰ শিক্ষক। শিশুৱে সাধু শুনি খুব ভাল পায়। 'চান্দমামা'ৰ কাহিনীবোৰ মই তেওঁলোকক শুনাও আৰু তেওঁলোকে বৰ মন দি শুনে। সময় লাগিলে কম্পিউটাৰ যুগ পাৰ কৰি যিমানেই আগবাঢ়ি নাযাওক কিয়, মই আশা কৰো 'চান্দমামা'ই অবিৰতভাৱে জ্ঞান, বিজ্ঞান আৰু মনোৰঞ্জনৰ পোহৰ বিলাই যাব।

-মহেশ, ৰাঁচী

'চান্দমামা'ত অদ্ভুত নীতিকথা প্ৰকাশ হৈ থাকে, যিবোৰে সাধাৰণ মানুহকো অভাৱনীয় কাম কৰিবলৈ উদগায়। এইটো মই মোৰ দেউতাৰপৰা পোৱা অমূল্য উপহাৰ। ভাৰতৰ ভাবী নাগৰিকসকলে ইয়াক নিশ্চয় পঢ়া উচিত। ইয়াৰ প্ৰতিষ্ঠাপক শ্ৰী বি. নাগিৰেড্ডী আৰু চক্ৰপানি প্ৰশংসাৰ পাত্ৰ। 'চান্দমামা'ৰ ব্যৱস্থাপকসকলক নৱবৰ্ষৰ শুভকামনা জনালো।

-কুমাৰ চৌধুৰী, কলকাতা

মই ১৯৫২ চনৰেপৰা 'চান্দমামা'ৰ পাঠক। যেতিয়া ১৯৯৮ চনত ইয়াৰ প্ৰকাশন অলপ সময়ৰ বাবে বন্ধ হৈছিল, মই খুব নিৰাশ হৈছিলো। কিন্তু সোনকালেই ইয়াৰ পুনৰপ্ৰকাশ হ'বলৈ লোৱাত মই অপাৰ আনন্দ পালো। এতিয়া শিশুহঁতৰ বাবে কাহিনী আৰু চিত্ৰৰে সমৃদ্ধ এই পত্ৰিকা কিমান যে সুন্দৰ লাগে। পুৰণি ধাৰাবাহিক 'ধূমকেতু' পুনৰ প্ৰকাশ কৰিবলৈ ল'লে বৰ ভাল লাগিব। মোৰ আশা 'চান্দমামা'ই আৰু উন্নতি কৰক।

-সূৰ্যনাৰায়ণ, ৰুৰ্কী



'চান্দমামা'ত (বাঙলা) প্ৰকাশিত কাহিনীবোৰ ৰজা আৰু জমিদাৰ বিষয়ক। তেওঁলোকৰ কাৰ্যাৱলী অগণতান্ত্ৰিক। মানুহৰ জীৱন আৰু কাম কাজ এই ৰজাসকল আৰু জমিদাৰসকলৰ ইচ্ছা অনিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁলোকৰ অন্যায় কামবোৰৰ প্ৰতিবাদ কৰাৰ অধিকাৰ মানুহৰ নাই। 'চান্দমামা'ৰ দৰে এখন আলোচনীত এনে কাহিনী প্ৰকাশ কৰা অনুচিত। তাৰ ঠাইত, মানুহে ভাল পোৱা গণতান্ত্ৰিক শাসনৰ কাহিনী 'চান্দমামা'ত বেছিকৈ প্ৰকাশ কৰা উচিত।

-এচ.এন.চৌধুৰী, কলকাতা

আপোনালোকে আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাত ভাগ ল'বলৈ সুযোগ পোৱাৰ বাবে মই কৃতজ্ঞ। মোৰ চিত্ৰ এটা পুৰস্কাৰৰ বাবে বাচনিত উঠাত মই বৰ আনন্দ পাইছো। মোক দিয়া এই উৎসাহৰ বাবে মই আপোনালোকক ধন্যবাদ জনাইছোঁ।

-প্ৰীতি এম.শ্বেট, বাংগালোৰ

চতুৰ ন্যায়াধিকাৰী

ৰামবৰৰ নিবাসী কূৰ্মই শাক পাচলি বিক্ৰী কৰি নিজৰ পৰিয়াল চলাইছিল। আবেলি-লৈকে বিক্ৰী নোহোৱা শাক পাচলিবোৰ তেওঁ হয় কম দামত বেচিছিল বা নিজৰ গৰুক খুৱাইছিল। ই তেওঁৰ দৈনিক কাৰ্যসূচী আছিল। সেয়েহে মানুহে কৈছিল যে তেওঁ সদায় সতেজ পাচলিহে বিক্ৰী কৰে।

এদিন তেওঁৰ গাটো অলপ বেয়া লগাত কূৰ্মই জীয়েক পূৰ্ণিমাক লগত লৈ গ'ল। দুপৰীয়ালৈকে দুই তিনিখন গাঁৱত পাচলি বেচাৰ পাছত ঘৰলৈ ওলাবলৈ লৈ তেওঁ দেখিলে যে পাৰদে কিবা এটা বিচাৰি আছে। কূৰ্মই পাৰদক চাই ৰ'ল।

পাৰদো আছিল কূৰ্মৰ গাঁৱৰে? তেওঁ পাৰদক সুধিলে, "কি হ'ল পাৰদ? কি বিচাৰিছা? ক'ৰবাত শহা দেখিলা নেকি?"

"শহা নহয়, কাছহে দেখিলো। এইমাত্ৰ সেই খালটোৰপৰা ওলাই আহিছে আৰু হাবিৰ মাজলৈ সোমাই গৈছে।" এইবুলি কৈ পাৰদে আকৌ বিচৰাত লাগিল।

কাছৰ নাম শুনিয়েই ভক্তিপূৰ্বক প্ৰণাম কৰি কূৰ্মই ক'লে, "পাৰদ, তুমি লাঠি নচলাবা। কূৰ্মনাথ স্বামী আমাৰ কুলদেৱতা। তুমি বিচৰা যদি মই পইচাকে দিম। কাছটো মোকে দি দিয়া।"

এইবুলি কৈ কূৰ্মই কঁকালৰ গাঁঠিৰপৰা এটা মোনা উলিয়ালে য'ত ঢেৰ ভঙনীয়া পইচা আছিল।

পইচা দেখাৰ লগে লগে পাৰদ বৰ সুখী হ'ল আৰু কাছটো ধৰি আনি তেওঁক গতাই দিলেহি। পইচা লৈ পাৰদ তাৰপৰা গ'লগৈ।

তেতিয়ালৈকে কাছটোৱে তাৰ চাৰিখন ঠেং আৰু মূৰটো ভিতৰত লুকুৱাই ৰাখিছিল। যেতিয়াই পূৰ্ণিমাই মৰমতে তাৰ ওপৰত হাত ফুৰাই দিলে, কাছটোৱে মূৰটো বাহিৰলৈ উলিয়াই ইফালে সিফালে চাবলৈ ধৰিলে।

"ভয় নাখাবা। তোমাৰ ঘাটুকুৰাত কাপোৰ বান্ধি দিম আৰু সেই কাপোৰ একেবাৰে পাতল হ'ব। তোমাৰ ঘা কেইদিনমানৰ ভিতৰতে শুকাই যাব। কেইদিনমান আমাৰ

ঘৰতে আৰামেৰে থাকা।"এইবুলি কৈ কূৰ্মই কাছটো নিজৰ হাতত তুলি লৈ এটা খালী পাচিত ভৰাই দিলে।

কেইদিনমানৰ পাছত কাছটোৰ ঘা শুকাই গ'ল আৰু যেতিয়া কাছটোক সম্পূৰ্ণ সুস্থ দেখা গ'ল, কূৰ্মই গৈ তাক গংগাত এৰি থৈ আহিলগৈ। ইয়াৰ তিনিদিন পিছত এটা বিচিত্ৰ ঘটনা ঘটিল।

জমিদাৰৰ দিৱানৰ পৰা এজন ন্যায়াধিকাৰী কূৰ্মৰ ঘৰলৈ আহিল আৰু তেওঁ কূৰ্মক তেওঁৰ পূৰ্বপুৰুষৰ বিষয়ে সুধিলে।

"মোৰ পিতাৰ তিনিজন ভায়েক আৰু এগৰাকী বায়েক আছিল। তেওঁৰ দেউতাকৰ মানে মোৰ ককাৰ কোনো ভাই ককাই নাছিল। কিন্তু তেওঁৰ এগৰাকী ভনীয়েক আছিল। ৰাজসভাত তেওঁৰ ককাক প্ৰখ্যাত মল্লযোদ্ধা আছিল। মানুহে কয় তেওঁৰ সমকক্ষ কোনো নাছিল। শুনামতে ৰজাই তেওঁক বহুত পুৰস্কাৰ দিছিল।"

এইদৰে নিজৰ পিতাক আৰু ককাকৰ মুখেৰে শুনা পূৰ্বপুৰুষৰ কথাবোৰ কূৰ্মই কৈ গ'ল।

"কূৰ্ম, তুমি কোৱা কথাবোৰ তুমি প্ৰমাণ কৰিব পাৰিবানে?" ন্যায়াধিকাৰীয়ে সুধিলে।

"হয় মহাশয় পাৰিম," এইবুলি কৈ কূৰ্ম ঘৰৰ ভিতৰলৈ গ'ল আৰু বংশবৃক্ষ সম্পৰ্কীয় তালপত্ৰ লৈ আহিল।

ন্যায়াধিকাৰীয়ে তেওঁৰ হাতত থকা মোনাটোৰপৰা এখন কাগজ উলিয়ালে আৰু তালপত্ৰত থকা বিৱৰণবোৰ তেওঁ মন দি পঢ়িবলৈ ধৰিলে।

তাৰ পাছত তেওঁ ক'লে, "কূৰ্ম, মই বিচাৰি অহা মানুহজন তুমিয়েই। তুমি বৰ ভাগ্যৱান। তোমাৰ পূৰ্বপুৰুষৰপৰা তুমি বহুখিনি সম্পত্তি লাভ কৰিবলৈ ওলাইছা। এই সম্পত্তি তোমাৰ হাতত গতাই দিবলৈকে জমিদাৰে মোক পঠিয়াইছে। তুমি তৎক্ষণাৎ মোৰ লগত চহৰলৈ ব'লা।"

এইদৰে কূৰ্ম চাঁওতে চাঁওতে এজন ধনী মানুহ হৈ পৰিল। এতিয়া চহৰত তেওঁৰ এটা প্ৰাসাদো আছে। তেওঁক ধনী লোকসকলৰ মাজত এজন বুলি ধৰা হ'ল। তেওঁৰ ভাগ্য লৈ ৰামবৰত মানুহৰ মাজত আলোচনা হ'বলৈ ধৰিলে।

এবছৰ পাৰ হৈ গ'ল। এদিন ৰাতিপুৱা কূৰ্মৰ প্ৰাসাদৰ সমুখত এটা ডাঙৰ ভীৰ দেখা গ'ল।

মানুহৰ হাই উৰ যি শুনা গ'ল। এই

গন্দগোলৰ আঁৰত আছিল ৰামবৰৰ পাৰদ আৰু তেওঁৰ পুত্ৰ নাৰদ।

"মানুহে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰা উচিত। অলপমান ধন হাতলৈ অহাতেই তেওঁ নিজৰ প্ৰতিশ্ৰুতিৰ কথা পাহৰি গ'ল। তুমি ইমান ডাঙৰ আচ্যৱন্ত হোৱাৰ কাৰণ কি জানানে? মই দিয়া কাছটোৰ বাবেই তোমাৰ এই ভাগ্যোদয় হৈছে। তুমি সেই কথা পাহৰি গ'লা আৰু মোকেই প্ৰতাৰণা কৰিবলৈ চেষ্টা কৰিলা।" এইখিনি কথা পাৰদে চিঞৰি চিঞৰি কৈছিল। কূৰ্মই শান্তভাৱে ক'লে, "কোৱাচোন পাৰদ, মই কি কৰা উচিত?"

"তুমি এনেকৈ কৈছা যেন তুমি একোৱেই নাজানা। বৰ ভাল নাটক কৰিছা তুমি। তুমি তোমাৰ ছোৱালী পূৰ্ণিমাক মোৰ পুত্ৰ নাৰদলৈ বিয়া দিম বুলি কথা দিয়া নাছিলানে? পাহৰিলা নে পাহৰাৰ ভাও ধৰিছা? এতিয়া অস্বীকাৰ কৰিছা কিয়? তুমিও জানা দুয়োটাই ইটোৱে সিটোক বিচাৰে।" পাৰদে চিঞৰি চিঞৰি ক'লে যাতে সকলোৱে শুনিব পাৰে।

"চোৰা পাৰদ, যেতিয়াৰেপৰা আমি চহৰলৈ আহিছো, তেতিয়াৰেপৰা কিমানবাৰ তুমি মোৰ ঘৰলৈ আহিলা আৰু মোৰ ছোৱালীজনীক তোমাৰ ল'ৰালৈ বিয়া দিব লাগে বুলি প্ৰস্তাৱ দিলা। মই প্ৰস্তাৱটো পোনে পোনে অগ্ৰাহ্য কৰিছিলো। এতিয়া তুমি এনেকৈ হুলস্থূল কৰিছা কিয়?" কূৰ্মই ক্ৰোধান্বিত হৈ ক'লে।

"মই জানিছিলো, তুমি তাকেই ক'বা, সেয়েহে মই গাঁৱৰ মানুহক মোৰ লগতে লৈ আনিছো।" মানুহবোৰৰ ফালে দেখুৱাই পাৰদে ক'লে।

সকলোৱে সমস্বৰে ক'লে, "হয়, হয় তোমাৰ ছোৱালীজনীক পাৰদৰ পুতেকলৈ

বিয়া দিয়া উচিত।” মানুহবোৰৰ এই চিঞৰ বাখৰ আৰু গোকাট মিছা কথা শুনি দেউতাক জীয়েক দুয়ো আচৰিত হ'ল। দুয়ো ইজনে সিজনৰ চকুলৈ চাবলৈ ধৰিলে। এই কথাত সুযোগ পাই পাৰদে ব্যংগভৰা শব্দৰে ক'লে, “কিহে পূৰ্ণিমা, তোমাৰ দেউতাৰাৰ দৰে তুমিও কথাটো পাহৰি গ'লা নেকি?”

পূৰ্ণিমাই মূৰ তললৈ কৰি নিশব্দে ঘৰৰ ভিতৰলৈ সোমাই গ'ল। তেনেতে তাত আৰু অলপ মানুহ গোট খালেহি। পাৰদে চিঞৰিয়েই থাকিল, গালি শপনি দি থাকিল আৰু কূৰ্মক কিবা এটা ক'বলৈ সুযোগেই দিয়া নাছিল।

অলপ সময়ৰ পাছত ন্যায়াধিকাৰী তালৈ আহিল। পাৰদৰ চিঞৰ বন্ধ হ'ল। ন্যায়াধিকাৰীয়ে পাৰদৰ মুখৰপৰা কথাখিনি ভালকৈ শুনি ল'লে। তেওঁ ক'লে, “তুমি ক'ব খুজিছা, তোমাৰ পুত্ৰৰ বিয়া কূৰ্মৰ ছোৱালীৰ লগত বহু আগতেই ঠিক হৈ আছে। এতিয়া কূৰ্মই বিয়াখন পাতি দিবলৈ অস্বীকাৰ কৰিছে কিয়নো তেওঁ বৰ ধনৱান হৈ উঠিছে। তুমি ক'ব খুজিছা কূৰ্মই তেওঁৰ প্ৰতিশ্ৰুতি ভংগ কৰিছে। যদিহে কথাটো সঁচা হয় নিসন্দেহে কূৰ্ম দোষী।”

“আপুনি ন্যায় বিশাৰদ, ধৰ্মৰ ৰক্ষক, সেয়েহে কথাটো তৎক্ষণাৎ বুজি পালে। আপুনি মোক ন্যায় প্ৰদান কৰিব লাগিব।” পাৰদে ক'লে।

ঠিক সেই সময়তে চহৰৰ খ্যাতনামা বস্ত্ৰ ব্যৱসায়ী নাহৰ তালৈ আহিল। তেওঁ আচৰিত হৈ কূৰ্মক সুধিলে, “মই শুনা কথাবোৰ সঁচানে বাৰু?” কিনো হৈছে একো বুজিব নোৱাৰি কূৰ্ম মনে মনে থাকিল।

ন্যায়াধিকাৰীয়ে নাহৰক সুধিলে, “আপুনি

কোৱা কথাখিনি মই ভালকৈ বুজি পোৱা নাই। অলপ বুজাই দিয়কচোন।"

"পূৰ্ণিমা আৰু মোৰ ল'ৰাৰ বিয়া এইখন চহৰতে ছমাহৰ আগতে সম্পন্ন হৈছে।" নাহৰে ক'লে।

"যদিহে আপোনাৰ ল'ৰাৰ বিয়া সঁচাকৈয়ে পূৰ্ণিমাৰ লগত হৈছে তেন্তে পাৰদৰ অভিযোগ সঁচা হ'বই নোৱাৰে, তাৰ কোনো মূল্য নাই।" ন্যায়াধিকাৰীয়ে গহীন হৈ ক'লে।

সেই সময়তে এজন বুঢ়া মানুহ ভীৰৰ মাজৰপৰা ওলাই আহিল আৰু পাৰদক ভালকৈ চাই লৈ ক'লে, "হেৰা পাৰদ, তুমি দেখিছো তেনেই মিছলীয়া আৰু পাপী। যাবেপৰা পাৰিলা ঋণ ল'লা আৰু এতিয়া গাঁৱৰপৰা পলাই আহিছা। ইয়াতো আহি ইমান সময়ে নাটক কৰিলা, ধূৰন্ধৰ ক'ৰবাৰ।"

পাৰদে বুজি পালে তেওঁৰ অভিসন্ধিৰ কথা ৰাইজে গম পাইছে আৰু যিকোনো মুহূৰ্ত্ততে ৰাইজে তেওঁৰ ওপৰত আক্ৰমণ চলাব পাৰে। তেওঁ পলাবলৈ চেষ্টা কৰিলে। কিন্তু কেইজনমান মানুহে তেওঁক ঘেৰি ল'লে আৰু ধৰি ৰাখিলে। নাৰদৰ লগত অহা গাঁৱৰ মানুহবোৰো এজন এজনকৈ অদৃশ্য হ'বলৈ ধৰিলে।

"এনে অসৎ মানুহক কঠোৰ শাস্তি দিয়া উচিত। এনে মানুহক এৰি দিলে সৰল মানুহক অপকাৰ কৰিবগৈ।"

এইবুলি কৈ ন্যায়াধিকাৰীয়ে পাৰদক তিনিমাহৰ কাৰাদণ্ডৰ আদেশ শুনালে। আৰু ঠিক সময়ত অহা ব্যৱসায়ী নাহৰক কৃতজ্ঞতা জ্ঞাপন কৰিলে।

"তোমাৰ দৰে সৎ মানুহে এনে দুষ্টৰ বাবে সমস্যাৰ সমুখীন হ'বলগীয়া হয়। কিন্তু ধৈৰ্য ধৰিব পাৰিলে এই সমস্যাৰ সমাধান ওলায়। শেষত সত্যৰেই জয় হয়। সঠিক সময়ত মই আহিলো, তাৰ আঁৰত আছে তোমাৰ কন্যা পূৰ্ণিমাৰ উপস্থিত বুদ্ধি। তেওঁ গোপনে পিছ দুৱাৰেদি মোৰ ওচৰলৈ আহিল আৰু মোক গোটেই ঘটনাটো বিৱৰি ক'লে। মোৰ সহায় বিচাৰিলে। মই বুজি পালো পাৰদে তোমাক প্ৰতাৰণা কৰাৰ আঁচনি পাঙিছে। মই মোৰ মানুহৰদ্বাৰা এই ষড়যন্ত্ৰ ফাদিল কৰিলো আৰু দোষীক শাস্তি দিলো।" চতুৰ ন্যায়াধিকাৰীয়ে কূৰ্মক সান্ত্বনা দি ক'লে। মিচিকিয়াই থকা জীয়েকৰ ফালে কূৰ্মই মৰমেৰে চালে।

বুদ্ধিমত্তা

কাশীৰাম বৰ কৃপণ আছিল। তেওঁৰ নাতিনী গীতাৰ বয়স হৈছিল সাত বছৰ। এদিন এজন মিঠাই বেপাৰী তেওঁৰ ঘৰৰ > মুখলৈ আহিল। বেপাৰীক দেখি গীতাই ক'লে, "ককা, মিঠাই কিনিব লাগে। পইচা দিয়া।"

পইচাৰ কথা শুনি কাশীৰামে বৰ ভয় খালে। কিন্তু নিজকে চম্ভালি লৈ ক'লে, "যদি মোৰ প্ৰশ্নৰ সঠিক উত্তৰ দিব পাৰা তেতিয়া মইতো পইচা দিম।" গীতাই ক'লে, "ঠিক আছে, সোধা।"

কাশীৰামে কঁকালৰপৰা এটা ফুটা থকা আৰু এটা সোণৰ মুদ্ৰা উলিয়ালে। দুয়োটা মুদ্ৰা দেখুৱাই তেওঁ গীতাক সুধিলে, "এই দুয়োটাৰ ভিতৰত কোনটো মুদ্ৰা ডাঙৰ?" গাত ফুটা থকা মুদ্ৰাটো দেখাত ডাঙৰ আছিল। সেয়েহে সেই মুদ্ৰাটোৰ ফালে আঙুলিয়াই গীতাই ক'লে, "এইটো ডাঙৰ।"

"নহয়, নহয় সোণৰ মুদ্ৰাটোহে ডাঙৰ।" তাৰপাছত তেওঁ বুজাই দিলে সেইটো ডাঙৰ কিয়। গীতাই হাঁহি মাৰি ক'লে, "ককা, মই হাৰিলো। এতিয়া মই তোমাক এটা প্ৰশ্ন সুধিম। তুমি তাৰ উত্তৰ দিবানে?"

কাশীৰামে ভাবিছিল সৰু ছোৱালীজনীয়ে সোধা প্ৰশ্নৰ উত্তৰ তেওঁ অনায়াসে দিব পাৰিব। তেওঁ ক'লে, "নিশ্চয় দিম, সোধা কি সুধিব খুজিছা?"

"ককা মই যদি হাৰো আৰু কেতিয়াও তোমাৰপৰা পইচা নোখোজো। কিন্তু তুমি যদি হাৰা তেন্তে ফুটা থকা মুদ্ৰাটোৰ লগতে সোণৰ মুদ্ৰাটোও মোক দি দিব লাগিব। মোৰ এই চৰ্ত্ত তুমি মানি লৈছানে?" কাশীৰামে সন্মতি দিয়াত গীতাই প্ৰশ্নটো সুধিলে, "ককা, উঁট ডাঙৰ নে উঁটৰ পোৱালি ডাঙৰ?"

"উঁটেই ডাঙৰ আকৌ," কাশীৰামে ক'লে, "ককা তোমাৰ উত্তৰটো ভুল হৈছে। তুমিতো মোক সোধা নাই উঁটৰ পোৱালিটোৰ বয়স কিমান। উঁটৰ পোৱালিটোও ডাঙৰ। সি জন্ম হোৱা দহবছৰ হ'ল।" গীতাই ক'লে। নাতিনীয়েকৰ বুদ্ধিমত্তা দেখি সুখী হৈ কাশীৰামে দুয়োটা মুদ্ৰাই গীতাৰ হাতত তুলি দিলে।

- ৰাজেন্দ্ৰ চোনী

ভয়ঙ্কৰ ঘাটী

১৭

(কেশৱ আৰু তেওঁৰ বন্ধু, যেতিয়া নদীৰ পাৰ পালেগৈ, তাত গোলামৰ ব্যৱসায় কৰা শকত চৰ্দাৰৰ ভৃত্যহঁতৰ লগত দুয়োৱে সংঘৰ্ষ হ'ল। সিহঁতৰ হাতত কেশৱ আৰু জয়মল্ল বন্দী হ'ল। বৃদ্ধ আৰু জংঘলী যুৱক দুজন নিৰুদ্দেশ হ'ল। পিছদিনা গোলাম ক্ৰয় কৰিবলৈ দুজন বেপাৰী শকত চৰ্দাৰৰ শিবিৰৰ ওচৰলৈ আহিল। তাৰপিছত...)

শকত চৰ্দাৰে কেশৱ আৰু জয়মল্লক দেখুৱাই বেপাৰীদুজনক ক'লে, "দেখিছানে, কেনে ভোবোলা ছাগলীৰ দৰে মঙহাল? জলপ্ৰপাতৰপৰা ধমৰকৈ পৰি নদীৰ পাৰলৈ আহিল, তাৰপিছত আকৌ নদীত জঁপিয়াই পৰিল আৰু সাঁতুৰি এইখিনিলৈ আহিল। কিমান শক্তি দেখিলানে? ইহঁতৰ যাতে ক'তো কোনো ঘা নালাগে সেই চেষ্টাতে মোৰ বাৰটা ভৃত্য মৰিল। কেনে ভয়ংকৰ বল ইহঁতৰ, একেটা প্ৰহাৰতে মোৰ এটা মানুহক সিপুৰী পোৱালেগৈ...।" শকত চৰ্দাৰক মাজতে বাধা দি এজন বেপাৰীয়ে ক'লে, "হৈছে, হৈছে বহুত হৈছে। এটাৰ বাবে দহোটাকৈ সোণৰ মুদ্ৰা বিচৰা অভিপ্ৰায় নহয়তো?"

"দহটা সোণৰ মুদ্ৰা? কি অভিপ্ৰায়ৰ কথা কৈছাহে? মোক ডুবাব খুজিছা নেকি? যোৱা চৌবিছ ঘন্টা ধৰি মই ইহঁতক নিজৰ ল'বাৰ দৰে চোৱা চিতা কৰিছো। ইহঁতক খাবলৈ দিয়া খাদ্যৰ মূল্যই হ'ব ত্ৰিছটা সোণৰ মুদ্ৰা।

কি ভয়ানক ইহঁতৰ ক্ষুধা? শক্তিও কেনে অপৰিসীম! এখন কোৰ হাতত তুলি দিয়া, থিয় পাহাৰ এটা মুহূৰ্ত্তৰ ভিতৰতে চূৰমাৰ কৰি দিব।" শকত চৰ্দাৰে চিঞৰি চিঞৰি ক'লে।

এজন বেপাৰীয়ে মিচিকিয়া হাঁহি মাৰি কেশৱৰ ওচৰলৈ আহিল। তেওঁ নিজৰ লাঠিডালেৰে কেশৱৰ কান্ধত খোঁচ মাৰিলে। কেশৱে খুব কষ্ট পালে আৰু তাৰ খঙো উঠিল। কিন্তু সি কোনোমতে সহি থাকিল।

বেপাৰীয়ে ডাঙৰকৈ হাঁহিলে আৰু শকত চৰ্দাৰৰ ফালে চাই ক'লে, "ইয়াৰ বিষয়ে তুমি কোৱা কথাখিনি সঁচা যেন লাগিছে। এই আঘাত আন কোনোবাই পোৱাহেঁতেন সি বিকট চিঞৰ মাৰিলেহেঁতেন।"

এই কথা শুনি শকত চৰ্দাৰ বৰ সুখী হ'ল। "মই নকৈছিলোনে? ইহঁতৰ এটাক একোটা হাতী বুলিয়েই ধৰি ল'ব পাৰা।"

"ইমান ডাঙৰ আঘাত পোৱাৰ পাছতো ই শব্দ এটাকে নকৰিলে, ই আকৌ বোবা নহয়তো?" এইবুলি কৈ আনজন বেপাৰীয়ে কেশৱৰ ওচৰলৈ আহি সুধিলে, "কিহে ভাই, তুমি কথা ক'ব পাৰানে? তোমাৰ নাম কি?"

কেশৱে ক'লে, "কনিষ্ঠ, মনুষ্যক পশুৰ দৰে যি কিনা বেচা কৰে, সেইজনে আমাৰ নাম জানি কি কৰিব?"

"দেখিলানে, জ্ঞানীৰ দৰে এওঁ কিমান ভাল উত্তৰ দিছে, এওঁ এনে বুদ্ধিমত্তাভৰা কথা কৈছে, যিবোৰ কথা শাস্ত্ৰতহে থকা উচিত।" শকত চৰ্দাৰে সুখী হৈ ক'লে।

"থোৱাহে সখি, তুমি এনেকৈ কথা কৈছা, যেন এটা এটা কথাৰ বাবে একোটাকৈ সোণৰ মুদ্ৰা দিব লাগিব। বাৰু দামটো কোৱাচোন। দুয়োটাকে মিলাই, ত্ৰিছটা মুদ্ৰা দিম। হ'ব নে বাৰু?" বেপাৰীয়ে সুধিলে।

"দুয়োটাকে মিলাই ত্ৰিছটা মুদ্ৰা। মোক ডুবাই মাৰি তোমাৰ কি লাভ হ'বহে? ময়েই যদি ডুবি যাওঁ, তোমাৰ লোকচান নহ'বনে? ভগৱানৰ নাম ধৰি কৈছো। তুমি এনেকুৱা শক্তিশালী ডেকা পাবা ক'তহে? হাজাৰটাৰ মাজত এনেকুৱা এটাহে ওলায়। ভগৱানে ইহঁত দুটাক নিজ হাতে গঢ়িছে বুইছা। ইহঁত দুটাক ধৰিবলৈ মোৰ বাৰটা ভৃত্যই প্ৰাণ দিলে। বিশ্বাস কৰা।" এইবুলি কৈ শকত চৰ্দাৰে নিজৰ চুলি মোহাৰিবলৈ ধৰিলে।

দুয়ো বেপাৰী কিছু দূৰলৈ গৈ নিজৰ মাজতে কিবা কথা পাতিলে।

তাৰপিছত তেওঁলোক শকত চৰ্দাৰৰ ওচৰলৈ আহি ক'লে, "ঠিক আছে চল্লিছ দিম। সেইটোৱেই শেষ কথা। পাৰা যদি বিক্ৰী

কৰা, নহ'লে যাবলৈ দিয়া। আমাৰ বহুত কাম আছে। বিছটা গোলাম ক্ৰয় কৰি আমি পাহাৰৰপৰা নামি অহা নৈখনৰ পাৰতে থৈ আহিছো। সোনকালে যাব লাগে।"

"মতি গতি যদি এনেকুৱাই হয়, মোৰ বেপাৰ চলিব আৰু। মই এই শিবিৰ বন্ধ কৰি এটা গুহালৈ গৈ তপস্যাই আৰম্ভ কৰো।" এইবুলি শকত চৰ্দাৰে অস্থিৰভাৱে অহা যোৱা কৰিবলৈ ধৰিলে।

গোলামৰ বাবে দাম দৰ এনেকৈ এঘন্টামান সময় ধৰি চলি থাকিল। বেপাৰীদুজনেও এই দুই থূলন্তৰ যুৱকক হেৰুৱাব খোজা নাছিল, কিন্তু তেওঁলোকে চেষ্টা কৰিছিল এই লেনদেনৰ বাবে যিমান পৰা যায় সিমান কম মূল্য ঠিক কৰিবলৈ। শেষত দাম ষাঠিটা সোণৰ মুদ্ৰাত স্থিৰ হ'লগৈ। শকত চৰ্দাৰে বেপাৰীদুজনৰপৰা ষাঠিটা মুদ্ৰা লৈ নিজৰ কঁকালৰ খোচনিত ৰাখি ল'লে। "তোমালোক মোৰ ইয়ালৈ আহি থাকিবা।" শকত চৰ্দাৰে ক'লে।

"কিয় নাহিম? কিন্তু আমি তোমাৰপৰা এটা সহায় বিচাৰিছো।" বেপাৰীহঁতে ক'লে।

"কি সহায়?" এইবুলি কৈ শকত চৰ্দাৰে বেপাৰীহঁতক সন্দেহৰ চকুৰে চালে।

"যোৱা কিছুদিন ধৰি ৰাজ্যত চৰম অৰাজকতা চলিছে। হাতত তৰোৱাল তুলি ল'ব পৰা সকলোৱেই ডকাইতিত ধৰিছে আৰু আমাৰ হাতত বহুখিনি মাল অনাহকতে পৰি আছে...বত্ৰিছটা গোলাম। দুদিন বিশ্ৰাম লৈ আমি কপিলপুৰ নাপামগৈ। আজি ৰাতিৰ যাত্ৰাত তুমি আমাৰ লগত ওলোৱা।" বেপাৰীদুজনে ক'লে। শকত চৰ্দাৰ এনেকৈ

বহাৰপৰা উঠিল যেন তেওঁক বিছাইহে কামুৰিছে, "যদি মই মোৰ শিবিৰ, ভৃত্যহঁতৰ হাতত এৰি থৈ যাওঁ, তেন্তে মোৰ বেপাৰত জুই লাগিব। ইহঁতৰ আটাইমখা চোৰ। মোৰ বহুত লোকচান হ'ব।"

বেপাৰীয়ে হাঁহি মাৰি ক'লে, "আজি যদি তুমি আমাৰ লগত থাকা, তেন্তে চাৰিটা সোণৰ মুদ্ৰা দিম। হ'বনে বাৰু?"

"তেতিয়াই মোৰ লোকচান পূৰ হ'বনে? দহটা, আঠোটাৰ কথা বেলেগ আছিল। বাৰু পাঁচটা দিবা। ব'লা ব'লা।" এইবুলি কৈ চৰ্দাৰে চাবুক হাতত লৈ খৰখেদাকৈ কেশৱ আৰু জয়মল্লৰ ওচৰলৈ গ'ল।

কেশৱ আৰু জয়মল্লক লগত লৈ দুয়ো বেপাৰী আৰু শকত চৰ্দাৰ জংঘলৰ মাজেদি গৈ গৈ এঘন্টাৰ পাছত এটা পাহাৰী নলাৰ ওচৰলৈ আহিল।

তাত ডিঙিত শিকলিৰে বান্ধি থোৱা বত্রিছটা গোলামে বেপাৰীৰ ভৃত্যৰ পহৰাত চন্দন গছৰ কাঠ কাটি আছিল।

শকত চৰ্দাৰে ডাঙৰকৈ হাঁহি মাৰি ক'লে, "গোলাম ক্রয় কৰোতে হোৱা খৰচতো ইহঁতে কটা চন্দন কাঠৰপৰাই ওলাব, ইহঁতক বেচিলেনো কি লাভ হ'ব? তোমালোকৰো দেখিছো বুদ্ধিৰ তুলনা নাই।"

বেপাৰীহঁতে হাঁহি হাঁহি ভৃত্যসকলক যাবলৈ ক'লে। চাঁওতে চাঁওতে ভৃত্যহঁতে চন্দন কাঠ একগোট কৰিলে, সিহঁতৰ ডিঙিৰ শিকলি ভালকৈ বান্ধি লৈ একেটা শাৰীতে যাবলৈ কোৱা হ'ল আৰু শাৰীৰ দুয়োফালে চাবুক ঘূৰাই ভৃত্যহঁতো আগবাঢ়ি গ'ল।

সেই ঘন অৰণ্যত,সূৰ্যাস্তলৈকে তেওঁলোক গৈ থাকিল। তেওঁলোকে ৰাস্তাত সিংহৰ গৰ্জন আৰু হাতীৰ চিঞৰ শুনিবলৈ পালে। তেতিয়া শকত চৰ্দাৰে ভাবিবলৈ ধৰিলে, "পাঁচটা সোণৰ মুদ্ৰাৰ লোভত মই মোৰ জীৱনটোলৈ বিপদ মাতি অনা নাইতো?"

সূৰ্যাস্তৰ পাছত অলপ সময়ৰ ভিতৰতে সকলো ঠাইতে ঘন অন্ধকাৰ বিয়পি পৰিল। বেপাৰীহঁতে গোলামবোৰক এঠাইত গোট খুৱালে। বন্য জীৱ জন্তুৱে যাতে আক্রমণ কৰিব নোৱাৰে তাৰবাবে সিহঁতৰ হতুৱাই চাৰিওফালে কাঁইটীয়া ওখ বেৰ বনোৱালে। তাত দুকুৰা জুই ধৰা হ'ল। তাৰপিছত আটাইকে পোৰা ৰুটী আৰু পোৰা মাংস খাবলৈ দিয়া হ'ল।"

যিমানে ৰাতি গভীৰ হৈ আহিছিল। সিমানেই অদূৰৰ জোপোহাৰ মাজৰপৰা সিংহৰ গৰ্জন বেছি হৈ আহিছিল। কেশৰ আৰু জয়মল্লই নিজৰ ভৱিষ্যতৰ কথা চিন্তা কৰি

আছিল। "আমি বাৰু ইহঁতৰ ক'বলৰপৰা উদ্ধাৰ পামনে? আমি প্ৰতিদিনেই নতুন নতুন বিপদৰ মুখামুখি হৈছো। সম্ভৱ, সৈনিকৰপৰা সিহঁতৰ ঘোঁৰা কাঢ়ি লৈ আমি বিপদ চপাই লৈছিলো। সেই কাৰণেই আমাক বিচাৰি চাৰিওফালে সৈনিকে পিয়াপি দি ফুৰিছিল। এতিয়াতো আমি গোটেইবোৰেই বেলেগ বেলেগ হ'লো, একেলগে থাকিব নোৱাৰিলো। খুব সম্ভৱ, ইহঁতৰ কবলৰপৰা সুৰক্ষিত হৈ উদ্ধাৰ পোৱাৰ সম্ভাৱনা ক্ষীণ। নাজানো দেউতাৰ কি হৈছে? দুয়োটা জংঘলী যুৱক লগত আছে বা নাই!" কেশৰে এইবোৰ কথাকে ভাবি আছিল।

"মল্ল, তুমি বাৰু কি ভাবা? মোৰ দেউতা ঠিকেই আছেনে?" কেশৰে হঠাতে চিন্তিত হৈ সুধিলে।

"তেওঁৰ কোনো বিপদ নাই। এই জংঘলতে নিশ্চয় দুয়ো জংঘলী যুৱকৰ লগত কৰ'বাত লুকাই আছে।" জয়মল্লই ক'লে।

কেশৰে জয়মল্লই কোৱা কথাখিনি বিশ্বাস নকৰিলে। সি কিবা সুধিব খোজোতেই সিংহৰ গৰ্জন হঠাতে নোহোৱা হ'ল। কেশৰ সকলো নিশব্দ হৈছে, নিশ্চয় কিবা বিপদ আহিব?"

তেন্তে ভয়ংকৰ গৰ্জন কৰি এটা সিংহ কাঁইটীয়া বেৰ অতিক্ৰম কৰি ভিতৰত জঁপিয়াই পৰিল। শুই থকা গোলামহঁত সাৰ পাই উঠি চিঞৰিবলৈ ধৰিলে। শকত চৰ্দাৰ আৰু দুই বেপাৰীয়ে ক্ষীণ মাতেৰে "বাণ, তৰোৱাল, যাঠী সিংহলৈ মাৰহঁত," বুলি কৈ নিজে আন এফালে পলাই গ'ল।

ভৃত্যহঁতে সিংহৰ ওপৰত বাণ এৰিলে। কিন্তু তাৰ এডালো সিংহৰ গাত নালাগিলগৈ। এনেতে সিংহ শিকলিৰে বান্ধি থোৱা

গোলামহঁতৰ ওপৰত বিজুলী বেগত জঁপিয়াই পৰিল আৰু দুই তিনিটাক নিজৰ হাঁতোৰাৰে আহত কৰিলে।

কেশৱ আৰু জয়মল্ল জুইৰ ওচৰলৈ গ'ল। দুডাল জলন্ত খৰি হাতত লৈ সিহঁতে ক'লে, "বাণ এৰি সিংহক ক্ৰোধান্বিত নকৰিবা। আমি ইয়াক বাহিৰ কৰি দিম।" এইবুলি কৈ দুয়োটা সিংহটোৰ ফালে দৌৰি গ'ল।

জ্বলন খৰি দেখি সিংহই ক্ষন্তেক সময়ৰ বাবে তধা লাগি চালে। তাৰ পিছত হাতোৰা মেলি সমুখত থিয় হৈ থকা কেশৱৰ ওপৰত জঁপিয়াই পৰিল। কেশৱে নিজকে বচাই জ্বলি থকা খৰিডাল সিংহটোৰ ফালে দলিয়াই দিলে।

খৰিডাল গাত লগাৰ লগে লগে ডাঙৰকৈ গৰ্জন কৰি সিংহটো অলপ পিছুৱাই গ'ল। সেই সময়তে জয়মল্লই নিজৰ হাতৰ জ্বলন্ত খৰি সিংহৰ শৰীৰৰ পিছফালৰ অংশলৈ মাৰি পঠিয়ালে।

সিংহটোৱে মেকুৰীৰ দৰে, কাঁইটীয়া বেৰ পাৰ হৈ জংঘলৰ ফালে পলাই গ'ল। শকত চৰ্দাৰ আৰু বেপাৰীয়ে কেশৱ আৰু জয়মল্লৰ বাহাদুৰি দেখি বৰ সুখী হ'ল আৰু সিহঁতৰ ওচৰলৈ আহিল। শকত চৰ্দাৰ তেতিয়াই কঁপি আছিল। বেপাৰীহঁতৰ অৱস্থাও তেনেই পুতৌলগা হৈছিল।

"তোমালোক দুয়োজনে আমাক বহুত ডাঙৰ লোকচানৰপৰা বচালা," দুটা গোলাম নিহত হ'ল। এটা আহত হ'ল। সেয়া বিশেষ লোকচান নহয়। তোমালোকৰ সাহস আৰু ধৈৰ্য দেখি, তোমালোকৰ মংগল হওক বুলি আজিৰেপৰা যিমান বিচাৰা সিমান তোমা-লোকক খাবলৈ দিয়া হ'ব।" এজন বেপাৰীয়ে ক'লে।

"তেন্তে তাকেই কৰিম। কপিলপুৰত আমি যেতিয়া ইহঁতক বেচিম, তেতিয়া আজিৰ ঘটনা মনত পেলাই, ভাল দাম পাবলৈ চেষ্টা কৰিম। মই যদি পাহৰিও যাওঁ তুমিয়েই মোক মনত পেলাই দিবা।"

"সকলোৱে মিলি মোক ডুবালা। মই যদি আগতেই জানিলোহেঁতেন যে ইহঁত ইমান শক্তিশালী বীৰ, মই ইহঁতক ষাঠিটা মুদ্ৰাত বিক্ৰী কৰিলোহেঁতেন জানো? মোক তোমালোকে নিগমে মাৰিলা," শকত চৰ্দাৰে উন্মাদৰ দৰে চিঞৰ বাখৰ কৰি জঁপিয়াবলৈ ধৰিলে। *(আগলৈ)*

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

সেনাপতিৰ বাচনি

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল, গছৰপৰা মৰাশটো নমাই নিজৰ কান্ধৰ ওপৰত তুলি ল'লে আৰু যথাৰীতি শ্মশানৰ ফালে আগবাঢ়িল। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, মই বুজি পোৱা নাই যে কিনো মহৎ লক্ষ্য প্ৰাপ্তিৰ বাবে অথবা কোন মন্ত্ৰীৰ পৰামৰ্শমতে এই মাজৰাতি ইমান ঘন অন্ধকাৰত ইমান কষ্ট সহিছা? শাসকে যেতিয়া কোনো সমস্যাৰ মুখামুখি হয়, তেতিয়া স্বাভাৱিকতে তেওঁ মন্ত্ৰীসকলৰ পৰামৰ্শ লয়, আৰু ই এক পৰম্পৰাগত ৰীতি। কিন্তু, দেখা যায় যে অতি মেধাৱী বুলি জনাজাত মন্ত্ৰীয়েও কেতিয়াবা

গুৰুত্বপূর্ণ সিদ্ধান্ত লওঁতে ভুল কৰে। এনে মন্ত্রীৰ অনুচিত সিদ্ধান্তৰ বাবে, শাসকৰ লোকচান হয়, আৰু তেওঁলোক বিপদত পৰিব লাগে। তোমাক সাৱধান কৰি মই সেই ধার্মিকৰ কাহিনী শুনাম, যি সেনাপতিৰ নিযুক্তিৰ বিষয়ত সিদ্ধান্ত লওঁতে ভুল কৰিছিল। তোমাৰ যাত্ৰাৰ ভাগৰ পলুৱাই এই কাহিনী তুমি খুব মন দি শুনা।" এইবুলি বেতালে ৰজা বিক্ৰমাদিত্যক এই কাহিনী শুনাবলৈ ধৰিলে।

ক্ষেত্ৰপাল শিল্প ক্ষেত্ৰৰ শাসক আছিল। তেওঁৰ শাসনকালত প্ৰজা সুখী আছিল। সূক্ষ্ম সিদ্ধান্ত লোৱাত সিদ্ধহস্ত মহামেধাৱী মন্ত্ৰী ধৰ্মশীলে ৰজাক শাসন সম্বন্ধীয় বিষয়ত পৰামৰ্শ দিছিল। সেই ৰাজ্যৰ সেনাপতিৰ হঠাৎ মৃত্যু ঘটিল। তেতিয়া ৰজাই নতুন সেনাপতিৰ নিযুক্তিৰ দায়িত্ব ধৰ্মশীলৰ ওপৰত অৰ্পিলে।

সেই সময়ত ৰজাৰ সেনাদলৰ কোনো এজন দলপতিয়েই সেনাপতি পদৰ বাবে যোগ্য নাছিল। সেই বাবে মন্ত্ৰীয়ে সুযোগ্য বীৰৰ সন্ধান কৰিবলৈ ধৰিলে। তেওঁ ঘোষণা শুনোৱালে যে কাৰ্তিক পূৰ্ণিমাৰ দিনা ৰাজধানীত যুদ্ধ কৌশল সম্বন্ধীয় প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। ইয়াত বীৰত্ব, শাৰীৰিক শক্তি, ক্ষমতা, খড়গ্ন বিদ্যা, ধনুবিদ্যা ইত্যাদি কলাৰ প্ৰদৰ্শন কৰা হ'ব। এই প্ৰতিযোগিতাত ৰাজ্যৰ যি কোনো যুৱকেই ভাগ ল'ব পাৰিব। যিয়েই বিজয়ী হ'ব, সেই বীৰকেই খালী হোৱা সেনাপতিৰ পদত নিযুক্ত কৰা হ'ব।

প্ৰতিযোগিতাত ভাগ ল'বলৈ বহুত যুৱক আহিল। যথা সময়ত প্ৰতিযোগিতা আৰম্ভ হ'ল। সূক্ষ্মধৰ আৰু ৰূপসেন নামৰ দুজন বীৰ সমকক্ষ হিচাবে পৰিগণিত হ'ল। তেওঁলোকৰ মাজৰ এজনক বাচি উলিওৱা মন্ত্ৰীৰ বাবে কঠিন হৈ পৰিছিল। সেই বিষয় লৈ তেওঁ বহুত ভাবিলে আৰু অৱশেষত দুয়োজনকে মাতি আনি ক'লে, "তোমালোক দুয়ো অসাধাৰণ প্ৰতিভাশালী যোদ্ধা। এনেস্থলত এজনক নিৰ্বাচন কৰিলে আনজনৰ প্ৰতি অন্যায় কৰা হ'ব। সেনাপতিৰ পদটো অতি গধুৰ দায়িত্বৰে ভৰা। ইয়াৰ বাবে কেৱল সাহস বা বীৰত্বই নহয়, লগতে মেধাশক্তিৰো অতি প্ৰয়োজন। সেয়ে মই তোমালোকৰ মেধা শক্তিৰ পৰিচয় ল'ব খোজো। তোমালোক এই পৰীক্ষাৰ বাবে সাজু আছানে?"

"যুদ্ধবিদ্যাৰ পৰীক্ষাৰে বাছনি কৰিব পৰা নগ'ল যেতিয়া মেধা শক্তিৰ পৰীক্ষা লোৱা-

টোৱেই সমুচিত হ'ব। আমি সাজু আছোঁ।” সূক্ষ্মধৰে তুৰন্তে ক'লে।

“ইয়াত মোৰো কোনো আপত্তি নাই।” ৰূপসেনে ক'লে।

“ঠিক আছে, ৰজা আৰু সভাসদ সকলৰ সমুখত মই তোমালোকক তিনিটা প্ৰশ্ন সুধিম। তোমালোক দুয়োৰে ভিতৰত যাৰে উত্তৰ মোৰ সমুচিত বোধ হ'ব তেওঁকেই সেনাপতিৰ পদত নিযুক্ত কৰিম।” মন্ত্ৰীয়ে ক'লে।

দুয়ো যুৱকে এই চৰ্ত মানি ল'লে।

পিছদিনাই ৰজাৰ সমুখত সভাৰ আয়োজন কৰা হ'ল। দুয়ো যুৱকে নিজৰ নিজৰ আসনত বহিল।

মন্ত্ৰী ধৰ্মশীলে উঠি যুৱকদুজনক সম্বোধন কৰি ক'লে, “তোমালোক নগৰৰ প্ৰধান ৰাজপথেদি গৈ আছা। দুয়ো দেখিছা যে ৰাজপথত দুজন যুৱকে কাজিয়া কৰি আছে। তেতিয়া তোমালোকে কি কৰিবা?”

“মন্ত্ৰীবৰ, ৰূপসেন মোতকৈ বয়সত সৰু। প্ৰথমতে তেওঁকেই সুযোগ দিয়ক।” সূক্ষ্মধৰে ক'লে।

মন্ত্ৰীয়ে তেতিয়া ৰূপসেনক সেই প্ৰশ্নৰ উত্তৰ দিবলৈ ক'লে, “মন্ত্ৰীবৰ, ৰাজপথত কাজিয়া কৰাটো অপৰাধ। সেয়ে মই দুয়োকো গ্ৰেপ্তাৰ কৰি কাৰাগাৰত নিক্ষেপ কৰিম। তাৰ পিছত কাজিয়াৰ কাৰণ জানি লৈ তাৰ সিদ্ধান্তৰ বাবে মহাৰাজৰ আগত ব্যক্ত কৰিম।” ৰূপসেনে ক'লে।

“তুমি কি কৰিবা?” মন্ত্ৰীয়ে সূক্ষ্মধৰক সুধিলে।

“ৰাজপথত দুজন যুৱকে যেতিয়া কাজিয়া কৰিব, তাৰ কাৰণ নিশ্চয় থাকিব। মই তেওঁলোকৰ ওচৰলৈ গৈ তাৰ কাৰণ সুধিম। দোষ কাৰ সেইটো জানি লৈ তাৰ সমস্যা সমাধান কৰিবৰ চেষ্টা কৰিম।” সূক্ষ্মধৰে ক'লে।

ধৰ্মশীলে তেওঁৰ উত্তৰ সমৰ্থন কৰাৰ ভঙ্গীত মূৰ দুপিয়ালে আৰু ক'লে, “এতিয়া মোৰ দ্বিতীয় প্ৰশ্ন। কিছুমান বিদ্ৰোহীয়ে ৰজাৰ বিৰুদ্ধে প্ৰজাক উচটাইছে, ৰজাৰ বিৰুদ্ধে যাবলৈ উৎসাহ জনাইছে। তেতিয়া তোমালোকে কি কৰিবা?”

“গুপ্তচৰৰদ্বাৰা বিদ্ৰোহী সকলৰ গতি-বিধিৰ বিষয়ে জানিব পাৰিম আৰু এই কথাও জানিব পাৰিম যে তেওঁলোক কিমান শক্তিশালী, তেওঁলোকৰ নেতা কোন, প্ৰজাই তেওঁলোকৰ লগত সহযোগ কৰিছে নেকি,

চুবুৰীয়া দেশে তেওঁলোকে সহায় কৰিছে নেকি আৰু তেওঁলোকৰ ওচৰত কি কি অস্ত্ৰ আছে ইত্যাদি। তাৰ পিছত সৈন্য সামন্ত লৈ বিদ্ৰোহ দমন কৰিম।" আবেগ ভৰা কণ্ঠেৰে ৰূপসেনে ক'লে।

তাৰ পিছত সূক্ষ্মধৰে ক'লে, "ৰজাৰ বিৰুদ্ধে যদি বিদ্ৰোহ কৰিবলৈ প্ৰজাই সাহস কৰে, তেন্তে নিশ্চয়কৈ শাসন ব্যৱস্থাত কিছুমান ত্ৰুটি থাকিব। সমস্যাৰ সমাধান কৰাত ৰজাৰ নিশ্চয় কিছু ছিদ্ৰ বা বহুত বিলম্ব থাকিব। সেয়ে প্ৰথমতে বিদ্ৰোহীসকলক মাতিম আৰু তেওঁলোকৰ সমস্যা জানিবৰ চেষ্টা কৰিম। সঁচাকৈয়ে যদি শাসন পদ্ধতিত কিবা ত্ৰুটি আছে তেন্তে সেইবোৰ শুধৰাবৰ চেষ্টা কৰিম। কিন্তু বিনা কাৰণে যদি প্ৰজাই বিদ্ৰোহ কৰিবলৈ সাহস কৰে তেন্তে সেয়া সমূলঞ্চে নাশ কৰিম।"

মন্ত্ৰীয়ে তেওঁক প্ৰশংসা কৰি ক'লে, "একে বাৰে ঠিক কৈছা। এতিয়া এয়া মোৰ তৃতীয় প্ৰশ্ন। ধৰিলোৱা, তোমালোক ৰজাৰ লগত চিকাৰলৈ গৈছা। হঠাতে এটা বাঘ ৰজাৰ ওপৰত জঁপিয়াই পৰিল। তেতিয়া তোমালোকে কি কৰিবা?"

"ইয়াত চিন্তা কৰিবলৈ কি আছে? তুৰন্তে ৰজাক আঁতৰাই বাঘটোক খেদি যাম। নিজৰ ধনু কাঁড়েৰে সেইটো মাৰিম। ৰজাক ৰক্ষা কৰিম।" ৰূপসেনে ক'লে।

"তুমি কি কৰিবা?" মন্ত্ৰীয়ে এইবাৰ সূক্ষ্মধৰক সুধিলে।

"যদি মই ৰজাৰ ওচৰত থাকোঁ তেন্তে ৰজাৰ ওপৰত বাঘটো জঁপিয়াই পৰাৰ প্ৰশ্নই নুঠে, কিয়নো মই সদায় সাৱধান হৈ থাকিম।" সূক্ষ্মধৰে ক'লে।

তেওঁৰ উত্তৰত ৰজা আৰু সভাসদ প্ৰসন্ন



হ'ল। সকলোৱে হাত চাপৰি বজালে। ইয়াৰ পিছত মন্ত্ৰী অলপ সময়লৈকে চিন্তাত বুৰ গ'ল।

তাৰ পিছত মিচিকিয়াই হাঁহি ক'লে, "বীৰ যুৱকদ্বয়, মই প্ৰথমতে ভাবিছিলো যে তোমালোকক তিনিটা প্ৰশ্ন সুধিম। কিন্তু এতিয়া আৰু এটা প্ৰশ্ন সুধিব খোজোঁ। ধৰি লোৱা, আমাৰ ৰাজ্যৰ আৰু তিনিখন ৰাজ্যৰ লগত শত্ৰুতা আছে। তাৰে এখন সোণৰ বস্তুৰে ভৰা, আনখনত মূল্যবান অস্ত্ৰ শস্ত্ৰ আৰু তৃতীয়খন ৰাজ্য অন্যান্য সম্পদেৰে ভৰি আছে। যদি এই তিনিখন ৰাজ্যক আক্ৰমণ কৰিব লাগে তেন্তে প্ৰথমতে তুমি কোনখন ৰাজ্য আক্ৰমণ কৰিবা?"

"মই বুজি পোৱা নাই যে এই প্ৰশ্নটোৰ লগত আমাৰ নিৰ্বাচনৰ কি সম্পৰ্ক আছে? এনে পৰিস্থিতিত ৰাজআজ্ঞা পালন কৰাটোৱেই সেনাধিপতিৰ কৰ্তব্য। ৰজা আৰু মন্ত্ৰীয়ে যি সিদ্ধান্ত ল'ব, সেই মতে মই আগবাঢ়িম আৰু বিজয় লাভ কৰিম।" ৰূপসেনে ক'লে।

মন্ত্ৰীয়ে সূক্ষ্মধৰৰ পৰা তেওঁৰ অভিপ্ৰায় জানিব খুজিলে। "সৈন্যদলক বলীয়ান কৰাটোৱেই সেনাপতিৰ প্ৰথম কৰ্তব্য। সেনাক জয়ী কৰিবলৈ হ'লে অস্ত্ৰ শস্ত্ৰৰো নিতান্তই প্ৰয়োজন। অস্ত্ৰ শস্ত্ৰ থাকিলে সাহস বাঢ়ে আৰু অনায়াসে দুয়োখন ৰাজ্য জয় কৰিব পাৰিম। আপুনিতো জানেই যে য'তেই ধৈৰ্য লক্ষ্মী বাস কৰে তাতেই বাকী সাত লক্ষ্মী বাস কৰে। তথাপিও অস্ত্ৰ শস্ত্ৰৰে ভৰি থকা

ৰাজ্যখনেই মই প্ৰথমতে আক্ৰমণ কৰে।" অতি গম্ভীৰ সুৰত সূক্ষ্মধৰে ক'লে।

তেওঁৰ বিশ্লেষণে সকলোকে মুগ্ধ কৰিলে। প্ৰথমৰেপৰাই তেওঁ উত্তৰসমূহ অদ্ভুত আছিল। সকলোৱে সূক্ষ্মধৰকেই সেনাপতিৰ পদত নিযুক্ত কৰিব লাগে বুলি ৰায় দিলে। মন্ত্ৰীয়েও সেই সিদ্ধান্তকে ল'ব বুলি সকলোৱে ভাবিলে। কিন্তু নিজৰ সিদ্ধান্তৰে মন্ত্ৰীয়ে সকলোকে আশ্বৰ্যান্বিত কৰিলে। তেওঁ ৰূপসেনক সেনাপতিৰ পদত নিযুক্ত কৰিলে। ৰজাই ইয়াত সানন্দে সন্মতি দিলে।

বেতালে এই কাহিনী শুনাই উঠি ক'লে, "ৰাজন, সূক্ষ্মধৰ আৰু ৰূপসেন যুদ্ধ বিদ্যাত সমান প্ৰতিভাশালী প্ৰমাণিত হ'ল। ফলত মন্ত্ৰীয়ে সিদ্ধান্ত ল'লে যে তেওঁলোকৰ মেধাশক্তিৰো পৰীক্ষা লোৱা যাওঁক। কিন্তু যি

যি প্ৰশ্ন সোধা হ'ল, তাৰ শুদ্ধ উত্তৰ সূক্ষ্মধৰে দিলে, মন্ত্ৰীয়ে তাৰ প্ৰশংসাও কৰিলে। কিন্তু আচৰিত কথা এয়ে যে তেওঁ সেনাপতিৰ বাবে ৰূপসেনকহে নিৰ্বাচন কৰিলে। তেওঁৰ এই সিদ্ধান্ত অস্বাভাৱিক আৰু অসংগত যেন লগা নাইনে? ততাকৈও আচৰিত কথা এয়ে যে ৰজায়ো এই কথাত সন্মতি দিলে। ধৰ্মশীলৰ সিদ্ধান্তৰ আঁৰত কিবা সবল কাৰণ আছে নেকি? মোৰ এই সন্দেহৰ সমাধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

বিক্ৰমাদিত্যই ক'লে, "এটা কথা সঁচা যে যেতিয়ালৈকে মেধাশক্তিৰ কথা আহে, সূক্ষ্মধৰ, ৰূপসেনতকৈ শ্ৰেষ্ঠ। সেইবাবে মন্ত্ৰী ধৰ্মশীলে তেওঁৰ উত্তৰ শুনি তেওৰ প্ৰশংসা কৰিলে, তেওঁক অভিনন্দন জনালে। কিন্তু এনে সূক্ষ্ম বুদ্ধিসম্পন্ন লোক ৰজাৰ অধীনত সেনাপতি হৈ থকাটো ৰাজ্যৰ বাবে মঙ্গলকৰ নহয়। ভৱিষ্যতে শাসন সম্বন্ধীয় কথা লৈ ৰজাৰ লগত তেওঁৰ মতভেদ হ'ব পাৰে। বেছি তীক্ষ্ণবুদ্ধি সম্পন্ন লোকে নিজকে অইনতকৈ বেছি জ্ঞানী বুলি ভাবে আৰু যদি তেওঁৰ অহংভাব জাগি উঠে তেন্তে নিজৰ গৰাকীলৈও ভয় নকৰি স্বাধীনচিতীয়া সিদ্ধান্ত ল'বলৈ আৰম্ভ কৰে আৰু ৰজাক অৱজ্ঞা কৰিবলৈ লয়। সেনাপতিৰ পদৰ বাবে ৰাজভক্তি বৰ প্ৰয়োজনীয়। সমস্যাৰ ভিতৰলৈ যোৱাৰ কাম সেনাপতিৰ নহয়, মন্ত্ৰীৰহে। এই দৃষ্টিৰে চাবলৈ গ'লে ৰূপসেন সেনাপতি পদৰ বাবে অধিক উপযুক্ত।

ৰজা আৰু মন্ত্ৰীৰ আদেশ পালন কৰাই সেনাপতিৰ কৰ্ত্তব্য। তাৰ বাবে সাধাৰণ মেধাশক্তিৰ প্ৰয়োজন। যেতিয়ালৈকে যুদ্ধবিদ্যাৰ কথা আহে, সূক্ষ্মধৰতকৈ ৰূপসেন কোনোগুণে কম নহয় আৰু এই কথা প্ৰমাণো হৈছে।

সেনাপতিৰ নিৰ্বাচনৰ ক্ষেত্ৰত মন্ত্ৰীয়ে যি সিদ্ধান্ত ল'লে, তাত দূৰদৰ্শিতা আৰু বিবেকশীলতাহে ফুটি উঠে। সেয়ে ৰজাৰ সিদ্ধান্ত সম্পূৰ্ণ শুদ্ধ।"

ৰজাৰ মৌনতা ভংগত সফল হৈ বেতালে শটোৰ সৈতে অদৃশ্য হৈ পুনৰ সেই গছজোপাত উঠি থাকিলগৈ।

(টি ৰাজেন্দ্ৰৰ ৰচনাৰ আলম লৈ)

সবাতোকৈ পুৰণি সংগ্ৰহালয়

ভাৰতৰ প্ৰথম আৰু সবাতোকৈ পুৰণি সংগ্ৰহালয় ৰাইজৰ বাবে মুকলি কৰি দিয়া হৈছিল ১৮৭৫ চনত কলকাতাত। ইয়াত দেশৰ ৫০০০বছৰীয়া ঐতিহ্যৰ স্বাক্ষৰ বহণ কৰা সামগ্ৰীসমূহ সংৰক্ষণ কৰা হৈছে। এচিয়াটিক চচাইটিৰ এটা অংশত এই সংগ্ৰহালয়টো আছে। মূল আকৰ্ষণ হৈছে ভাৰহুত কোঠা, য'ত খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ শূংগ বংশৰ স্মৃতিচিহ্নসমূহ প্ৰদৰ্শন কৰা হৈছে। ভাৰহুত হ'ল মধ্যপ্ৰদেশৰ এখন গাঁও। এই স্মৃতিচিহ্নবোৰ হ'ল কিছুমান ৰেলিঙ আৰু প্ৰবেশদ্বাৰ। এই ৰেলিঙবোৰত ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ চিত্ৰ খোদাই কৰা আছে। ইয়াৰে কিছুমান চিত্ৰ জাতকমালা আৰু বুদ্ধৰ পূৰ্ব জনমৰ কাহিনীৰপৰা লোৱা হৈছে।

প্ৰথমতে নিৰ্মাণ পিছত উৎখাত

লক্ষ্ণৌৰ বিশাল ইমানবাৰা ইয়াৰ 'ভুল ভুলায়েঁৰ বাবে বিখ্যাত। ই হ'ল মানুহে আঁত্ বিচাৰি নোপোৱা কিছুমান গেলাৰীৰ সমষ্টি। এটা ডাঙৰ দুৰ্ভিক্ষৰ পাছত এই ঘৰটো নিৰ্মাণ কৰা হৈছিল। নবাবে এই দুৰ্ভিক্ষত পীড়িত লোকসকলক কৰ্মসংস্থান দিব খুজিছিল। তেওঁ আদেশ দিছিল যে দিনৰ ভাগত কৰা নিৰ্মাণ ৰাতি উৎখাত কৰা হ'ব। জানি বুজি নিৰ্মাণ কাৰ্যত এনেকৈ পলম কৰাৰ বাবে কৰ্মীসকল বিশেষভাৱে উপকৃত হৈছিল।

সম্পত্তিৰ ভাগ বাটোৱাৰা

বজ্ৰপুৰীৰ জয়ৰাম বৰ পৰোপকাৰী আছিল। তেওঁৰ ওচৰলৈ কিবা বিচাৰি অহা কোনো মানুহকে তেওঁ নিৰাশ নকৰিছিল। কিবা নহয় কিবা এটা দিহে পঠিয়াইছিল। তেওঁ দুখীয়াৰ দুখ খুব ভালকৈ জানিছিল কিয়নো তেওঁ নিজেই আগতে খুব দুখীয়া আছিল। পৰিশ্ৰমৰ জোৰত তেওঁ বহুত ধন উপাৰ্জন কৰিছিল। এখন গোলামালৰ দোকানেৰে তেওঁ জীৱন নতুনকৈ আৰম্ভ কৰিছিল। এতিয়া তেওঁ বজ্ৰপুৰীৰ ধনৱন্ত লোকসকলৰ ভিতৰত এজন। ইন্দ্ৰৰ ভৱনৰ দৰে তেওঁৰ এটা সুবিশাল প্ৰাসাদ আছে।

শিশিৰ, বসন্ত আৰু হেমন্ত আছিল তেওঁৰ তিনিজন পুতেক। তিনিও বিবাহিত আছিল আৰু তিনিও তিনিটা বেলেগ বেপাৰ পিতাকৰ দৰে দক্ষতাৰে কৰি আছিল।

জয়ৰামৰ বয়স বাঢ়ি অহাৰ লগে লগে তেওঁৰ মনত পুতেকহঁতৰ হাতত সম্পত্তি গতাই দিয়াৰ বাসনা তীব্ৰ হৈ উঠিল। সম্পত্তিৰ ভাঁগ বাটোৱাৰা কৰি তেওঁ নিজৰ দায়িত্বৰপৰা মুক্তি পাব খুজিছিল। এদিন তেওঁ তেওঁৰ পৰম বন্ধু নিপুণক মাতি পঠিয়ালে আৰু নিজৰ মনৰ কথা সদৰি কৰিলে। দুয়ো নিজৰ ভিতৰতে আলোচনা কৰি ঠিক কৰিলে যে ঘৰটো এৰি বাকীখিনি সম্পত্তি তিনিও পুতেকৰ মাজত সমানে ভগাই দিয়া হ'ব। জয়ৰামে কেতিয়াও ঘৰটো তিনি ভাগত ভগাব খোজা নাছিল।

"মোৰ ঘৰ অন্নপূৰ্ণাৰ দৰে। প্ৰতিদিনে অতি কমেও চাৰি পাঁচজন মানুহে ইয়াত আতিথ্য লাভ কৰে। মই থাকো বা নাথাকো ঘৰটোৰ এই পৰম্পৰা যাতে অক্ষুণ্ণ থাক।" জয়ৰামে নিপুণক ক'লে।

"যদি তাকেই কৰিব খোজা তেন্তে এনেকুৱাও হ'ব পাৰে যে ককাই ভাইহঁতৰ মাজত ইজনে সিজনৰ প্ৰতি ঈৰ্ষা দ্বেষ সৃষ্টি হ'ব আৰু স্বাৰ্থান্বেষী হৈ উঠিব। খুব ভালকৈ চিন্তা কৰি এটা সিদ্ধান্ত লোৱা।" নিপুণে ক'লে।

"মইতো বিচাৰো যি আমাৰ এই পৰম্পৰা

বজাই ৰাখিব পাৰিব তেওঁকেই ঘৰটো দিয়া হওক। তোমাৰপৰা পৰমৰ্শ বিচৰাৰ মোৰ উদ্দেশ্যও সেইটোৱেই। এই সম্পত্তি মই গোটাইছো। ইয়াৰ ভাগ বাটোৱাৰাও মোৰ ইচ্ছা অনুসাৰেই হ'ব। কিন্তু মই নিবিচাৰো ইয়াৰ বাবেই ল'ৰাহঁতৰ মাজত কাজিয়া হওক, ইজন আনজনৰ শত্ৰু হৈ উঠক। মই বিচাৰিছো তিনিও একেলগে একেটা ঘৰতে মিলিজুলি থাকক। এতিয়া তেওঁৰ হাততেই এই ঘৰটো দিয়া যাওক যি পৰোপকাৰী। ইহঁত তিনিটাৰ মাজত কোন বেছি পৰোপকাৰী সেইটোকে তুমি বাচি দিব লাগে। এই বিষয়ত মোক তোমাৰ সহায় লাগে।" জয়ৰামে নিজৰ মনৰ কথা স্পষ্ট ভাষাৰে বুজাই ক'লে।

নিপুণৰ বাবে এই সমস্যা এটা কঠিন পৰীক্ষা হৈ উঠিল। তেওঁ ক'লে, "তোমাৰ তিনিওটা ল'ৰাই ভাল। সিহঁতে কাৰো একো অপকাৰ নকৰে। সিহঁতৰ মাজতে কোনোবা এটাক বচাটো সঁচাই এটা টান কাম হ'ব।" এই কথা ভাবি ভাবিয়েই নিপুণ ঘৰলৈ ঘূৰি আহিল।

তিনিদিন ভবাৰ পিছত তেওঁ এটা উপায় উলিয়ালে। তেওঁ তৎক্ষণাৎ জয়ৰামক সেই উপায়ৰ কথা ক'লে। জয়ৰামে সন্মতি দিয়াৰ পাছত সেই দিশত [illegible] আ[illegible] হ'ল।

তেওঁ প্ৰথম[illegible] শিৰক মতাই আনিলে আৰু ক'লে, "বোপা, তুমি মোৰ অন্তৰংগ বন্ধুৰ পুতেক। মোৰ নিজৰ ল'ৰাৰ দৰে। অলপতে হিমালয়ৰপৰা অহা এজন তপস্বীয়ে তেওঁৰ লগত অদ্ভুত শক্তিসম্পন্ন চাৰিটা ফল আনিছিল। সেইকেইটা খালে অশ্বিনী দেৱতাসকলৰ আশীৰ্বাদ পাবা, সদায় সুস্থ হৈ থাকিবা আৰু কুবেৰৰ হাতত যিমানখিনি ধন আছে



সিমানখিনি ধন পাবা। মই মোৰ তিনিওটা ল'ৰাকে তিনিটা ফল দিলো আৰু মোৰ হাতত এতিয়া এটাহে থাকি গ'ল। মই আৰু তোমাৰ পিতাই ঐহিক বান্ধোনৰপৰা মুক্তি বিচাৰিছো, সেয়েহে এই ফলটো আমি কামনা নকৰো। তুমি যদি ফলটো খোৱা মই বৰ সুখী হম।"

এই কথা শুনি শিশিৰৰ চকুৰে মুখে আনন্দৰ ভাব ফুটি উঠিল। তেওঁ ক'লে, "মামা, মই আপোনাৰ ওচৰত খুবেই কৃতজ্ঞ। মই আপোনাৰ চিৰঋণী হৈ থাকিম।" এইবুলি কৈ তেওঁ নিপুণৰপৰা ফলটো ল'লে আৰু গোটেই ফলটো ভক্ষণ কৰিলে আৰু আনন্দ মনেৰে ঘৰলৈ যাবলৈ ওলাল।

ইয়াৰ পিছত নিপুণে বসন্তক মাতি পঠিয়ালে আৰু একেখিনি কথাকে ক'লে।

"এই কথা জানি মই বৰ আনন্দিত হৈছো। কিন্তু এনে এটা মহিমামণ্ডিত ফল মই অকলে খাব নোৱাৰো। এই ফলটো দাদা আৰু ভাইটিকো দিয়ক। যদিহে তিনিটাৰ মাজত সমানে ভগাই দিব খোজে তেন্তে তিনিওটাৰ মাজত সমানে ভগাই দিয়ক। তিনিও লগলাগি খাম। সুস্বাস্থ্য আৰু ঐশ্বৰ্যনো কাক নালাগে?" বসন্তই ক'লে।

এতিয়া তৃতীয় পুত্ৰ হেমন্তৰ পাল। নিপুণৰ কথা শুনি তেওঁ ক'লে, "মই আপোনাক কেনেকৈ কৃতজ্ঞতা জনাও ভাবিয়েই পোৱা নাই। কিন্তু মোৰ এটা ইচ্ছা আছে।"

নিপুণে সুধিলে, "কোৱা তোমাৰ ইচ্ছা কি?"

"মোৰ পত্নী, সন্তান সুস্থ, তেওঁলোকে ঐশ্বৰ্যও পাইছে, ইয়াতকৈ ডাঙৰ আনন্দৰ

কথা আন একোৱেই হ'ব নোৱাৰে। আপুনি মানি ল'লে মই তেওঁলোকক মনে মনে মাতি আনিমগৈ। আমি সকলোৱে সেই ফলটো একেলগে খাম। কওক মই কি কৰো?" নিপুণে মানি ল'লে।

ইয়াৰ দুদিন পাছত নিপুণে জয়ৰামক মাতি পঠিয়ালে আৰু ক'লে, "ঘৰৰ সম্পূৰ্ণ দায়িত্ব বসন্তক দিয়া। তোমাৰ পৰোপকাৰৰ কথা মানুহে সদায় সোঁৱৰণ কৰিব। তোমাৰ ঘৰটোৰ সন্মানো অটুট থাকিব।"

"তুমি কেনেকৈ এই সিদ্ধান্তলৈ আহিলো?" বন্ধুক জয়ৰামে সুধিলে। নিপুণে গোটেই ঘটনাটো সবিস্তাৰে কৈ ক'লে, "নিসন্দেহে তোমাৰ তিনিও পুত্ৰই ভাল। কিন্তু তোমাৰ বৰ পুত্ৰ শিশিৰে কেৱল নিজৰ কথা ভাবে। আনৰ কাৰণে তেওঁ নাভাবে। তৃতীয় পুত্ৰ হেমন্তই নিজৰ পত্নী আৰু পুত্ৰৰ কথা ভাবে। তেওঁৰ পৰোপকাৰ গুণ তালৈকেহে সীমিত। তেওঁও আনৰ বিষয়ে ভাবিব নোখোজে। এতিয়া আহিল তোমাৰ দ্বিতীয় পুত্ৰ বসন্তৰ কথা। তেওঁৱেই কেৱল নিজৰ আৰু নিজৰ পৰিয়ালৰ বাহিৰেও আনৰো কল্যাণৰ কথা চিন্তা কৰে। তেওঁৰ দৃষ্টি বিশাল। তেওঁৰ চিন্তা কৰা পদ্ধতি অতুলনীয়। তেওঁও তোমাৰ দৰে পৰোপকাৰকেই পৰমাৰ্থ বুলি মানে। তোমাৰ যোগ্য উত্তৰাধিকাৰী। সেয়েহে তুমি নিশ্চিন্ত হৈ তোমাৰ ঘৰৰ দায়িত্ব তেওঁৰ হাতত অৰ্পণ কৰিব পাৰা। তোমাৰ আশাও পূৰ হ'ব। লগতে তোমাৰ পৰিয়ালৰ মৰ্যাদাও অটুট থাকিব। মই তেওঁলোকক দিয়া ফল মোৰ ঘৰৰ পিছ ফালে থকা এজোপা গছৰ মিঠা ফলহে।" মিচিকিয়া হাঁহি মাৰি নিপুণে ক'লে।

"বৰ দক্ষতাৰে তুমি মোৰ সমস্যা সমাধান কৰিলা। এই কথা মই কেতিয়াও পাহৰিব নোৱাৰিম।" কৃতজ্ঞতা প্ৰকাশ কৰি জয়ৰাম ঘৰলৈ ঘূৰি আহিল।

কেইদিনমান পাছত জয়ৰামে এটা এটাকৈ তেওঁৰ বেপাৰৰ দায়িত্ব পুতেকহঁতৰ হাতত অৰ্পণ কৰিলে। বাকী থকা সম্পত্তি সমানে দুভাগ কৰি শিশিৰ আৰু হেমন্তক দিলে। ঘৰটো আৰু ঘৰটোৰ দায়িত্ব দিলে বসন্তক। মৃত্যুৰ আগে আগে পিতাকে আশা কৰা মতে বসন্তই পিতাকৰ নাম আৰু উজ্জ্বলাই তুলিলে।

ফ'ৰ-ইন-ৱান উৎক্ষেপণ

যোৱা ১০ জানুৱাৰীত ভাৰতৰ পিএচএলভি-চি৭ মহাকাশযান উৎক্ষেপণ দুটা কাৰণত ভাৰতীয় মহাকাশ গৱেষণা আয়োগৰ (ইচৰ') বাবে এটা উল্লেখযোগ্য সফলতা। প্ৰথমটো হ'ল: এটা ৰকেটতে চাৰিটা কৃত্ৰিম উপগ্ৰহ ওপৰলৈ পঠিওৱা হয়। দ্বিতীয়টো হ'ল: ইয়াৰে এটা উপগ্ৰহত থকা কেপুচলটো পিছত পুনৰুদ্ধাৰ কৰাৰ পৰিকল্পনা আছিল। ৬৮০ কিলোগ্ৰাম ওজনৰ ভাৰতীয় দূৰ সংবেদী উপগ্ৰহ কাৰ্টচেট-২ আছিল কক্ষপথত স্থাপন কৰা প্ৰথমটো উপগ্ৰহ। ভাৰতীয় অভিযানৰ ৫৫০ কিলোগ্ৰাম ওজনৰ উপগ্ৰহ পুনৰুদ্ধাৰ পৰীক্ষাৰ অধীনত এচ আৰ ই-১ ইয়াৰ পাছত মহাকাশত স্থাপন কৰা হয়। এই গোটেই কামটোৰ বাবে সময় লাগে মাত্ৰ ১৯ মিনিট। উৎক্ষেপণ যানখন আৰু ইয়াৰ চাৰিটা পেল'ডৰ যতনবোৰ একেলগে জোৰা মাৰিবলৈ দুমাহ সময় লাগে। ইচৰ'ৰ চেয়াৰমেন শ্ৰীজি. মাধৱন নায়াৰে এই গোটেই অভিযানটোক "এটা ক্ৰটীহীন উৎক্ষেপণ কাৰ্য" বুলি অভিহিত কৰে।

মহাকাশচাৰীয়ে শিশুসকলৰ লগত কথা পাতিলে

ভাৰতৰ শেহতীয়া উপগ্ৰহ উৎক্ষেপণৰ এদিন পাছত অৰ্থাৎ ১১ জানুৱাৰীত পৃথিৱীৰপৰা ৩৬০ কিলোমিটাৰ ওপৰত থকা আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰপৰা (আই এচ এচ) ভাৰতীয় মহিলা মহাকাশচাৰী সুনীতা লিন উইলিয়ামচে নতুন দিল্লীৰ আমেৰিকান দূতাবাসত একগোট হোৱা শিশুৰ এটি দলৰ সৈতে কথা পাতে। এজন শিশুৰ এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, "পৃথিৱী এটি সুন্দৰ গ্ৰহ। ইয়াৰপৰা মই পৃথিৱীৰ মানুহৰ লগত কথা পাতিব যে পাৰিছো সেইটো বিশ্বাস কৰিবলৈকে টান লাগে।" তেওঁ আৰু কয় যে তেওঁ পৃথিৱীলৈ ঘূৰি আহিবলৈ ব্যগ্ৰ হৈ উঠিছে যদিও তাত যে অহা জুন মাহলৈকে থাকিব লাগিব সেই কথা তেওঁও জানে। "মহাকাশত খোজ কাঢ়োতে আপোনাৰ কেনে লাগিছিল?" এটি শিশুৰ এই প্ৰশ্নৰ উত্তৰত তেওঁ কয়," এনেকৈ ওপঙি থাকিব পৰাটো অবিশ্বাস্য। মহাকাশৰপৰা পৃথিৱীখনক এখন খুব ধুনীয়া ঠাই যেন লাগে।



চান্দমামা
ভাৰত কুইজ-২

Co-sponsored by
Infosys FOUNDATION, Bangalore

যি শুদ্ধ উত্তৰ দিব তেওঁলোকৰ এজনক ২৫০ টকা দিয়া হ'ব*

এই মাহৰ প্ৰশ্নাৱলী প্ৰাচীন আৰু আধুনিক ভাৰত বুৰঞ্জীৰ ওপৰত ভিত্তি কৰি যুগুতোৱা হৈছে।

**শুদ্ধ উত্তৰ দিওঁতাৰ সংখ্যা এজনতকৈ অধিক হ'লে পুৰস্কাৰৰ ধন ড্ৰৰদ্বাৰা নিৰ্বাচিত পাঁচজন প্ৰতিযোগীৰ মাজত সমানে ভগাই দিয়া হ'ব।*

তুমি কি কৰা উচিত: ১.উত্তৰবোৰ লিখা ২.তোমাৰ নাম, বয়স (তোমাৰ বয়স ১৬ বছৰৰ কম হ'ব লাগিব), পিনক'ডৰ সৈতে তোমাৰ সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা; ৩.তোমাৰ যদি বাৰ্ষিক সদস্যতা আছে; সদস্যতা সংখ্যা উল্লেখ কৰা; ৪.তোমাৰ সম্পূৰ্ণ ঠিকনাৰ সৈতে লেফাফাৰ ওপৰত লিখা **চান্দমামা ভাৰত কুইজ** ২; ৫. তোমাৰ প্ৰৱিষ্টি আমি ৩১ মাৰ্চ, ২০০৭ৰ ভিতৰত পাব লাগিব; ৬.উত্তৰবোৰ মেই ২০০৭ সংখ্যাত প্ৰকাশ কৰা হ'ব।

১. কুষাণ বংশ কোনে প্ৰতিষ্ঠা কৰিছিল?
২. চন্দ্ৰগুপ্ত মৌৰ্যই তেওঁৰ জীৱনৰ শেষ দিনবোৰ ক'ত? কটাইছিল?
৩. ইলোৰাত শিৱৰ গুহা মন্দিৰ কোনে নিৰ্মাণ কৰিছিল? কেতিয়া?
৪. বিজয়নগৰ সাম্ৰাজ্যৰ ধ্বংসাৱশেষ চাবলৈ তুমি কোনখন ঠাইলৈ যাব লাগিব?
৫. কোনখন যুদ্ধই মাৰাঠা শক্তিৰ অন্ত পেলাইছিল?
৬. ভাৰতত কোনে টকাৰ মুদ্ৰা প্ৰচলন কৰিছিল?
৭. দিল্লীৰপৰা শাসন কৰা মুচলিম মহিলা শাসনকৰ্ত্তাৰ নাম কি আছিল?
৮. বৌদ্ধ ধৰ্ম গ্ৰহণ কৰাৰ পাছত কোনে মিলিন্দা নাম লৈছিল?
৯. বুন্দেলখণ্ডৰ ৰাজপুত ৰাজসকল কোন আছিল?
১০.হৰ্ষবৰ্ধনৰ ৰাজধানী কি আছিল?
১১.'ভাৰতীয় প্ৰশাসনিক সেৱাৰ' পিতৃস্বৰূপ কোন?
১২.আকবৰৰ সমাধি ক'ত আছে?

ৰুটীৰ উৎসৱ

দেৱপুৰ গাঁৱত শিৱদাস নামৰ এজন গৃহস্থী বাস কৰিছিল। তেওঁ প্ৰতি দিনে অন্নদান কৰিছিল। এদিন ৰাতিৰ সময়ত এজনী বুঢ়ী তেওঁৰ ঘৰৰ দুৱাৰমুখলৈ আহিল। শিৱদাসৰ পত্নীয়ে দুৱাৰ খুলি দিলে আৰু সুধিলে, "কি লাগে?"

বুঢ়ীয়ে ক'লে, "মই তোমাক লগ পাবলৈ অহা নাই। তোমাৰ স্বামীক মাতি দিয়া।" শিৱদাসে বুঢ়ীৰ মাত শুনি বাহিৰ ওলাই আহিল। তেওঁ বুঢ়ীক প্ৰণাম কৰি সুধিলে, "মা তোমাক কি লাগে?"

"তোমাৰ ঘৰলৈ কোনোবা এনেকৈ আহেনে? ভোজন কৰিবলৈ আহিছো।" বুঢ়ীয়ে ক'লে।

"বৰ ভাল পালো। ভিতৰলৈ আহক মা," শিৱদাসে বুঢ়ীক ভিতৰলৈ আহিবলৈ ইংগিত কৰিলে।

"তুমি যদি বিচৰা মই ভোজন কৰিব লাগে তেন্তে তুমি মোক এটা প্ৰতিশ্ৰুতি দিব লাগিব।" বুঢ়ীয়ে ক'লে। শিৱদাসে সুধিলে, "কোৱা মা, মই কি কৰো?"

"মই বৰ দুখত পাৰিছো। যেতিয়ালৈকে মনত দুখ থাকে, তেতিয়ালৈকে মই ভোজন কৰিব নোৱাৰো। মোৰ দুখ তুমি যদি নিজৰ কৰি লোৱা তেন্তে মই হাঁহিমুখে ভোজন কৰিব পাৰিম।"

শিৱদাসে তৎক্ষণাৎ ক'লে, "এই মুহূৰ্ত্তে তোমাৰ দুখখিনি মই লৈছো। ভিতৰলৈ আহাঁ আৰু ভোজন কৰাহি মা।"

শিৱদাসৰ এই কথাত খুব আনন্দিত হৈ বুঢ়ীয়ে ক'লে, "তোমাৰ প্ৰতিশ্ৰুতিত মই খুব সন্তুষ্ট হৈছো। এনেকুৱা কিমান লোক আছে, যি আনৰ দুখ নিজৰ কৰি লয়? মই নিশ্চয় তোমাৰ আতিথ্য স্বীকাৰ কৰিম। কিন্তু এটা কথা, মই ভিতৰলৈ নাযাও। ইয়াতেই থাকিম। যোৱা আৰু মোৰ ভোজন লৈ আহাগৈ। আৰু এটা কথা। আজি মোৰ ৰুটী খোৱাৰ ইচ্ছা হৈছে। পাৰা যদি যৱধানৰ ৰুটী লৈ আনা।"

"হয় মা," বুলি কৈ শিৱদাস ভিতৰলৈ গ'ল আৰু পত্নীৰপৰা যৱধানৰ ৰুটী বনাই লৈ আহিল। বাহিৰলৈ আহি শিৱদাসে সেই বুঢ়ীক

দেখা নাপালে। য'ত তেওঁ বহি আছিল তাত অন্নপূৰ্ণাদেৱীৰ এক প্ৰতিমা দেখা গৈছিল। সেই প্ৰতিমাৰ ওপৰত নাগসৰ্পই ফণা তুলি আছিল।

শিৱদাসে গম পালে, সেই বুঢ়ী আন কোনো নহয়, স্বয়ং অন্নপূৰ্ণাদেৱী। তেওঁৰ আনন্দৰ সীমা নোহোৱা হ'ল। এই খবৰটো গোটেই গাঁৱতে বনজুইৰ দৰে বিয়পি পৰিল। মানুহৰ ভিৰ হ'বলৈ ধৰিলে আৰু তেওঁলোকে দেৱীক দৰ্শন কৰিবলৈ আহিবলৈ ধৰিলে।

তিনি মাহৰ ভিতৰতে সেই গাঁৱত এটা সুন্দৰ মন্দিৰ নিৰ্মাণ কৰা হ'ল আৰু দেৱীৰ প্ৰতিমা তাত প্ৰতিষ্ঠাপিত কৰা হ'ল। যিসকল ভক্ত দেৱীক দৰ্শন কৰিবলৈ আহিছিল, গাঁৱৰ মানুহে তেওঁলোকক আতিথ্য প্ৰদান কৰিছিল। তেওঁলোকে এইবুলি কৈ ৰুটী বিতৰণ কৰিছিল।" আমি আপোনাৰ আটাইবোৰ কষ্ট মূৰ পাতি লৈছো। আপোনাৰ মংগল হওক।"

তেতিয়াৰেপৰা সেই গাঁৱত প্ৰতি বছৰে ৰুটী উৎসৱ পালন কৰিবলৈ লোৱা হ'ল। যি এই ৰুটী খাইছিল, তেওঁৰ সমস্যা সমাধান হৈছিল আৰু তেওঁ মানসিক শান্তি পাইছিল। এই সুস্বাদু ৰুটীবোৰৰ সোৱাদেই বেলেগ আছিল। মানুহে ক'বলৈ ধৰিলে ৰজাৰ ৰান্ধনিশালতো এনে ৰুটী বনাব পৰা নাযাব।

ৰজয়ো এই খবৰ পালে। ৰজাই এই কথাত আচৰিত হ'ল আৰু তেওঁ নিজৰ মুখ্য ৰান্ধনিক মাতি আনি ক'লে, "দেৱীপুৰৰ ৰুটী ইমান প্ৰসিদ্ধ হ'ল কেনেকৈ? এবাৰ তালৈ গৈ চাই আহা এই ৰুটী কেনেকৈ বনোৱা হয়।"

'প্ৰভু, ৰুটীৰ সোৱাদ বনাই আনিব নোৱাৰি। এই ৰুটী বনোৱা আৰু খাবলৈ দিয়া মানুহৰ গুণেহে ইয়াক সুস্বাদু কৰে। লগতে যি খায় তেওঁ যদি ভাল হয় তেন্তে এই ৰুটীৰ সোৱাদ আৰু বাঢ়ে।" ৰান্ধনিয়ে ক'লে।

ৰজাই আচৰিত হৈ সুধিলে, "তুমি কি ক'ব খুজিছা?"

"মোৰ শৈশৱতে এই সম্পৰ্কীয় এটা ঘটনা ঘটিছিল। অনুগ্ৰহ কৰি শুনক।" এইবুলি ৰান্ধনিয়ে তেওঁৰ কাহিনী আৰম্ভ কৰিলে।

"মংগাপুৰ, দেৱীপুৰৰ ওচৰৰে এখন গাঁও। মই সেইখন গাঁৱৰে। সেই গাঁৱত শান্তনু নামৰ এটি চোৰ বাস কৰিছিল। চুৰ কৰিয়েই সি জীৱন পাৰ কৰিছিল। কিন্তু তাৰ পত্নী গৌৰীয়ে তাক বাৰে বাৰে কৈছিল, "আৰু

কিমানদিন চুৰ কৰি থাকিবা? মোৰ সদায় ভয় লাগে তুমি যদি কেতিয়াবা ধৰা পৰা তেন্তে তোমাৰ কি অৱস্থা হ'ব? চুৰি এৰা আৰু পৰিশ্ৰম কৰি যি পোৱা তাকে লৈ সন্তুষ্ট থাকা।"

শান্তনুৱে এটা কথা জানিছিল যে গৌৰীয়ে তাক খুব ভাল পায়। কেইদিনমানৰ পাছত সি এই বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। তেতিয়া সি গম পালে যে দেৱীপুৰলৈ গৈ ৰুটী খালেই মনৰ শান্তি পোৱা যায়। সি সিদ্ধান্ত কৰিলে এটা ডাঙৰ চুৰি কৰি চুৰি এৰি দিম।

সি সেই দিনাই দেৱীপুৰলৈ বুলি ওলাল। ৰাস্তাত সি মানুহৰ মুখৰপৰা দেৱীপুৰৰ ৰুটীৰ প্ৰশংসা শুনিলে আৰু তাৰ মুখলৈ পানী আহিল। সি মনতে ভাবিলে, "আজি মোৰ মনোকামনা পূৰ্ণ হ'ব। সুস্বাদু ৰুটী খাম আৰু চুৰি কৰি বহুত বস্তুও পাম।"

সি দেৱীপুৰ গৈ পোৱাৰ লগে লগে সমুখৰ-পৰা আহি থকা ৰামদাস নামৰ এজন গৃহস্থীয়ে তাক স্বাগতম জনাই ক'লে, "আজি মোৰ ঘৰলৈ আহি মোৰ আতিথ্য গ্ৰহণ কৰিবনে?" মানুহজনে তাক তেওঁৰ ঘৰলৈ লৈ গ'ল, তাৰ আদৰ সৎকাৰ কৰিলে আৰু ক'লে, "আপোনাৰ আটাইবোৰ কষ্ট মই মূৰ পাতি লৈছো। আপোনাৰ মংগল হওক।" এইবুলি কৈ তেওঁ তাক ৰুটী খাবলৈ দিলে।

শান্তনুৱে মুখত ৰুটী এটুকুৰা ভৰাই আচৰিত হ'ল, কিয়নো সেই ৰুটীখন খুব তিতা আছিল। ৰামদাসে সেই কথা জনা নাছিল। সেয়েহে তেওঁ ক'লে, "ৰুটী সুস্বাদু হৈছেনে বাৰু? সকলো অন্নপূৰ্ণা দেৱীৰেই মহিমা।" শান্তনুৱে ৰুটী গিলিবই পৰা নাছিল। কিন্তু কৰে কি? চকু কাণ মুদি ৰুটীখিনি খাই সি তাৰপৰা বাহিৰ ওলাল।

ৰুটী স্বাদযুক্ত নহ'ব পাৰে, কিন্তু ৰামদাসৰ আশীৰ্বাদ যাতে ফলৱতী হয়। মংগল হয় যাতে। এইবুলি ভাবি শান্তনুৱে সেই ৰাতি এজন ধনী মানুহৰ ঘৰত সোমাই চুৰ কৰিবলৈ চেষ্টা কৰিলে। সি ধৰা পৰিল আৰু ধনী মানুহজনৰ ভৃত্যহঁতে তাক উত্তম মাধ্যম দিলে। মাৰৰ কোবত অসহ্য বিষ লৈ সি ঘৰলৈ উভতিল। তাৰ অৱস্থা দেখি গৌৰীয়ে গম পালে আৰু ক'লে, "কিমান বাৰ যে মই কৈছো। দেখিলা নহয়। মই যি ভয় কৰিছিলো তাকেই হ'ল। যি হ'বলগীয়া আছিল হ'ল। সকলো ভাল হওক, শুভ হওক, এই প্ৰাৰ্থনা কৰি দেৱীপুৰ গৈছিলো আৰু ৰুটী লৈ আহিলো।" এইবুলি তেওঁ দুখন ৰুটী শান্তনুক দিলে।

“মই নিজেই দেৱীপুৰলৈ গৈছিলো আৰু তাত ৰুটী খালো। ৰুটী ইমানেই তিতা আছিল যে মই খাবই নোৱাৰিলো।” বিষত কেঁকাই কেঁকাই শান্তনুৱে ক'লে।

“যি ৰুটী আমি সকলোৱে সুস্বাদু পাওঁ সেয়া তোমাৰ তিতা লাগিল কিয়? ইয়াৰ অৰ্থ এইটোৱেই যে দেৱীয়ে তোমাৰ দুৰ্বুদ্ধিৰ কথা জানিব পাৰিলে। এতিয়া মোৰ কথা মন দি শুনা। তুমি চুৰ কৰিবলৈ নেৰিলে মই আত্মহত্যা কৰিম।” গৌৰীয়ে চকুপানী টুকি ক'লে।

“এনেকুৱা নকৰিবা গৌৰী। আগলৈ চোৰ নকৰো।” তাৰ পিছত সি শপত খালে, কিন্তু তাৰ সন্দেহ হ'ল যি ৰুটী সকলোৱে স্বাদযুক্ত পায় তাৰ তিতা লাগিল কিয়? সি কথাটো গৌৰীক ক'লে। তেতিয়া গৌৰীয়ে ক'লে, “এই গোটেই বছৰ চুৰ নকৰিবা। এজন ভাল মানুহৰ জীৱন কটোৱা। তাৰপিছত দেখিবা, দেৱীৰ ৰুটী কিমান সুস্বাদু।”

সেইদিন ধৰি শান্তনুৱে মজদুৰী কৰি দিন কটাবলৈ ধৰিলে। কেতিয়াবা চুৰ কৰিবলৈ মন গ'লেও বৰ কষ্ট কৰি নিজকে নিয়ন্ত্ৰণ কৰিছিল আৰু। এবছৰৰ পিছত পত্নীক লৈ দেৱীপুৰলৈ গ'ল আৰু ৰুটী উৎসৱত ভাগ ল'লেগৈ। এখন ৰুটী মুখত লৈয়েই তাৰ বৰ সোৱাদ লাগিল তাৰ চকুপানী ওলাল। সি দেৱীৰ মন্দিৰলৈ গ'ল আৰু হাতযোৰ কৰি ক'লে, “ক্ষমা কৰা মা, এই জনমত মই আৰু কেতিয়াও চুৰি নকৰো।”

স্বামীৰ পৰিৱৰ্তন দেখি গৌৰী বৰ সুখী হ'ল। দুবছৰৰ ভিতৰতে সিহঁতে খেতিৰ মাটি কিনিলে আৰু এটা আৰামৰ জীৱন কটাবলৈ ধৰিলে।

শান্তনুৰ কাহিনী শুনি ৰজাই প্ৰতিজ্ঞা কৰিলে দেৱীপুৰলৈ গৈ তেওঁও অন্নপূৰ্ণা দেৱীৰ মন্দিৰ দৰ্শন কৰিব। ৰজাই পৰিয়াল লৈ তালৈ গ'ল আৰু দেৱীক প্ৰাৰ্থনা কৰিলে আৰু প্ৰজাৰ সুখ কামনা কৰি আশীৰ্বাদ বিচাৰিলে। মন্দিৰৰপৰা বাহিৰ ওলায়েই তেওঁক এজন দুখীয়া খেতিয়কে ৰুটী দিলে। সেই ৰুটী খাই ৰজা মুগ্ধ হ'ল। আনৰ কষ্ট মূৰ পাতি লোৱা দেৱীপুৰৰ প্ৰজাৰ যাতে কোনো কষ্ট নহয় তাৰবাবে ৰজাই প্ৰয়োজনীয় ব্যৱস্থা ল'লে।



দিল্লী বহু দূৰ!

দিল্লীৰ চুলতান গিয়াচুদ্দিন টোগলক তেওঁৰ দূৰ্গৰ চাৰিওফালে এখন দেৱাল সজোৱাৰ বাবে অতি আগ্ৰহী আছিল। সেই সময়ত চৈধ্য শতিকাত নগৰখনত পৰ্যাপ্ত পৰিমানে শ্ৰমিক পোৱা নগৈছিল। তথাপিও চুলতানে ভাবিছিল যে তেওঁৰ সেনাপতি সকলে কিবা উপায়েৰে তেওঁক বনুৱাৰ যোগাৰ কৰি দিব পাৰিব। কিন্তু সেয়া নহ'ল। কিয়নো সেইসময়ত বনুৱাসসকলে হিন্দু আৰু মুছলমান উভয়ে সন্মান কৰা নিজামুদ্দিন আউলিয়া নামৰ এজন ধাৰ্মিক মানুহৰ ইচ্ছানুসৰি এটা কৃত্ৰিম হ্ৰদ খন্দাৰ কামতহে ব্যস্ত হৈ পৰিল।

"বনুৱাবোৰক মোৰ কামৰ বাবে আনা। আউলিয়াৰ হ্ৰদটো পিছে পৰেও হ'ব,' চুলতানে খঙেৰে ক'লে, বনুৱাবোৰৰ লগতে ফকিৰৰ কাণতো এই আদেশ পৰিল। এইবাৰ ফকিৰে ক'লে, "দেৱালৰ কাম পিছে পৰেও হ'ব।" চুলতানৰ খং উঠাৰ আটাইতকৈ ডাঙৰ কথাটো হ'ল যে ফকিৰৰ কামটো কৰাৰ সময়ত বনুৱাবোৰে কোনো পাৰিশ্ৰমিক গ্ৰহণ কৰা নাছিল।

আউলিয়াক এশিকনি দিবলৈ চুলতানে ঠিক কৰিলে। কিন্তু সেই সময়ত বঙ্গদেশত এটা বিদ্ৰোহৰ আৰম্ভ হ'ল। এই বিদ্ৰোহ দমন কৰিবলৈ তেওঁ নিজৰ সৈন্যদলৰ নেতৃত্ব দিব লগা হ'ল। তেওঁ নিজৰ পুতেক মহম্মদক দিল্লীৰ শাসনভাৰ সঁপিলে। লগতে যেনে তেনে বনুৱাবোৰক হ্ৰদ খন্দাৰ কামটোৰপৰাই আঁতৰাই প্ৰাচীৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাবলৈও আদেশ দিলে।

কিন্তু মহম্মদেও ফকিৰজনক খুব সন্মান কৰিছিল। সেয়ে হ্ৰদ খন্দাৰ কামটো বাধাগ্ৰস্ত কৰিব তেওঁ নুখুজিলে।

চুলতানে বিদ্ৰোহ দমন কৰিলে। ৰাজধানীত কি হৈ আছে সেয়া খবৰো তেওঁ পালে। ফকিৰৰ ওপৰত প্ৰতিশোধ ল'বলৈ তেওঁ ঠিক কৰিলে। মহম্মদৰ ওপৰতো তেওঁ নিজৰ খং প্ৰকাশ কৰিলে।

ইফালে, বিজয়ৰ গৌৰৱেৰে চুলতান ৰাজধানীলৈ ঘূৰি অহাৰ বাতৰি পাই সকলোৱে ভাবিলে যে তেওঁ নিশ্চয় এইবাৰ ফকিৰকঠোৰ শাস্তি বিহিব। ফকিৰৰ শুভাকাংখী আৰু ভক্তসকলে তেওঁক ৰাজধানীৰপৰা পলাই যাবলৈ ক'লে। ফকিৰে কেৱল মিচিকিয়াই হাঁহিলে।

"ফকিৰ, আপুনি ভালদৰে ভাবি চাওক, চুলতান ক্ৰোধান্বিত হৈ আহিছে!" বহুতে তেওঁক উপদেশ দিলে।

"দিল্লী দাৰ আস্ত্!" "দিল্লী বহুত দূৰৈত," ফকিৰে উত্তৰ দিলে।

পিতৃক সম্ভাষণ জনাবলৈ মহম্মদে এক সুদৃশ্য তোৰণ আৰু বৃহৎ মঞ্চ তৈয়াৰ কৰোৱাত ব্যস্ত হৈ পৰিল। কিয়নো চুলতানৰ ৰাজধানী পাবলৈ আৰু বেছি দূৰ নাছিল।

"আপোনাৰ জীৱন ৰক্ষাৰ বাবে অনুগ্ৰহ কৰি আপুনি পলাই যাওক।" ফকিৰৰ অনুগতসকলে তেওঁক ক'লে।

"দিল্লী দাৰ আস্ত্!" পুনৰ ফকিৰে ক'লে। যেতিয়াই মানুহবোৰে অলপ সময়ৰ মূৰে মূৰে আহি তেওঁক চুলতানৰ ক্ৰোধৰপৰা হাত সাৰিবৰ বাবে পলাই যাবলৈ কয়, তেতিয়াই ফকিৰে এইদৰে কয়।

অৱশেষত উল্লাসিত জনতাৰ জয়ধ্বনিৰ মাজৰে চুলতান তোৰণৰ তলত সোমালহি আৰু ওখ মঞ্চত উঠিলহি। তাত দুখন সুসজ্জিত সিংহাসন ৰখা হৈছিল। এখন চুলতানৰ বাবে আৰু আনখন মহম্মদৰ বাবে আছিল। কিন্তু চুলতানে দ্বিতীয়খন আসনত বহিবৰ বাবে নুমলীয়া পুত্ৰক ইংগিত দিলে অৰ্থাৎ মহম্মদ আৰু সিংহাসনৰ উত্তৰাধিকাৰী নহয়।

হঠাতে মঞ্চখন ভাঙি পৰিল। চাৰিওফালে চিৎকাৰ শুনা গ'ল। ধূলিৰ ধোঁৱাই সকলোৰে চকু ঢাকি ধৰিলে। ধূলি আৰু হুলস্থূল শাম কাটিলত চুলতান আৰু তেওঁৰ সৰু পুত্ৰৰ দেহ তাৰপৰা লৈ যোৱা হ'ল। কিন্তু দুয়োজনকে মৃত অৱস্থাত পোৱা গ'ল। সঁচাকৈয়ে গিয়াচুদ্দিনৰ বাবে দিল্লী দূৰতেই ৰ'ল।

এয়া দুৰ্ঘটনা আছিলনে? আফ্ৰিকান পৰিব্ৰাজক ইবন বটুতাৰ মতে সেই তোৰণ আৰু মঞ্চ চুলতানৰ বাবে মৰণ ফান্দ হিচাবেই সজোৱা হৈছিল।

দিল্লী দূৰ আস্ত্ এক জনপ্ৰিয় আপ্ত বাক্য। অৰ্থাৎ কোনো লক্ষ্যত উপনীত হোৱাৰ আগমুহূৰ্ত্ততো অপ্ৰত্যাশিতভাৱে কোনোবা লক্ষ্যচ্যুত হ'ব পাৰে।

চান্দমামা প্ৰশ্নোত্তৰ প্ৰতিযোগিতা-১২ৰ উত্তৰ

১. ১৮৭৫ চনত
২. গজৰোজ
৩. স্বামী বিবেকানন্দ, জানুৱাৰি-১২
৪. যথাৰ্থ চিত্ৰ
৫. মৌৰ টোপালত বিপদ, ঋষভ বসুভাগৰ পঞ্চতন্ত্ৰ কাহিনীৰ আধাৰত।
৬. অদ্বৈত-১,২৫৫ নে, কলকতাৰ আলিপুৰৰ চিৰিয়াখানাত
৭. মূল্য মূল্যৰ কথা, চিকন্দৰ আৰু দাৰ্শনিক ডায়োজেনিচ

তথাস্তু দেৱতা

কামেশৰ সদায় এটাই ইচ্ছা আছিল ৰমেশতকৈ ওপৰত থকা আৰু কিবা নহয় কিবা উপায়েৰে তাক হেয়জ্ঞান কৰা। বুদ্ধিমত্তা, সম্পত্তি, সজগুণ, পৰোপকাৰ আদিত ৰমেশতকৈ সদায় সি নিজক ওপৰত বুলি ভাবিছিল। আৰু সেই কথা প্ৰতিপন্ন কৰিবলৈ সি সদায় চেষ্টা চলাইছিল। কিন্তু, প্ৰতিবাৰেই সি অসফল হৈছিল। অলপতে ৰমেশে এজনে তাৰপৰা ধাৰ নিয়া দুহেজাৰ টকা ঘূৰাই পাইছে। পইচাখিনি ঘূৰাই পাব বুলি সি সমূলিও আশা কৰা নাছিল। সেইটো কথাতে কামেশৰ তাৰ প্ৰতি ঈৰ্ষা আৰু তীব্ৰ হৈ পৰিল।

তেনেকুৰাত কামেশৰ সম্পৰ্কীয় ভোলা তাৰ ঘৰলৈ আহিল। তেওঁ কামেশক ক'লে, "মোৰ ভতিজাজনীৰ বিয়া ঠিক হৈছে। সি মোৰপৰা এহেজাৰ টকা বিচাৰিছে। কিন্তু মোৰ ওচৰত পইচা নাই। ধাৰ লৈ হ'লেও নিজৰ ভাইটোক সহায়তো কৰিবই লাগিব নহয় জানো। মোৰ ওচৰত দুহেজাৰ নাৰিকল আছে। এটা নাৰিকলত আধা পইচাকৈ বেচিবলৈ সাজু আছোঁ। তুমি কিনিব খুজিলে তোমাৰ লাভই হ'ব। আৰু লগতে ছোৱালীজনীৰ বিয়াত সহায় কৰাৰ সন্তুষ্টিও লভিব পাৰিবা।"

কামেশে ভাবিলে যে যিহেতু বজাৰত নাৰিকলৰ ইমান চাহিদা নাই, সেয়ে ভোলাই তাক ঠগি পইচাখিনি হাত কৰিব খুজিছে। কিন্তু লগতে সি ভাবিলে যে ৰমেশক সৰু কৰাৰ এটা ভাল সুযোগ সি পাইছে। সি ভোলাক ক'লে, "এতিয়া মোৰ হাততো পইচা নাই। মোৰ চুবুৰীয়া ৰমেশ বৰ পৰোপকাৰী। সি নিশ্চয় তোমাক সহায় কৰিব। ব'লা মোৰ লগত।" এইবুলি সি ভোলাক ৰমেশৰ ঘৰলৈ লৈ গ'ল।

সেইসময়ত তাত গাঁৱৰ দুজনমান মুখিয়াল লোকো উপস্থিত আছিল। ৰমেশে তেওঁলোকৰ আগত পৰোপকাৰৰ বিষয়ে উদাহৰণ সহিতে বুজাই আছিল। কামেশে ভোলাক চিনাকি কৰাই দিলে আৰু ৰমেশক ক'লে, "মোৰ ওচৰত এতিয়া পইচা নাই। তোমাৰ

কাশীনাথ শৰ্মা

ওচৰত পইচা আছে বুলি জানিব পাৰি এওঁক লৈ আহিছো। এওঁৰ নাৰিকলখিনি কিনি লোৱা আৰু এওঁৰ মান বচোৱা।"

তাত উপস্থিত থকা লোকসকলে গম পালে এই গোটেই কাণ্ডটোৰ আঁৰত কামেশৰ অসৎ অভিপ্ৰায় আছে। তেওঁলোকৰ এজনে ক'লে, "এতিয়া নাৰিকলৰ চাহিদা নাই। এনেকুৱাত এহেজাৰ নাৰিকল কিনি লৈ ৰমেশে কি কৰিব?" কামেশে হাঁহি ক'লে, "তুমি মইহে তেনেকৈ ভাবিছো। ৰমেশৰ পদ্ধতি সুকীয়া, ক'বলৈ গ'লে অনন্য। তেওঁ নিশ্চয়কৈ নাৰিকলখিনি কিনিব। নাৰিকলখিনি ভাল জাতৰো, গতিকে তাৰ লাভো ভালেই হ'ব।"

ৰমেশে তুৰন্তে ক'লে, "ওপৰত তথাস্তু দেৱতা আছে। আমাৰ কামেশে ভাল আশা কৰিয়েই যিহেতু এই কথা কৈছে, সেয়ে ভগৱানেও নিশ্চয় তাকে বিচাৰিছে।"

এই ঘটনাৰ কিছুদিন পিছত সেই দেশৰ ৰজাই প্ৰজাৰ মঙ্গলৰ বাবে এটা যজ্ঞ কৰিব খুজিলে। তাৰ বাবে এখ লাখ নাৰিকলৰ প্ৰয়োজন হ'ল। যিহেতু স্বদেশত নাৰিকলৰ চাহিদা কম, আৰু সস্তা দামতে বেপাৰীয়ে সেইবোৰ বিদেশত বেচিছিল, সেয়ে ৰজাই বিদেশৰপৰা নাৰিকল আমদানি কৰিব লগাত পৰিছিল। চাহিদা বৃদ্ধি পোৱা দেখি বেপাৰীয়ে নাৰিকলৰ দাম বঢ়াই দিলে। এতিয়া প্ৰতিটো নাৰিকলৰ দাম চাৰি টকা হ'লগৈ। ৰজাই মন্ত্ৰীসকলক মাতি আনি ক'লে, "বেপাৰীবোৰে আমাৰ প্ৰয়োজনৰ সম্পূৰ্ণ সুযোগ লৈছে। সিহঁতে আমাৰ দেশৰপৰা সস্তাত নাৰিকল কিনি আমাৰ দেশত বেছি দামত



বেচে। তাৰ সলনি আমি নিজৰ দেশৰ পৰাই নিকিনো কিয়? সেয়েহে সকলোতে ঢোল পিটি শুনাই দিয়া যাতে প্ৰতিটো নাৰিকলৰ দাম দুটকা হ'ব। আমাৰ ৰাজ্যৰ বেপাৰীয়ে আমাক যি নাৰিকল বেচিব, সেয়া আমি কিনি ল'ম আৰু যদি সেয়া কম হয় তেতিয়া বিদেশৰপৰা কিনিম। তাৰদ্বাৰা আমাৰ দেশৰ মানুহৰ অধিক লাভ হ'ব।"

কামেশে এটা কথা ভাবি বৰ ভাল পালে যে ৰমেশক ভোলাৰ নাৰিকলখিনি বেচি এক গুলীত দুই চিকাৰ হ'ল। ভোলাৰ বাঃ বাঃ তো পালোৱেই আৰু ৰমেশকো চৌঠেঙীয়া কৰা হ'ল। কিন্তু ৰজাৰ ঘোষণা শুনি তেওঁ চমকি উঠিল। ঈৰ্ষা আৰু ক্ৰোধত সি জ্বলিবলৈ ধৰিলে।

ৰজাৰ ঘোষণা শুনি পিছদিনা গাৱঁৰ মুখিয়াল লোক ৰমেশক অভিনন্দন জনাবলৈ আহিল। ৰমেশে তেওঁলোকক ক'লে, "এই সকলোবোৰ কামেশৰ কৃপা। তেওঁৰ মুখৰ পৰা যেতিয়া কথাটো ওলালে ভগৱানেও চকু মেলি চালে।"

তেনেকুৱাতে তালৈ অহা কামেশে ক'লে, "ৰমেশে আগৰপৰাই ৰজাৰ ঘোষণাৰ কথা জানিছিল। ব্যৱসায়ত যাতে মই তেওঁৰ প্ৰতিদ্বন্দ্বী হৈ নপৰোঁ, তাৰবাবেই এই কথা লুকাই ৰাখিলে। অকলেই গোটেই লাভ ল'ব খুজিলে। ভোলাকো একো নজনালে।"

তাকে শুনি উপস্থিত সকলো স্তম্ভিত হ'ল। তেতিয়া কামেশে উৎসাহিত হৈ ক'লে, "তুমি কপট। নিজকে ভাল দেখুৱাবলৈকে তুমি এই নাটক কৰিলা। আগৰেপৰাই তুমি এইকথা জানিছিলা।"

"অযথাই খং নকৰিবা কামেশ। তুমিয়ে তো ভোলাক লগত লৈ আহি তাক সহায় কৰিবলৈ অনুৰোধ কৰিছিলা। নাৰিকল কিনিবলৈ তুমিয়েতো পৰামৰ্শ দিছিলা। মই গৈছিলো নেকি ভোলাৰ ওচৰলৈ নাৰিকল কিনিবলৈ? মোক কেলেই দোষ দিছা?" ৰমেশে শান্তভাৱেৰে ক'লে।

কামেশে লাজ পাই কিবা ক'ব খোজোতেই তালৈ ভোলা আহিল। ৰমেশে তালৈ খবৰ পঠিয়াইছিল যে নাৰিকলখিনি বেচিলে যি লাভ হ'ব সেয়া দুয়ো সমানে ভগাই ল'ব। এই কথা জানিব পাৰি কামেশ অবাক হৈ ৰ'ল।

এইদৰে ৰমেশৰ হাতত কামেশ আকৌ এবাৰ হাৰিল।

তামিলনাডুৰ এটি লোককাহিনী

খুৰা নে চোৰ

পৰমাশিৱ বৰ বুধিয়ক ল'ৰা আছিল। সি সৰু থাকোতেই তাৰ মাক দেউতাকৰ মৃত্যু হৈছিল। আইতাকে তাক বৰ মৰম কৰিছিল। সেয়ে সি আইতাকৰ লগত থাকিবলৈ ল'লে। আইতাকেও চকুৰে নেদেখা হৈছিল, সেয়ে তাক পাই বৰ ভাল পালে। যেতিয়াই আইতাকে কিবা কষ্টকৰ কাম কৰি থকা দেখে, তেতিয়াই পৰমশিৱই আইতাকক গৈ কয়, "আইতা, মই কৰি দিওঁ দিয়া। তুমি অলপ আৰাম কৰাগৈ যোৱা।"

ওচৰৰে বিদ্যালয় এখনত সি নাম লগাইছিল। সেইখন বিদ্যালয় কেৱল ৰাতিপুৱাহে হৈছিল। সি ঘূৰি অহালৈ আইতাকে তালৈ ভাত ৰান্ধি থৈ দিছিল। ভাতৰ সোৱাদৰ বাবে নহয়, বুঢ়ীমাকে মৰমত ৰান্ধি দিয়া বাবেই সি পৰম তৃপ্তিৰে ভাতকেইটা খায়। সেইবাবেই সি স্কুলৰপৰা লৰালৰিকৈ ঘৰলৈ আহে কিয়নো আইতাকে ভাত বাঢ়ি তালৈ বৈ থাকে।

এদিনাখন পঢ়াশালিৰপৰা আহি পৰমাশিৱই আইতাকৰ লগত দুজন অচিনাকি মানুহ দেখা পালে। "পৰমা, আহাঁচোন, খুৰায়েৰহঁতৰ লগত কথা পাতাহি।" সিহঁত তিনিওটা একেলগে বহি ভাত খাবলৈ ধৰিলে। সি মন কৰিলে যে মানুহ দুটাই নিজৰ ভিতৰতে ফুচফুচাই কথা পাতি আছিল।

অচিনাকি মানুহদুটা আইতাক আৰু পৰমাশিৱৰ লগত এৰাতি থাকিল। পিছদিনা পুৱা সিহঁতে পৰমাৰ আইতাকক ক'লে, "মা, আপুনি অনুমতি দিলে পৰমাক আমাৰ লগত লৈ যাব খোজো। গাৱঁত তাৰ আৰু ইষ্ট কুটুম আছে। দুদিনৰ পিছত আমি তাক পঠাই দিম।" আইতাকক এৰি যাবলৈ ল'ৰাটোৰ একেবাৰেই মন নাছিল। কিন্তু আইতাকে



সম্মতি দিয়া দেখি সি যাবলৈ ওলাল। অলপ দূৰ যোৱাৰ পিছতে সিহঁতে পৰমাশিৰক নিজৰ বাকচ আৰু পাচি ধৰিবলৈ ক'লে। এটাই তাৰ মূৰত পাচিটো তুলি দিলে। আৰু আনটো মানুহে তাৰ হাতত বাকচটো দিলে। দুয়োটা টোপোলাই অতি গধুৰ আছিল। কিন্তু তথাপিও সি মুখেৰে এটা শব্দও উচ্চাৰণ নকৰাকৈ যাবলৈ ধৰিলে।

ভাগ্যক্রমে অলপ দূৰ যোৱাৰ পিছতে সিহঁতে গাঁও পালে। "মোৰ ইষ্ট কুটুম্ব এইখন গাৱঁতেই থাকে নেকি?" পৰমাশিৰই সুধিলে। সি মন কৰিলে যে মানুহদুটাই এটা কুটিল হাঁহিৰ বিনিময় কৰিলে। সি গম পালে যে তাৰ সন্দেহ সঁচা। সিহঁতে তাক আৰু আইতাকক সিহঁত তাৰ খুৱাক বুলি ফাঁকি দিলে।

সিহঁতে উত্তৰ দিলে, "নহয়, ইয়াৰ পিছৰখন গাৱঁত। তুমি অলপ সময় ইয়াতে ৰোৱা আৰু পাচিটো চাবা। আমি বজাৰলৈ যাওঁ। সোনকালেই ঘূৰি আহিম।"

"পৰমা," এজনে মাত দিলে, "এই পাচিটো নুখুলিবা। আমি এটা আচৰিত সাপ ধৰিছো আৰু এইটো আমি গাৱঁলৈ লৈ যাম।"

পৰমাশিৰই সিহঁতৰ বাবে বহুত সময় বাট চালে। কিন্তু সিহঁত নাহিল। তাৰ বেচেৰাৰ ভোক লাগিছিল। এজোপা গছৰ শিপাত সি বহিল। সিনো কি কৰিব ভাবিবলৈ ধৰিলে, আৰু যদি তাৰ এই খুৱাক দুজন নাহে সিনো ঘৰলৈ কেনেকৈ ঘূৰি যাব সেই লৈয়ো তাৰ চিন্তা হ'ল।

অৱশেষত কৌতূহলবশঃত সি পাচিটো খুলিলে। তাত সি কোনো সাপ দেখা নাপালে। তাত এখন ধুনীয়া কাপোৰ জাপি থোৱা আছে। সাপটো বাৰু তলত থাকিব পাৰে নেকি? সি পাচিটো লাহেকৈ জোকাৰি দিলে। তাৰপৰা কোনো সাপ ওলাই নাহিল। সি সাৱধানে কাপোৰখন দাঙিলে আৰু দেখা পালে যে খোৱাবস্তুৰে পাচিটো ভৰি আছে। ফল-মূল, মিঠাই ইত্যাদি বহুতো।

পৰমাশিৰই স্বস্তিৰ নিশ্বাস এৰিলে। এতিয়া অন্ততঃ সি ভোক গুচাই কিবা এটা খাব পাৰিব। যদি মানুহকেইটাই কিবা কয়, সি ক'ব যে কিমান সময়লৈনো সি তেওঁলোকৰ বাবে বাট চাব? পাচিটোত সাপ আছে বুলি কৈ সিহঁতে তাক ঠগিব খুজিছিল। তাক সিহঁতে ফাঁকি কিয় দিছিল?

পাচিটোত থকা বস্তুৰে নিজৰ ভোক অলপ পলুওৱাৰ পিছত সি পাচিটো আগৰদৰেই নিকপকপীয়াকৈ বান্ধি থ'লে

আৰু সি সেই ঠাই এৰি যোৱাৰ কথা ভাবিলে। কিবাকৈ ঘৰ ওলামগৈ বুলি ভাবি অহা বাটেৰে সি খোজ ল'লে।

খোজকাঢ়ি অলপ দূৰ যোৱাৰ পিছত সি এখন নদী পালে। এতিয়া ৰাস্তা পাবলৈ নদীখন পাৰ হ'ব লাগিব নে তাৰ পাৰে পাৰে গৈ থাকিব। সি ভাবিলে, শেষত সি পাৰে পাৰ গৈ থাকিবলৈকে সিদ্ধান্ত ল'লে।

তেনেকুৱাতে সি খোজৰ শব্দ শুনিলে। বিপৰীত দিশৰপৰা দুটা মানুহ তাৰ ওচৰ চাপি আহিল। সিহঁতক প্ৰহৰী বা সৈন্যৰ দৰে লাগিছিল। সিহঁতে পৰমাশিৱক দেখি থমকি ৰ'ল। "কোনহে তুমি ডেকাল'ৰা!" সিহঁতৰে এটাই সুধিলে। সি নিজৰ নামটো ক'লে আৰু লগতে ক'লে, "ধৰ্মপুৰীৰ এখন গাৱঁত মোৰ ঘৰ। খুৰাহঁতৰ লগত মই আহিছিলো। মোক এৰি থৈ তেওঁলোক বজাৰ কৰিবলৈ গ'ল। বহুত সময় মই বাট চালোঁ। আৰু শেষত মই নিজৰ গাৱঁলৈ বুলি খোজ ল'লো।"

"আমি ৰজাৰ ৰখীয়া। ৰাজভঁৰালৰ পৰা গহনা চুৰ কৰি পলোৱা দুটা মানুহক আমি বিচাৰি ফুৰিছোঁ," সিহঁতে ক'লে। "তুমি বাৰু কেনেবাকৈ দুটা মানুহ দেখিছিলানে?"

"মোৰ খুৰাহঁতৰ বাহিৰে আৰু কাকো দেখা নাছিলো।" পৰমাশিৱই ক'লে। "এতিয়া তোমালোকে মোক দুটা মানুহ আৰু ৰাজ-অলঙ্কাৰৰ কথা সোধাত মই নিশ্চিত হ'লোঁ।" এইবুলি ল'ৰাটোৱে কেনেকৈ মানুহ দুটাই নিজকে তাৰ খুৰাক বুলি চিনাকি দিলে সেই-কথা বিবৰি ক'লে। লগতে সেই বাকচ আৰু পাচিটো আৰু তাক মিছাকথা কোৱাৰ কথাও ক'লে।

"সিহঁতেই নিশ্চয় আমি বিচাৰি ফুৰা মানুহ দুটা হ'ব," চন্তৰী দুটাই ক'লে। "সিহঁতে তোমাক যিখিনিত এৰিলে তুমি সেই ঠাইলৈ আমাক লৈ যাবানে? সিহঁতে চাগে ইমানসময় ঘূৰি আহিল আৰু তোমালৈ বাট চাই আছে। তুমি চিন্তা নকৰিবা। আমি তোমাক পুনৰ গাঁৱত থৈ আহিম।"

পৰমাশিৱই সিহঁতক বাট দেখুৱাই লৈ গ'ল। তাক যিঠাইত পাচিটোৰে সৈতে এৰি থৈ অহা হৈছিল, সেই ঠাই সি বিচাৰি উলিয়ালে। হঠাতে সি ৰ'ল, অলপ দূৰত মানুহ দুটাই এজোপা গছৰ তলত বহি লৈ খাই থকা সি দেখা পালে। ওচৰতে পাচিটো আৰু বাকচটো আছিল।

চন্তৰী দুটাৰ এটাই ক'লে, "পৰমাশিৱ, তুমি অকলে সিহঁতৰ ওচৰলৈ যোৱা, আৰু



তোমালোক তিনিওটাই কথা পাতি থাকোতে পিছফালৰ পৰা মই সিহঁতক ধৰিমহি। যদি আমি বিচাৰি ফুৰা মানুহ দুটা সিহঁত নহয়, তেন্তে আমি সিহঁতক এৰি দিম।"

পৰমাশিৰ আগবাঢ়িল। তেনেতে এটা মানুহে চিঞৰা শুনিলে, "সেই দুষ্ট ল'ৰাটো আহিছে?"

"তুমি ক'ত আছিলা?" আনটো মানুহে খঙেৰে তাৰ বাহু জোকাৰি সুধিলে।

"খুৰাদেউ, মই তোমালোকৰ বাবে বহুত সময় বাট চালো আৰু তাৰ পিছত তোমালোকক বিচাৰি ওলালোঁ," পৰমাশিৱই অমায়িকভাৱে ক'লে। "আৰু মোৰ ভোকো লাগিছিল!"

"আৰু তই পাচিটো কিয় খুলিছিলি?"

"মই সাপটো চাব খুজিছিলো; তাত কোনো সাপ নাছিল। বৰঞ্চ তাত কিছুমান খোৱাবস্তুহে দেখিলোঁ।" ল'ৰাটোৱে উত্তৰ দিলে। "তাৰমানে তোমালোকে মোক ফাঁকি দিছিলা!" সি সাহসেৰে সৈতে ক'লে।

এটা মানুহে পৰমাশিৱৰ হাতত ধৰিলে। আনটোৱে তাক মাৰিবলৈ উদ্যত হ'ল। ল'ৰাটোৱে বাধা দিব খুজিলে আৰু সিহঁতৰ দবৰাদবৰি আৰম্ভ হ'ল। মানুহ দুটাই পিছফালে ৰৈ থকা চন্তৰী দুটা দেখা পোৱা নাছিল। যেতিয়া সিহঁতৰ হাতবোৰ পিছফালৰ পৰা বান্ধিবলৈ আৰম্ভ কৰা হ'ল তেতিয়াহে সিহঁতে চন্তৰী দুটাৰ উপস্থিতিৰ কথা গম পালে। "অ' ৰজাৰ গহনা লৈ পলাই অহা দুজন তোমালোকেই হ'বলা? সেইবোৰ ক'ত লুকাই থৈছা?" সিহঁতৰ এটাই খঙেৰে সুধিলে।

"সেয়া আমি এজন মহাজনৰ ওচৰত বন্ধকত থ'লোঁ।"

এজন চন্তৰীয়ে এটা মানুহক মহাজনৰ ওচৰলৈ লৈ গ'ল। কথা আছিল যে মানুহটোৱে পইচাখিনি ঘূৰাই দি অলঙ্কাৰখিনি ঘূৰাই আনিব। তাৰপিছত দুয়ো ঘূৰি আহিল আৰু পৰমাশিৱহঁতৰ ওচৰ পালেহি আৰু ৰজাৰ চন্তৰীহঁত, মানুহদুটা আৰু পৰমাশিৱ ৰাজপ্ৰাসাদৰ ফালে আগবাঢ়িল। ৰজাই মানুহদুটাক কাৰাগাৰত নিক্ষেপ কৰিবলৈ আদেশ দিলে। চন্তৰীহঁতক চোৰকেইটা ধৰাত সহায় কৰাৰ বাবে পৰমাশিৱক ৰজাৰ ওচৰলৈ লৈ যোৱা হ'ল। সি আইতাকক সকলো কথা বিবৰি ক'লে। আইতাকে তাক সাবটি ধৰি ক'লে, "পৰমা, তই যে চোৰ ধৰিব পৰাকৈ ইমান সাহসী মই ভবাই নাছিলো। সিহঁতক সঁচাকৈয়ে তোৰ খুৱায়েৰ বুলি ভবাৰ বাবে মই দুখীত।"

নৰকবাসী

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া কাশী নগৰীত এজন ধনী আৰু প্ৰতিপত্তিশালী ব্যৱসায়ী আছিল। সেই বিৰাট ধনী ব্যৱসায়ীজনৰ এজন পুত্ৰ আছিল, পুত্ৰজনৰ নাম আছিল মিত্ৰবিন্দ। ব্যৱসায়ীৰ পত্ৰ মিত্ৰবিন্দ আছিল ঘোৰ পাপী। তাৰ নাম শুনা মাত্ৰকে কাশীৰ যিকোনো মানুহ ভয়তে উচপ খাই উঠিছিল।

ধনী ব্যৱসায়ীজনৰ মৃত্যুৰ পাছত তেওঁৰ পত্নীয়ে পুত্ৰ মিত্ৰবিন্দক ক'লে, "বোপা, মোৰ এষাৰ কথা তোমাক ক'বলৈ আছে। ধন সম্পদ অৰ্জন কৰাঁ, কিন্তু লগে লগে মানৱৰ ধৰ্ম তথা দেশৰ নিয়মো মানি চলিবা।" কিন্তু মাকৰ এই উপদেশলৈ মিত্ৰবিন্দই কেতিয়াও কাণসাৰ কৰা নাছিল।

কাৰ্তিক পূৰ্ণিমাৰ দিনা মিত্ৰবিন্দৰ মাকে মিত্ৰবিন্দক ক'লে, "বোপা, আজিৰ এই পুণ্যদিনত বিহাৰত (দেৱালয়ত) ধৰ্মোপদেশ শুনোৱা হ'ব। ৰাজ্যৰ আন আন. পুণ্যাত্মা-সকলৰ লগতে তুমিও তালৈ যোৱা, ধৰ্মোপদেশ শুনা, পূজা আগ কৰাগৈ। তুমি এইবোৰ কৰি উভতি অহাৰ পাছত মই তোমাক এহেজাৰ মুদ্ৰা দিম।"

টকাৰ কথা শুনি মিত্ৰবিন্দই ভাল পালে আৰু সি ধৰ্মোপদেশ শুনাৰ মাকে দিয়া এই প্ৰস্তাৱ তথা পূজা আগ কৰাৰ কথাত ৰংমনে ৰাজী হ'ল।

মিত্ৰবিন্দ ধৰ্মোপদেশৰ ঠাইলৈ গ'ল, ঠিকেই কিন্তু তাত আলোচনা চলি থকা কোনো ধৰ্মমূলক কথাই মিত্ৰবিন্দৰ কাণত নোসোমাল। তাত সি টোপনিয়াই থাকিল। ৰাতিপুৱা মিত্ৰবিন্দ টোপনিৰপৰা সাৰ পালে। খৰধৰকৈ মুখহাত ধুই ঘৰলৈ উভতি আহিল।

ইপিনে--মাকে ভাবিছিল যে পুতেকে নিশ্চয় কোনোবা ধৰ্ম উপদেষ্টাক লগত লৈহে ঘৰলৈ উভতিব। অধীৰ আগ্ৰহেৰে পুতেক ঘূৰি অহালৈ মাকে অপেক্ষা কৰিছিল। কিন্তু মিত্ৰবিন্দক অকলশৰে উভতি অহা দেখি তাৰ

মাকে তাক ক'লে, "বোপা, ধৰ্মপ্ৰাণ ব্যক্তি এজনক লগত নানিলা কেলেই?"

"তেওঁক ইয়ালৈ আনি কি কৰিম? ইয়াত মোৰ লগত তেওঁৰ একো দৰকাৰ নাই।" আনৰ সজকথা গাত নলগা মিত্ৰবিন্দই মাকক বুজাই ক'লে।

চৰ্ত অনুসাৰে মিত্ৰবিন্দই তাৰ মাকৰপৰা এহেজাৰ টকা পোৱাৰ পাছমুহূৰ্ততে সি ঘৰৰ পৰা ওলাই গ'ল। এই এহেজাৰ টকাৰে বেহা বেপাৰ কৰি কিছুদিনৰ পাছত মিত্ৰবিন্দই কুৰিলাখ টকা আৰ্জিলে। তেতিয়া সি ভাবিলে: এই কুৰিলাখ টকাৰে মই বিদেশৰ সৈতে বেপাৰ কৰিম। সাগৰ পাৰ হৈ বেপাৰ কৰি টকা আৰ্জিম। এই বৈদেশিক বাণিজ্যত মই অগাধ ধন সোণ উপাৰ্জন কৰিব পাৰিম।

এই কথা ভাবি সি এখন জাহাজ কিনিলে আৰু নিজৰ নতুন সিদ্ধান্তৰ কথাটো মাকক ক'লে। মাকে কান্দি কান্দি ক'লে, "তই মোৰ একমাত্ৰ ল'ৰা। তোৰ ওচৰত ঢেৰ টকা আছে। আৰুনো কিয় লাগিছে? সাগৰলৈ যোৱাৰনো কি আৱশ্যক? মোৰে শপত, তই নাযাবি ঐ বোপা, সাগৰত ঢেৰ বিপদ।" এই বুলি কৈ কৈ মিত্ৰবিন্দৰ মাকে হুৰাওৱাৰে কান্দিবলৈ ধৰিলে। কিন্তু মিত্ৰবিন্দৰ মন মাকৰ কান্দোনত নুকুমলিল।

পাছদিনা সি জাহাজত উঠি ৰাওণা হ'ল। সাগৰৰ বুকুত একেৰাহে সাত দিন উকলিল। কিন্তু জাহাজত থকা সকলোৰে বাবে তেনেই অপ্ৰত্যাশিতভাৱে আঠদিনৰ দিনা মাজ সাগৰত জাহাজখন অচল হৈ পৰিল।

এই আচৰিত অৱস্থাত নাবিকহঁতে ভাবিলে: জাহাজত নিশ্চয় কোনোবা এটা অমঙলীয়া আছে--যাৰ কাৰণে আমাৰ জাহাজখনৰ এই অৱস্থা হৈছে। জাহাজখনত যিমান মানুহ আছিল, সৰু সৰু কাগজৰ টুকুৰাত সকলোটিৰে নাম বেলেগে বেলেগে লিখি--আৰু এটুকুৰা কাগজত 'অমঙলীয়া' শব্দটো লিখি সকলোটিৰ মাজত এই কাগজৰ টুকুৰাবোৰ বিলোৱা হ'ল। কিন্তু আচৰিত, অমঙলীয়া লিখা কাগজটুকুৰা তিনিবাৰলৈকে মিত্ৰবিন্দইহে পালে। নিয়ম অনুসাৰে, জাহাজ এৰি সৰু নাও এখনত মিত্ৰবিন্দ উঠিবলগীয়া হ'ল। মিত্ৰবিন্দ জাহাজৰপৰা নামি যোৱাৰ লগে লগে জাহাজখন পুনৰ স্বচ্ছন্দ গতিৰে চলি থাকিল।

বহু দিনৰ পাছত, মিত্ৰবিন্দৰ সৰু নাওখন কোনোবা এক অজান দ্বীপ পালেগৈ। সেই অজান দ্বীপত কেৱল স্ফটিকেৰে নিৰ্মিত এটা

অতি সুন্দৰ ৰাজপ্ৰাসাদহেন বিৰাট অট্টালিকা আছিল।

এই অট্টালিকাত আছিল চাৰিজনী ৰাক্ষসী। সিহঁতি সাতদিন আনন্দ ফূৰ্তিৰ মাজেদি কটায়, আৰু তাৰ পাছৰ সাতদিন ধৰি পাপৰ পৰাচিত কৰে। সাত দিন তাত থকাৰ পাছত তাত থাকিবলৈ মিত্ৰবিন্দৰ আৰু মন নগ'ল। সি আকৌ তাৰ নাৱত উঠি ৰাওণা কৰিলে।

কিছুদিনৰ পাছত মিত্ৰবিন্দৰ নাওখনে আন এটা দ্বীপ পালগৈ। তাত আছিল আঠজনী ৰাক্ষসী। সিহঁতৰ লগত সাতদিন কটাই মিত্ৰবিন্দই আকৌ তাৰ নাৱত উঠিল। এইদৰে, আন এটা দ্বীপত ষোলজনী আৰু অন্য দ্বীপত বত্ৰিছজনী ৰাক্ষসীৰ সৈতে এসপ্তাহকৈ কটাই পুনৰ আন এটা দ্বীপলৈ গ'ল। এই দ্বীপটো আছিল চাৰিওফালৰপৰা এক অতি ওখ কিন্তু সুদৃশ্য দেৱালেৰে আগুৰা। মিত্ৰবিন্দই ভাবিলে: দেৱালেৰে আগুৰা এই নিৰাপদ অথচ অপূৰ্ব সুন্দৰ দ্বীপত ময়েই হ'ম ৰজা।

গোটেই দ্বীপত মিত্ৰবিন্দই মাত্ৰ এজন মানুহক দেখা পালে। এই মানুহজনৰ মূৰৰ ওপৰত আছিল এক ভয়ংকৰ ধৰণৰ চক্ৰ। তাৰ মূৰৰপৰা তেজ ওলাইছিল। মানুহজন আছিল এডাল দীঘল শিকলিৰে বন্ধা। অসহ্য যন্ত্ৰণাত মানুহজনে আৰ্তনাদ কৰি আছিল। এনেকুৱা দুৰাৱস্থাৰ মাজত থকা সত্ত্বেও মিত্ৰবিন্দই ভাবিলে: এই মানুহজনেই নিশ্চয় এই সুন্দৰ দ্বীপৰ ৰজা। তেজ ওলোৱা চক্ৰটোক মিত্ৰবিন্দই এই দ্বীপৰ ৰজাৰ ৰাজমুকুট বুলি ভাবিছিল।



মিত্ৰবিন্দই এই মানুহজনক ক'লেগৈ "আপোনাৰ মূৰৰ এই ধুনীয়া মুকুটটো মোক এটিবাৰ পিন্ধিবলৈ দিবনে? মই চিৰকৃতজ্ঞ হৈ থাকিম।"

"এইটো মুকুটো নহয়, আৰু এইটো ধুনীয়াও নহয়। এইটো এটা যন্ত্ৰণাদায়ক চক্ৰ।" এটা ভয়ানক যন্ত্ৰণাত জৰ্জৰিত মানুহজনে ক'লে।

"নিদিয়া যদি নাই, পিছে মিছা কথা কৈছা কিয়? মই কথাবোৰ বিশ্বাস কৰিম বুলি তুমিনো ভাবিলা কেনেকৈ?" মিত্ৰবিন্দই সুধিলে।

আজিৰপৰা মই মুক্তি লাভ কৰিম বুলি মোৰ ধাৰণা হৈছে। মই যে নৰকযাতনা ভুঞ্জিছো--এই মানুহজনে একেবাৰেই ধৰিব পৰা নাই দেখিছো। ইও মোৰ দৰেই কিজানি তাৰ মাকক মাৰিছিল আৰু সেই পাপৰ পৰাচিত কৰিবলৈ ইয়ালৈ আহিল। এই কথা ভাবি এই নৰকবাসীয়ে নিজৰ মূৰৰ ওপৰত থকা চক্ৰটো তৎক্ষণাৎ এই লোভী মিত্ৰবিন্দৰ মূৰত পিন্ধাই দি ৰংমনে তাৰ নিজৰ ঘৰলৈ উভতি গ'ল।

এই কালছোৱাত বোধিসত্ত্ব ইন্দ্ৰৰ ৰূপত স্বৰ্গত আছিল। এদিন স্বৰ্গৰ আন দেৱতাসকলক লগত লৈ আটাইবোৰ নৰক পৰিদৰ্শনলৈ ওলাই বোধিসত্ত্ব মিত্ৰবিন্দ থকা নৰকলৈ আহিল।

ইন্দ্ৰৰ ৰূপধাৰী বোধিসত্ত্ব মিত্ৰবিন্দৰ ওচৰলৈ গ'ল।

বোধিসত্ত্বক দেখা পাই মিত্ৰবিন্দই ক'লে, "প্ৰভু, মই বাৰু জানিব পাৰোনে এই ভয়ংকৰ চক্ৰৰ কবলৰপৰা কেতিয়া মুক্তি পাম?"

বোধিসত্ত্বই ক'লে, "তোমাৰ ওচৰত ঢেৰ ধন আছিল। তথাপি তুমি তৃপ্ত হোৱা নাছিলা। তুমি ৰাক্ষসীহঁতৰ সৈতে আনন্দ উপভোগ কৰিলা। মানুহৰ উপযুক্ত সজ বাটেৰে তুমি নগ'লা। মানুহৰ সৎ উপদেশ বা পৰামৰ্শলৈ তুমি কাণসাৰো নকৰিছিলা। তুমি উপযাচি এই চক্ৰ লৈছিলা। গতিকে জীয়াই থকা দিনলৈকে এই চক্ৰৰ কবলৰপৰা নিষ্কৃতি নোপোৱা।"

নিজৰ অক্ষমণীয় ভুল আৰু দুৰ্ভাগ্যৰ কথা ফটফটীয়াকৈ জানিব পাৰি মিত্ৰবিন্দ হতাশাৰ নিমজ অন্ধকাৰ নৰকত চিৰদিনৰ বাবে ডুব গ'ল।

ৰামায়ণ

ভৰত ৰামৰ আদেশ পাই উঠিল। জল স্পৰ্শ কৰি, ৰামক সেৱা কৰি, তেওঁ সকলোকে ক'লে, "আপোনালোক সকলোৱে শুনক। মই পিতৃ মাতৃৰপৰা ৰাজ্য কেতিয়াও বিচৰা নাছিলো। জ্যেষ্ঠ ভ্ৰাতৃ ৰামচন্দ্ৰই বনবাস খটাটো মই কেতিয়াও বিচৰা নাছিলো। তেওঁৰ পৰিৱৰ্তে মই বনবাস খাটিম। আৰু মোৰ সলনি তেওঁ ৰাজসিংহাসনত বহক। আৰু এনেকৈয়ে অযোধ্যাৰ প্ৰজাসকলৰ ইচ্ছাও পূৰণ কৰিব পৰা যাব আৰু পিতৃআজ্ঞা পালন কৰাও হ'ব।"

ভৰতৰ মুখত এনেবোৰ কথা শুনি ৰাম আচৰিত হ'ল। "এনেকৈ ৰাজসিংহাসন আৰু পিতৃআজ্ঞাৰ সালসলনি কেনেকৈ সম্ভৱ? যদি মই বনবাস নাখাটি ৰাজ্য শাসন কৰোঁ তেন্তে তাতকৈ ডাঙৰ ভুল আৰু একো হ'ব নোৱাৰে। পিতৃআজ্ঞা পালন কৰি বনবাসত চৈধ্য বছৰ পূৰ্ণ হোৱাৰ লগে লগেই মই আৰু ভৰত মিলি একেলগে ৰাজ্য শাসন কৰিম।" ৰামে ক'লে।

উপস্থিত লোকসকলে ৰামৰ এই যুক্তিপূৰ্ণ কথাত সন্তোষ প্ৰকাশ কৰিলে। তেওঁলোকে ভৰতক এইবুলি ক'লে, "ৰামে যেনেকৈ কৈছে তেনেকৈয়ে কৰা। তেওঁক পিতাকৰ ঋণ পৰিশোধ কৰিবলৈ দিয়া।" তাকে শুনি ৰামে সন্তোষ পালে যদিও ভৰত হতাশ হ'ল।

অৱশেষত উপায়ন্তৰ হৈ ভৰতে ৰামৰপৰা পাদুকাযোৰকে বিচাৰিলে। ৰামে এইবাৰ ভৰতক বিমুখ নকৰি নিজৰ পাদুকাযোৰ খুলি ভৰতক দি দিলে।

ভৰতে ৰামক ক'লে, "আপোনাৰ অনুপস্থিতিত আপোনাৰ এই পাদুকযোৰেই সংসাৰ ৰক্ষা কৰিব, মই মুনিৰ বেশ ধাৰণ কৰি, ফল, আদি খাই ৰাজ্য শাসনৰ ভাৰ এই

পাদুকাযোৰৰ ওপৰতে সঁপি দিম আৰু আপোনাৰ অপেক্ষা কৰি নগৰৰ বাহিৰত থাকিম। চৈধ্য বছৰৰ পিছতো যদি আপুনি নাহে, তেন্তে নিশ্চয় জানিব মই অগ্নিত আত্মাহুতি দিম।"

সেই কথাত ৰাম মান্তি হ'ল। ভৰতক আলিংগন কৰি তেওঁ ক'লে, "মোৰ অনুপস্থিতিত তুমি মাৰাক ৰক্ষা কৰিবা। তেওঁৰ ওপৰত কোনো কথাতে তুমি খং নকৰিবা। এতিয়া তুমি যাব পাৰা।" এইবুলি কৈ ৰামে চকুপানী টুকিলে।

ভৰতে ৰামৰ পাদুকাযোৰকে পৰম ভক্তিৰে পূজা কৰিলে। অশ্ৰুসিক্ত নয়নেৰে সকলোকে বিদায় দি ৰাম নিজৰ পৰ্ণশালালৈ ঘূৰি আহিল। ৰামৰ দৃঢ়তাত সকলোৱে তবধ মানিলে।

ৰামৰ পাদুকাযোৰ শিৰতে তুলি লৈ ভৰত শত্ৰুঘ্নৰ লগত ৰথত উঠিল। বশিষ্ঠ, নামদেৱ, আৰু জৱালী আদি ঋষিগণ দুয়ো ৰাজকুমাৰৰ লগত আগবাঢ়িল।

ঘূৰি অহাৰ পথত লগৰ সকলোৱে সৈতে ভৰত ভৰদ্বাজ মুনিৰ আশ্ৰমলৈ গ'ল। আৰু তেওঁক ৰামৰ সৈতে হোৱা কথোপকথনৰ সকলো বৃত্তান্ত শুনালে। তাৰপিছত, তেওঁৰপৰা বিদায় লৈ আগবাঢ়িল।

শৃংগবেৰপুৰৰ ৰাস্তাৰে, অৱশেষত তেওঁ অযোধ্যাত প্ৰৱেশ কৰিলে। যেতিয়া তেওঁ অযোধ্যাৰ আলিবাটেৰে গৈ আছিল তেতিয়া তেওঁৰ সমস্ত নগৰখনেই নিস্প্ৰাণ যেন লাগিছিল। তেওঁ শত্ৰুঘ্নক ক'লে, "ভ্ৰাতা শত্ৰুঘ্ন, এটা কথা তুমি বাৰু মন কৰিছানে? অযোধ্যা নগৰৰ সমস্ত সৌন্দৰ্য জ্যেষ্ঠ ভ্ৰাতৃ ৰামচন্দ্ৰৰ সৈতে যেন গুচি গৈছে।"

ভৰতে মাতৃসকলক অযোধ্যালৈ আনি বশিষ্ঠ আদিক ক'লে, "যিহেতু অযোধ্যাত এতিয়া ভ্ৰাতৃ ৰামচন্দ্ৰ নাই, গতিকে ময়ো ইয়াত থাকিব নোৱাৰোঁ, ঠিক কৰিছো মই নন্দী গ্ৰামলৈ যাম। তাৰ পৰাই মই ৰাজ্যৰ কাম কাজ চাই থাকিম আৰু জ্যেষ্ঠ ভ্ৰাতৃৰ অপেক্ষা কৰিম।"

মন্ত্ৰীসকলেও এই কথাত নিজৰ সন্মতি প্ৰকাশ কৰিলে। মাতৃসকলৰপৰা বিদায় লৈ শত্ৰুঘ্নৰ লগত ৰথত উঠি, মন্ত্ৰীসকল আৰু বশিষ্ঠক লগত লৈ, তেওঁ এটা গধুৰ মন লৈ নন্দী গ্ৰামলৈ গ'ল। যদিও ভৰতে আজ্ঞা দিয়া নাছিল, তথাপিও তেওঁৰ সেনা তেওঁৰ লগত ওলাল।

ভৰতে আজ্ঞা দিলে যে নন্দী গ্ৰামত পাদুকাযোৰক এজন ৰজাক দিয়া হওক আৰু

এটা কথা মন কৰিব লাগিব সকলো ধৰণৰ মৰ্যাদা যাতে এই পাদুকাযোৰক দিয়া হয়। অৰ্থাৎ পাদুকাযোৰকো যাতে ৰজাৰ দৰে শ্বেত ছত্ৰছায়াত ৰখা হয়।

মাকে কৰা অপকৰ্মৰ কালিমা দূৰ কৰিবৰ বাবে আৰু এই অভাৱনীয় পাপৰ যথাৰীতি প্ৰায়শ্চিত কৰাৰ উদ্দেশ্যেৰে ভৰতে জটা বান্ধিবলৈ ল'লে, বল্কল পিন্ধি, মুনিৰ বেশ ধাৰণ কৰি তেওঁ নন্দী গ্ৰামৰপৰা কোশল দেশ পৰিভ্ৰমণ কৰিবলৈ ধৰিলে। ৰাজ্যৰ শাসন সম্বন্ধীয় সকলোবোৰ কথা ভৰতে পাদুকাক নিবেদন কৰিলে। সামন্ত সকলে যি উপহাৰ আদি আনে, সেয়াও নৈবেদ্যৰ ৰূপত সেই পাদুকাক অৰ্পণ কৰা হ'ল। ৰামৰ ঠাইত সেই পাদুকাৰে ৰাজ্যাভিষেক কৰা হ'ল।



ভৰত গুচি যোৱাৰ পিছত, ৰাম কিছু দিনৰ বাবে পৰ্ণশালাতে থাকি গ'ল। লাহে লাহে তেওঁ এটা কথা গম পালে সেই আশ্ৰমৰ মুনিয়ে ৰামক দেখি ফুচফুচাই কথা পাতিবলৈ ধৰিলে। কেৱল সেয়াই নহয়, তেওঁলোকে নিজৰ আশ্ৰম এৰি যাবলৈ ধৰিলে। তেওঁলোকনো কিয় এনে কৰিছে ৰামে জানিবৰ বাবে আগ্ৰহী হৈ পৰিল। সেয়ে তেওঁ এদিন মুনি সকলৰ কুলপতি বৃদ্ধ মুনিৰ ওচৰলৈ গৈ ক'লে, "আমি শুনিবলৈ পাইছো যে আপোনালোক সকলোৱে এই আশ্ৰম এৰি যাবলৈ ওলাইছে। মোৰ ভাই, অনুগ্ৰহ কৰি মোক ক'বনে মই অথবা মোৰ পত্নীয়ে অজানিতে কিবা অপৰাধ কৰিলোঁ নেকি?"

তাকে শুনি কুলপতিয়ে ক'লে, "অনাহকতে এই দুশ্চিন্তা মনলৈ নানিব। আপুনি একো কৰা নাই, আপোনাৰ বাবে ৰাক্ষসবোৰে আমাক বহুত ভয় খুৱাইছে। ৰাৱণৰ ভ্ৰাতৃ খৰে মুনিসকলক ভয় খুৱাই ইয়াৰ পৰা পলাবলৈ বাধ্য কৰিছে। কেতিয়াবা আপোনাৰ পিছতো সিহঁত লাগিব। সেয়েহে আমি ইয়াৰপৰা যাবলৈ সিদ্ধান্ত কৰিছো। আপুনি বীৰ, তথাপিও যিহেতু পত্নী সহিতে আপুনি ইয়াত আছে, ইয়াৰপৰা আপুনিও যোৱাহে ভাল হ'ব।"

তাৰ মুনিসকল এনেবোৰ অসুবিধাৰপৰা হাত সাৰি থকাৰ উদ্দেশ্যে বহুত দূৰৰ অন্য এখন আশ্ৰমলৈ গুচি গ'ল। ৰাম কিন্তু কিছু-দিনলৈ তাতে থাকিল। তাৰ পিছত এদিন তেওঁও সেই ঠাই এৰাৰ সিদ্ধান্ত ল'লে। সীতা আৰু লক্ষ্মণক লগত লৈ তেওঁ অগ্নি মহামুনিৰ আশ্ৰমলৈ গ'ল। তাত মুনিয়ে তেওঁক নিজৰ পুত্ৰৰ দৰে স্নেহ কৰিলে। মুনিয়ে নিজেই তেওঁৰ আদৰ সংকাৰ কৰিলে।



অগ্নি মহামুনিয়ে তেওঁৰ পত্নী অনুসূয়াক মাতি পঠাই দশৰথ-পুত্ৰ ৰামচন্দ্ৰৰ লগত চিনাকি কৰাই দিলে। অনসূয়া সেই সময়ত অতি বৃদ্ধা হৈ পৰিছিল। তেওঁৰ চুলি সম্পূৰ্ণ বগা হৈ পৰিছিল। শৰীৰ একেবাৰে দুৰ্বল হৈ পৰিছিল। তথাপিও তেওঁৰ তপস্যা শক্তি অতুলনীয় আছিল।

অগ্নি মহামুনিয়ে ৰামচন্দ্ৰক ক'লে, "এবাৰ বৰষুণ হোৱা নাছিল। এই অনাবৃষ্টিৰ পৰিণতিত চৈধ্য বছৰ ধৰি দুৰ্ভিক্ষ হৈছিল। তেতিয়া এওঁ নিজৰ তপঃশক্তিৰে পৃথিৱীলৈ গংগা বোৱাইছিল আৰু মুনি সকলৰ বাবে ফলৰ উৎপাদন কৰাইছিল। এবাৰ তেওঁ দহ ৰাতিক এৰাতি লৈ সলাই পেলাইছিল। তোমাৰ অৰ্দ্ধাঙ্গিনী সীতাক কোৱা যে এঁওক যাতে প্ৰণাম কৰে।"

ৰামে সীতাক ক'লে, "এই মহাত্মাৰ কথা শুনিলা নহয়? এতিয়া তেওঁৰ পৰামৰ্শমতে দেৱী অনসূয়াক নমস্কাৰ কৰা। তাৰদ্বাৰা তোমাৰ কল্যাণ হ'ব।"

ৰামচন্দ্ৰৰ আদেশ শিৰোধাৰ্য কৰি সীতাই অনসূয়াক নিজৰ নাম জনালে, তেওঁক ভক্তিপূৰ্বক প্ৰণাম জনালে আৰু তেওঁৰ কুশল মঙ্গল সুধিলে।

অনসূয়াই সীতাক দেখি সন্তুষ্ট হৈ ক'লে, "পুত্ৰী, তুমি সকলো বন্ধু, বান্ধৱ, বৈভৱ, ঐশ্বৰ্য, অহংকাৰ সকলো ত্যাগ কৰি, স্বামীৰ লগত স্বামীধৰ্ম পালন কৰিবলৈ জংঘললৈ আহিছা। এটা কথা মই পৰম বিশ্বাসেৰে ক'ব পাৰো যে তুমি সঁচাকৈয়ে ভাগ্যৱতী। মই বহুত ভাবি চিন্তি দেখিলো, নিজৰ স্বামীৰ দৰে কোনেও পত্নীৰ ৰক্ষা নকৰে। তুমি এইদৰেই নিজৰ স্বামীক অনুসৰণ কৰি সদায় পতিব্ৰতাৰ ধৰ্ম পালন কৰা।"

"মোৰ পতি গুণবান, দয়ালু। ধৰ্মাত্মা। মোৰ প্ৰতি তেওঁৰ অচঞ্চল প্ৰেম আছে। মোৰ বাবে তেওঁ পিতৃ মাতৃ দুয়োৰে সমান। মোৰ স্বামী সুন্দৰ। এনে স্বামীৰ সেৱা কিয় নকৰিম? শয়নে সপোনে মই তেওঁৰ কথাই ভাবি থাকো। মই সৰুৰেপৰাই পতিব্ৰতা স্ত্ৰীৰ কৰ্তব্য শিকি আহিছোঁ। যেতিয়া মই বনলৈ আহিছিলো, তেতিয়া মোৰ শাহুআই কৌশল্যায়ো একেখিনি উপদেশকেই দিছিল। এতিয়া আপুনিও সেই উপদেশকেই দোহাৰিছে।" সীতাই সবিনয়ে ক'লে।

সীতাৰ মধুৰ ভাষণ শুনি আৰু তেওঁৰ এই প্ৰজ্ঞা দেখি অনসূয়া অতি প্ৰসন্ন হ'ল। তেওঁ সীতাক ক'লে, "পুত্ৰী, যদি তোমাৰ কিবা মনোকামনা আছে, তেন্তে মোক ব্যক্ত কৰা, মই পূৰণ কৰিম।"

সীতাই এইকথা শুনি আচৰিত হ'ল। "আপুনি এনেদৰে সোধাটোৰেই মোৰ বাবে পৰম ভাগ্যৰ কথা। মইনো কি ক'ম ভাবিয়েই পোৱা নাই।"

"তথাপিও মই সন্তুষ্টচিত্তে যি দিব খুজিছোঁ, সেয়া গ্ৰহণ কৰা।" এইদৰে কৈ অনসূয়াই সীতাক স্নেহৰ চিনস্বৰূপে এডাল দিব্য পুষ্পমালা, এখন শাৰী, কিছু অলংকাৰ, আৰু শৰীৰত লেপন কৰিবৰ বাবে অলপ চন্দন দিলে।

তাৰপিছত অনসূয়াই ক'লে, "মই শুনিছো যে তোমাৰ স্বামীয়ে তোমাক সয়ম্বৰ বিবাহ কৰিছিল যি সয়ম্বৰত আৰু বহুতো বীৰপুৰষ আছিল। মোক মই সকলোবোৰ বৃত্তান্ত যদি শুনোৱা তেন্তে..."

সীতাই নিজৰ সকলো কাহিনী অনসূয়াক শুনালে।

"মোৰ পিতৃদেৱতা জনক মিথিলাৰ ৰজা আছিল। যেতিয়া তেওঁ যজ্ঞৰ বাবে পথাৰত

হাল বাই আছিল তেতিয়া তেওঁ মোক পালে। যিহেতু সেই সময়ত তেওঁ নিসন্তান আছিল সেয়েহে নিজৰ পত্নীৰ হাতত মোক তুলি দি নিজৰ সন্তানৰ দৰে লালন পালন কৰিবলৈ কৈছিল। যেতিয়া মই বিবাহযোগ্যা হ'লোঁ, তেতিয়া তেওঁৰ চিন্তা হ'বলৈ ধৰিলে। বহুতো খা খবৰ কৰিও তেওঁ মোৰ বাবে এজন উপযুক্ত পতি নাপালে। তেতিয়া তেওঁ এই সমস্যাৰ সমাধানকল্পে সয়ম্বৰ পাতিবলৈ সিদ্ধান্ত কৰিলে। তেওঁ মানুহক জনালে যে যিয়েই তেওঁৰ ঘৰত ৰখা হৰধনুত বাণ লগাব পাৰিব, তেওঁৰ লগতেই মোৰ বিবাহ সম্পন্ন কৰিব কিয়নো দিব্যশক্তি সম্পন্ন ব্যক্তিয়েহে এই ধনু উঠাব পাৰিব। কিমান লোক সয়ম্বৰলৈ আহিল, ধনু উঠাবলৈ চেষ্টা কৰিলে, কিন্তু তেওঁলোক সফল নহ'ল। তেতিয়া মুনি বিশ্বামিত্ৰৰ লগত ৰাম, লক্ষ্মণ যজ্ঞ চাবলৈ আহিল। বিশ্বামিত্ৰৰ কথামতে মোৰ পিতাদেৱে ৰামক এই ধনুখন দেখুৱালে। ৰামে ধনুখন উঠাই তাত বাণ লগাওঁতেই ধনুখন ভাঙি থাকিল। তুৰন্তে মোৰ পিতাই কন্যাদানৰ বাবে জলভৰা কলহ বিচাৰিলে। কিন্তু ৰামে পিতাকৰ অনুমতি অবিহনে মোক বিবাহ কৰাবলৈ অমান্তি হ'ল। তেতিয়া মোৰ পিতাই মহাৰাজ দশৰথৰ ওচৰলৈ খবৰ পঠিয়াই তেখেতক মতাই পঠালে আৰু আমাৰ দুয়োৰে শুভবিবাহ সম্পন্ন হ'ল।"

এই কথা শুনি অনুসূয়া অতি সন্তুষ্ট হ'ল। তেওঁ নিজৰ সমুখতে সীতাক প্ৰেম কৰিবলৈ ক'লে। তাৰ পিছত তেওঁক ৰামৰ ওচৰলৈ পঠালে।

সীতাৰ অলঙ্কাৰবোৰ দেখি ৰামে সুধিলে, "এই অলঙ্কাৰবোৰ ক'ৰপৰা পালা?" সীতাই ক'লে যে এই সকলোবোৰ অনসূয়াই উপহাৰ দিছিল। ৰাম আৰু লক্ষ্মণ এই কথা জানি অতি আনন্দিত হ'ল।

সীতা, ৰাম আৰু লক্ষ্মণে সেই ৰাতি অগ্নি মহামুনিৰ আশ্ৰমত কটালে। পিছদিনা অগ্নি মহামুনিৰপৰা তেওঁলোকে আশীৰ্বাদ বিচাৰি বিদায় ল'লে।

"পুত্ৰ, এই বনত নৰভক্ষী ৰাক্ষসো আছে। মই তোমাক সেই ৰাস্তা দেখুৱাম, যি পথেদি মুনিয়ে ফল ছিঙিবলৈ যায়। সেই ৰাস্তাৰে যাবা।" অগ্নি মহামুনিয়ে ক'লে।

তেওঁ দেখুওৱা ৰাস্তাৰে গৈ গৈ ৰাম, লক্ষ্মণ আৰু সীতা ভয়ঙ্কৰ দণ্ডকাৰণ্যত প্ৰৱেশ কৰিলেগৈ। *(অযোধ্যাকাণ্ড সমাপ্ত)*

প্ৰশান্ত জীৱন

প্ৰাচিন কালত এখন গাঁৱত ৰাঘৱ নামৰ এজন ধনী মানুহ বাস কৰিছিল। তেওঁৰ যেতিয়া ষাঠি বছৰ বয়স হৈছিল তেওঁৰ পৰিয়ালৰ সকলো লোকেই স্বৰ্গগামী হৈছিল। জীৱনৰ প্ৰতি বিৰক্ত হৈ ৰাঘৱে গোটেইখিনি সম্পত্তি গাঁৱৰ উন্নতিৰ বাবে দান কৰি দিলে আৰু এটা প্ৰশান্ত জীৱন কটাবলৈ জংঘললৈ গুচি গ'ল।

এখন ঘন অৰণ্যত উপস্থিত হৈ ৰাঘৱে এটা হ্ৰদৰ পাৰত এটা কুটীৰ সাজিলে আৰু বনৰীয়া ফল মূল খাই শান্তিপূৰ্ণভাৱে নিজৰ জীৱন কটাবলৈ ধৰিলে।

এদিন তাত এটা বিচিত্ৰ ঘটনা ঘটিল। ৰাঘৱে এখন জাৰণিত ফল ছিঙি আছিল, হঠাতে এটা বাঘে তেওঁৰ দেহটো স্পৰ্শ কৰি পাৰ হৈ গ'ল। ইয়াৰ আগতে বাঘটোৰ গুজৰণি শুনি এজন খৰিকটীয়াই বৰ ভয় খাইছিল আৰু এজোপা গছত উঠি আছিলগৈ। তেওঁ এই দৃশ্য দেখিলে, কিন্তু ৰাঘৱে একেবাৰে গমেই নাপালে যে তেওঁৰ দাঁতিয়েদি এটা বাঘ পাৰ হৈ গৈছে।

খৰিকটীয়াই ভাবিলে ৰাঘৱ সাধাৰণ মানুহ নহয়। তেওঁ গছৰপৰা নামি আহিল। ৰাঘৱৰ ভৰিত দীঘল দি পৰি তেওঁ ক'লে, "মহাত্মা! মই এটা ডাঙৰ পৰিয়ালৰ মূৰব্বী; ইমানবোৰ মানুহক মই চলাব নোৱৰা হৈছো। এই কষ্টৰপৰা মুক্তি পোৱাৰ এটা উপায় দিয়ক।

ৰাঘৱে খৰিকটীয়াক উঠাই লৈ ক'লে, "ভাই, তুমি কষ্ট কৰি যোৱা। এতিয়াই তুমি মুক্তিৰ কথা কিয় ভাবিছা?"

খৰিকটীয়াই ওচৰৰ গাঁওখনলৈ গৈ ৰাঘৱৰ বিষয়ে বাহুল্য কৰি ক'লে। সেইদিনাৰেপৰা মানুহ জংঘলত বাস কৰা ৰাঘৱৰ দৰ্শনৰ বাবে আহিবলৈ ধৰিলে। সকলো মানুহৰে কিবা নহয় কিবা সমস্যা হৈছিল। কিছুমানে ৰোগৰপৰা মুক্তি বিচাৰি আশীৰ্বাদ বিচাৰিছিল আৰু আন কিছুমানে সন্তান কামনা কৰিছিল। আন কিছুমানে আৰ্থিক সংকটৰপৰা উদ্ধাৰ পোৱাৰ উপায় বিচাৰিছিল আৰু কিছুমানে ভগৱানক পোৱাৰ পথ কি তাক জানিব খুজিছিল। ৰাঘৱে

সকলোকে এটা কথাই কৈছিল, “ভগৱানে তোমাৰ মংগল কৰিব। তেওঁৰ ওপৰত শ্ৰদ্ধা আৰু ভৰসা ৰাখিবা, তেওঁ যিয়েই কৰে, সিয়েই তোমাৰ কল্যাণৰ বাবে সৰ্বশ্ৰেষ্ঠ হ'ব।” তেওঁ কাকো মিছা প্ৰতিশ্ৰুতি দিয়া নাছিল। লাহে লাহে মানুহৰ ভীৰ বাঢ়ি গ'ল। ৰাঘৱৰ নাম দূৰ দূৰণিলৈকে বিয়পি পৰিল।

এদিন দূৰৰ এখন গাঁৱৰপৰা সুন্দৰ আৰু কান্তা নামৰ এহাল দম্পতি ৰাঘৱেন্দ্ৰ স্বামীক দৰ্শন কৰিবলৈ ওলাই আহিল। অলপ দূৰ যোৱাৰ পাছত যাত্ৰীৰ বেশত যোৱা কেইজনমান চোৰৰ লগত তেওঁলোকৰ দেখাদেখি হ'ল। সুন্দৰৰ দাড়ি আৰু তেওৰ চেহেৰাৰ সৰলতাৰ বাবে তেওঁক এজন মহাত্মা যেন লাগিছিল। সুন্দৰৰ আকৃতি আৰু তেওঁৰ দাড়ি দেখি চোৰহঁতৰ মনত এটা বুদ্ধি খেলালে। সিহঁতে ভাবিলে এওঁক মহাত্মা সাজি ভক্তসকলৰপৰা মাল লুটিব পৰা যায়। ৰাঘৱ স্বামীৰ নাম আৰু তেওঁৰ ভক্তসকলৰ ভীৰৰ কথা চোৰহঁতে শুনিছিল। সিহঁতে ঠিক কৰিলে সুন্দৰক ৰাঘৱ স্বামীৰ প্ৰধান শিষ্য সাজি সিহঁত নিজেই তেওঁৰ শিষ্য হ'ব। সেয়েহে ভোকাতুৰ দম্পতিক সিহঁতে নিজৰ মোনাৰপৰা উলিয়াই বহুত বস্তু খাবলৈ দিলে আৰু তেওঁক গেৰুৱা ৰঙৰ বস্ত্ৰ পৰিধান কৰিবলৈ দিলে। ইয়াৰ পাছত চোৰহঁতে নিজেও গেৰুৱা বস্ত্ৰ পৰিধান কৰিলে।

সেইদিনাই চোৰহঁতে সেই প্ৰদেশত এখন সৰু আশ্ৰম গঢ়ি তুলিলে আৰু সুন্দৰক ৰাঘৱেন্দ্ৰ স্বামীৰ প্ৰিয় শিষ্য বুলি তাত প্ৰতিষ্ঠিত কৰিলে। সুন্দৰে আপত্তি কৰাত সিহঁতে তেওঁক মাৰি পেলাব বুলি ভাবুকি দিলে। চোৰহঁতে সুন্দৰৰ শিষ্যৰ অভিনয় কৰি সিহঁতৰ নতুন স্বামীৰ বিষয়ে চাৰিওফালে প্ৰচাৰ কৰিবলৈ ধৰিলে।

সুন্দৰৰ আশ্ৰম ৰাঘৱৰ আশ্ৰমতকৈ বহুত দূৰত আছিল। সেয়েহে যিসকলে ৰাঘৱেন্দ্ৰ স্বামীক দৰ্শন কৰিবলৈ যাব পৰা নাছিল; তেওঁলোকে এই সৰু ৰাঘৱেন্দ্ৰ স্বামীক দৰ্শন কৰিবলৈ আহিবলৈ ধৰিলে। চোৰহঁতে সুন্দৰক দুই চাৰিটা ইন্দ্ৰজালৰ বিদ্যা শিকাই দিলে। সুন্দৰে খালী হাতেৰে বিভূতি সৃষ্টি কৰিব পাৰিছিল। মুখৰপৰা শিৱলিংগ উলিয়াব পাৰিছিল। এই অদ্ভুত শক্তি দেখি ভক্তসকল তন্ময় হৈ গৈছিল আৰু সৰু ৰাঘৱেন্দ্ৰ স্বামীৰ চৰণত দান অৰ্পণ কৰিছিল। চোৰহঁতে এই দানবোৰ সৰকাইছিল। ৰাস্তাত মানুহক লুটিবলৈ অপেক্ষা কৰাতকৈ চোৰহঁতৰ বাবে এই কৌশল অনেকগুণে বেছি লাভদায়ক

আছিল আৰু ই বেছ সন্মানজনকো আছিল।

লাহে লাহে এই কথা প্ৰচাৰ হ'ল যে ডাঙৰ ৰাঘৱেন্দ্ৰ স্বামীতকৈ সৰু ৰাঘৱেন্দ্ৰ স্বামীৰ মহিমা বেছি। সেই কাৰণে জংঘলৰ বহুত দূৰত থকা ৰাঘৱৰ আশ্ৰমলৈ মানুহ কমকৈ আহিবলৈ ধৰিলে, আৰু সুন্দৰৰ ভক্তৰ সংখ্যা দিনক দিনে বাঢ়ি যাবলৈ ধৰিলে।

ৰাঘৱে মনতে সন্দেহ কৰিলে যে কোনোবাই তেওঁৰ নাম ব্যৱহাৰ কৰি জনতাক আঁভুৱা ভাৰি আছে। তেওঁ স্বামী হ'ল ঠিকেই কিন্তু কেতিয়াও কাকো একো প্ৰতাৰণা কৰা নাছিল। তেওঁ মনতে এই কথা জানিব খুজিলে এই নতুন স্বামীজননো কোন?

এই ৰহস্যৰ সন্তেদ উলিয়াবলৈ এদিন ৰাঘৱে নিচেই পুৱাতে সুন্দৰৰ আশ্ৰম অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। চোৰহঁতে আন আন ভক্তসকলৰ দৰে তেওঁকো শ্ৰদ্ধাপূৰ্বক সম্ভাষণ জনালে।

সুন্দৰে ভক্তসকলৰ আগত নিজৰ মহিমা প্ৰদৰ্শন কৰে আৰু তাকে চাই ভক্তসকল লাহে লাহে তাৰপৰা আঁতৰি আহে। ইয়াৰ পাছত ৰাঘৱে চোৰহঁতৰ অনুমতি লৈ সুন্দৰৰ লগত বহুত সময় অকলে কথা পাতিলে, সুন্দৰে স্বামীৰ অঙ্গী ভঙ্গীৰে ৰাঘৱৰ প্ৰশ্নসমূহৰ উত্তৰ দি গ'ল।

ৰাঘৱে সুন্দৰক সুধিলে, "মহাত্মা, মই আপোনাৰ গুৰু ৰাঘৱেন্দ্ৰ স্বামীৰ বিষয়ে জানিব খুজিছো। অনুগ্ৰহ কৰি মোক ক'বনে?"

"পুত্ৰ, মইনো তেওঁৰ বিষয়ে কি কম? তেওঁ এজন মহাত্মা আৰু মহান তপস্বী। তেওঁ

ভগৱানৰ দৰ্শন লাভ কৰা জ্ঞানী।" সুন্দৰে চকু বন্ধ কৰি সৰলভাৱে উত্তৰ দিলে।

"আপুনি বাৰু তেওঁৰ পূৰ্ব পৰিচয় দিব পাৰিবনে?" ৰাঘৱে সুধিলে।

"পাগল! তেওঁৰ আকৌ পূৰ্ব নাম আহিল ক'ৰপৰা? তেওঁৰ জন্মৰ সময়তেই আকাশবাণীত তেওঁক মতা হৈছিল "ৰাঘৱেন্দ্ৰ স্বামী" নামেৰে। তেওঁ নকলী সাধু নহয়, বৰঞ্চ জন্মৰেপৰা তেওঁ সিদ্ধ পুৰুষ।" সুন্দৰে উত্তৰ দিলে।

"আপুনি তেওঁক কিমান দিন আগতে দেখিছিল?" ৰাঘৱে সুধিলে।

"মই যেতিয়াই ইচ্ছা কৰো ধ্যান কৰি তেওঁৰ দিব্যমূৰ্ত্তি দৰ্শন কৰিব পাৰো।" সুন্দৰে ক'লে।

"তেন্তে আপুনি মোক জানো চিনি পোৱা নাই?" ৰাঘৱে সুধিলে।

"তুমি কোন পুত্ৰ?" সুন্দৰে সুধিলে।

"স্বামী! আপুনি এই মুহূৰ্ত্তত যাৰ প্ৰশংসা কৰি আছে ময়েই সেই ৰাঘৱেন্দ্ৰ স্বামী।" ৰাঘৱে ক'লে।

এই কথা শুনাৰ লগে লগে সুন্দৰ আচৰিত হ'ল।

"আপুনি কিয় এনেকৈ মানুহক প্ৰতাৰণা কৰি আছে?" ৰাঘৱে সুধিলে।

সুন্দৰে সবিস্তাৰে জনালে কেনেকৈ চোৰহঁতৰ কবলত পৰি প্ৰাণৰ ভয়ত তেওঁ এই কাম কৰিবলগীয়া হৈছে আৰু তেওঁৰ অজ্ঞাতে চোৰহঁতে কেনেকৈ জনতাক ঠগি আছে। তেওঁ ৰাঘৱক জনালে যে তেওঁ নিজেই চোৰহঁতৰ কবলৰপৰা উদ্ধাৰ পাব খোজে। যদি চোৰহঁতৰ হাতৰপৰা তেওঁক ৰক্ষা কৰে তেন্তে ৰাঘৱৰ ওচৰত সুন্দৰ চিৰঋণী হৈ থাকিব বুলিও জনালে।

সেইদিনা ৰাতি যেতিয়া চোৰহঁত নিচা কৰাত ব্যস্ত আছিল, ৰাঘৱে সুন্দৰ আৰু তেওঁৰ পত্নীক লগত লৈ তাৰপৰা ওলাই আহিল।

বহুতদূৰ যাত্ৰাৰ অন্তত তেওঁলোক এখন চহৰ পালেগৈ আৰু তাত সৰু সুৱা কাম কৰি নিজৰ দিন কটাবলৈ ধৰিলে।

ঘন অৰণ্যৰ মাজত ৰাঘৱে যি শান্তি পোৱা নাছিল, সেই শান্তি তেওঁ মানুহৰ ভীৰৰ মাজতে এই চহৰত লাভ কৰিলে। কাৰণ ইয়াত তেওঁক কোনেও চিনি পোৱা নাছিল আৰু তেওঁক কোনেও আমনি কৰা নাছিল।

চিত্ৰ: গান্ধী অয্যা
12
অপৰাজেয় গৰুড়
ৰাজকীয় অতিথিয়ে বিদায় লয়। বজ্ৰপুৰীৰ বিক্ৰমসিংহ তথা প্ৰধানমন্ত্ৰী পুষ্পৰাজ ঘূৰি যোৱাৰ সময়ত নৰেন্দ্ৰদেৱৰ লগত মিলিত হয়। পুৰণি সহপাঠীক লগপাই তেওঁ অত্যন্ত সুখী হয়। চন্দ্ৰপুৰীত ৰাজগুৰু তথা জ্যোতিষী ৰাজ্যাভিষেকৰ যে বাবে নতুন তিথি বিচাৰি চিন্তা চৰ্চ্চা কৰে হয়।
ৰাজগুৰুৱে নিজৰ সপোন মনত পেলায়।
এটা আচৰিত জন্তু। মই বুজি পোৱা নাই ই কি কৰিছে।
যেতিয়া মই মনোযোগৰে প্ৰাৰ্থনা কৰি আছিলো, মই দেখিছিলো যে পৰ্বতৰ শিখৰৰ আঁৰৰ পৰা এক দেদীপ্যমান প্ৰকাশ আহিছে।
মই এটা মন্দিৰো দেখিছো। তাত বিষ্ণুৰ প্ৰতিমাও আছে। লক্ষ্মী আৰু গৰুড়ৰ সৰু সৰু মন্দিৰ আছিল। কিন্তু সেই গোটেই ঠাইখন পৰিত্যক্ত আছিল।

সাধাৰণ ধাৰণা অনুসৰি নিজৰ বংশৰ পৰম্পৰাগত মন্দিৰৰ উপেক্ষা কৰিলে দুৰ্ভাগ্য আহে।
কি এনেকুৱাও হয়?
আমাৰ উত্তৰ পূৰ ভাগৰ মন্দিৰ ভূমিকম্পত আৰু পিছত বানপানীত ক্ষতিগ্ৰস্ত হৈ পৰিল। মন্দিৰৰ চাৰিওফালে আৰু এখন সমৃদ্ধিশালী নগৰ আছিল।
এতিয়া মই ঘূৰি যাওঁ আৰু ৰাজ্যাভিষেকৰ বাবে নতুন তিথি চাওঁ।
ৰাজগুৰু আৰু জ্যোতিষী যোৱাৰ পিছত...
মহাৰাজ, যদি আপুনি অনুমতি দিয়ে তেন্তে মই উত্তৰ পূৰলৈ গৈ এই কথা গম ল'ব পাৰোঁ যে...
সেই কাম অলপ পলম কৰিব নোৱাৰিনে?
ৰজাক দেখাতেই অসন্তুষ্ট যেন লাগিছে।
বাৰু আদিত্য, তুমি এতিয়া প্ৰাসাদৰ পৰা যোৱা উচিত হ'বনে?
আদিত্য, বহুত আগতে বংশৰ কিছুমান বিদ্ৰোহীৰ বাবে ৰাজ্য খণ্ড খণ্ড হৈ পৰিছে। উত্তৰ পূৱ ভাগৰ শাসক চন্দ্ৰপুৰীৰ মিত্ৰ নহবও পাৰে।
তেওঁ কোন মহাৰাজ?
উদাহৰণস্বৰূপে সূৰ্যনগৰ। মই ৰাজতিলকৰ বাবে ৰজাকলৈ নিমন্ত্ৰণ পঠিয়াইছিলো। কিন্তু তেওঁ নাহিল।
মই সেই ৰাজ্যবোৰৰ পৰা বাচি নিজৰ সীমা লৈয়েই সন্তুষ্ট থাকিম।
কিন্তু সেই পথ দীঘল হ'ব, আদিত্য! কিন্তু যদি তুমি বজ্ৰপুৰী হৈ যোৱা তেন্তে শীঘ্ৰে পাবাগৈ। তুমি ছদ্মবেশেৰে যাত্ৰা কৰিব পাৰা।

মোৰ বাবে ছদ্মবেশত যোৱা উচিত নহবও পাৰে। মই দেহৰক্ষকৰ লগত যাম আৰু নিৰাপদ পথেৰেই যাম।
কেতিয়া যাব খোজা, আদিত্য?
যেতিয়াই বজ্ৰপুৰীৰ পৰা উত্তৰ আহিব মহাৰাজ। অনুগ্ৰহ কৰি মোৰ অভিযানৰ সফলতাৰ বাবে আশীৰ্বাদ দিয়ক।
সাৱধানে যাবা আৰু সুৰক্ষিত হৈ ঘূৰি আহিবা।
দুদিনৰ পিছত..
মহাৰাজ, খবৰ আহিছে যে বজ্ৰপুৰীৰ ৰজা নৰেন্দ্ৰদেৱক লগ পাবলৈ পৰ্বতৰ গুহাত আছিল। মই আদিত্যৰ পথৰ সুৰক্ষাৰ বাবে চিপাহী পঠাই দিছো।
ৰামসিংহ, মই নিশ্চয়কৈ ক'ব নোৱাৰো বিক্ৰমসিংহই মোৰ প্ৰতি মিত্ৰতাৰ ভাব ৰাখিছে বুলি।
মোৰ মতে এতিয়া অৰুণাৰ বিষয়ে খবৰ কৰিব লাগে।
যদি তেওঁৰ অৱস্থা কিছু পৰিবৰ্ত্তন হৈছে তেন্তে মই আপোনাক ততালিকে খবৰ দিম।
বজ্ৰপুৰীত...
মহাৰাজ, এওঁ চন্দ্ৰপুৰীৰ পৰা আহিছে।
পুষ্পৰাজ, এয়া লোৱা আৰু সন্দেশ পঢ়া।
ৰাজকুমাৰ আদিত্য উত্তৰপূৰ্ব অংশ যাত্ৰাৰ বাবে যাব আৰু তেওঁৰ ইচ্ছা যে তেওঁ বজ্ৰপুৰীৰ মাজেদিহে যাব।

মোৰ সন্দেহ হৈছে, উত্তৰ পূৰ্বৰ প্ৰতি ইমান আগ্ৰহ কিয়?
তেওঁ কাইলৈ পোৱাবহি কথা। আমাৰ ইয়াত এদিন কটাই যাবলৈ কোৱাটো উচিত হ'ব নেকি?
আমি সকলো শিষ্টাচাৰ পালন কৰা উচিত। আমি তেওঁক এটা ভোজ দিম।
মই বাতৰি পঠাম যে তেওঁক স্বাগতম জনাইছো।
পিছদিনা, আদিত্যক যথাৰীতি বিক্ৰমসিংহৰ ওচৰলৈ লৈ যোৱা হয়।
বজ্ৰপুৰীলৈ তোমাক স্বাগতম, ৰাজকুমাৰ আদিত্য। ইয়াত তুমি এনিদ নিশ্চয় কটাব লাগিব।
ধন্যবাদ, মই দুখীত যে চন্দ্ৰপুৰীৰ পৰা আপুনি হঠাত ঘূৰি যাব লগা হ'ল।
ইয়াৰপৰা মই মোৰ মিত্ৰ নৰেন্দ্ৰদেৱক লগ পোৱাৰ সময় ওলাল। তোমাৰ ৰজাৰ পৰাহে গম পালো যে তেওঁৰ দুৰ্ঘটনা হ'ল।
হয়, মই শুনিছো যে তেওঁক ঘঁৰিয়ালে আক্ৰমণ কৰিছিল। কিন্তু তেওঁ বাচি গ'ল।
সৌভাগ্যবশতঃ তেওঁ বাচি গ'ল। উত্তৰ পূৰলৈ কি উদ্দেশ্যেৰে তুমি যাবলৈ ওলাইছা?
তাৰ এটা বিষ্ণু মন্দিৰ ভূমিকম্পত ক্ষতিগ্ৰস্ত হৈছিল। ৰজাৰ ইচ্ছা যে মন্দিৰটো পুনৰুদ্ধাৰ হওক, যাতে নিজৰ ৰাজতিলকৰ পিছত মই তাত পূজা দিব পাৰোঁ।
সেয়া অতি উচিত কথা হ'ব। কাইলৈ, মোৰ সৈনিকে তোমাক আমাৰ সীমাত সুৰক্ষিত কৰি থৈ আহিবগৈ।
মই আপোনাৰ ওচৰত ঋণী হৈ থাকিম মহাৰাজ।
পুষ্পৰাজে এজন অংগৰক্ষকক সংকেতেৰে মাতে।
ৰাজকুমাৰ আদিত্যক অতিথি ভৱনলৈ লৈ যোৱা।
যি আজ্ঞা মহানুভৱ।
ক্ৰমশঃ

মহিলাসকলৰ বাবে এটি বিশেষ অনুষ্ঠান



ৰাজস্থানৰ সবাতোকৈ গুৰুত্বপূৰ্ণ উৎসৱ হ'ল গংগৌৰ উৎসৱ। শব্দটো আহিছে শিৱৰ আন এটা নাম গণ আৰু শিৱৰ পত্নী গৌৰ বা গৌৰীৰপৰা যাৰ জনপ্ৰিয় নাম হ'ল পাৰ্বতী। গংগৌৰে বুজায় শিৱ পাৰ্বতী এহাল আশীৰ্বাদপুষ্ট দম্পতি। হ'লিৰ পিছতে অহা এই উৎসৱ মহিলাসকলে ১৮ দিনৰ বাবে পালন কৰে। অবিবাহিতা সকলে উৎসৱৰ আটাইকেউদিন উপবাসে থাকি গৌৰীক উপাসনা কৰে নিজে বিচৰা মতে স্বামী পোৱাৰ আশীৰ্বাদ বিচাৰি। বিবাহিতা সকলে বৈবাহিক জীৱন সুখৰ হ'বলৈ আৰু নিজ নিজ স্বামীৰ দীৰ্ঘায়ু কামনা কৰি প্ৰাৰ্থনা কৰে।

সমগ্ৰ ৰাজ্যতে বিশেষকৈ জয়পুৰ, উদয়পুৰ, যোধপুৰ, বিকানেৰ আৰু জয়চালমেৰত এই উৎসৱ পালন কৰা হয়। বিশ্বাস কৰা হয় যে পাৰ্বতী পৈতৃক গৃহলৈ আহি তেওঁৰ উপাসনাকাৰীসকলক আশীৰ্বাদ দিয়েহি। অষ্টাদশ দিনৰ দিনা ভগৱান শিৱ নিজে আহে আৰু তেওঁৰ বাসস্থানলৈ পাৰ্বতীক আদৰি লৈ যায়। দুয়োকে ওলহ মালহেৰে বিদায় সম্ভাষণ জনোৱা হয়।

জয়পুৰত মাৰ্চ এপ্ৰিল মাহত অনুষ্ঠিত এই উৎসৱৰ নিজা বৈশিষ্ট্য আছে। গণ আৰু গৌৰীৰ মৃন্ময় বা কাঠৰ মূৰ্ত্তি এটি ৰঙচঙীয়া শোভাযাত্ৰাত লৈ যোৱা হয় য'ত ঘোঁৰা, হাতী আৰু দোলাই ভাগ লয়। মূৰ্ত্তিবোৰ বিবাহিত মহিলাই মূৰত কঢ়িয়াই লৈ যায়। পৰ্যটককে ধৰি হাজাৰ হাজাৰ মানুহে এই শোভাযাত্ৰা প্ৰত্যক্ষ কৰে।

উদয়পুৰত আকৌ এই মূৰ্ত্তিবোৰ পিছলা হ্ৰদত নাৱত কঢ়িয়াই লৈ যোৱা হয়।

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

পিট্

পিট্ হ'ল খুব বেছি পানী থকা অঞ্চলত অক্সিজেনৰ অভাৱত গোট খোৱা পেলনীয়া বা হিউমাচ দ্ৰব্য যিবোৰ একেলগে জমা হয়। যদি তুমি এটা জলাহ্ ভূমি ভ্ৰমণ কৰা তেন্তে তুমি একেবাৰে তলিত মুগা বৰণীয়া, আধা পচা শতক পদাৰ্থৰ একোটা গোট দেখিবলৈ পাবা। এই পিতনিবোৰ দৰাচলতে পানী ওলাই যাব পৰাৰ ব্যৱস্থা নথকা জলাহ্ভূমি। এই পিতনিবোৰৰ বাবে বৰষুণেই হ'ল পানীৰ মূল উৎস।

পচি যোৱা বস্তুবোৰৰ বাবে পিতনিৰ পানীভাগ আম্লিক হৈ পৰে। ই পচি যোৱা উদ্ভিদবোৰ সংৰক্ষণ কৰে। উদ্ভিদবিদসকলে এই পিতনিত বহু শতিকাৰ আগতে থকা উদ্ভিদো চিনাক্ত কৰিব পাৰিছে। ইয়াত সকতোকৈ বেছিকৈ পোৱা উদ্ভিদ প্ৰজাতিটো হ'ল স্ফেগ্নাম মোজেচ। এই পিটবোৰ যেতিয়া লাহে লাহে তৰপ হয়, ই কেইবা শতিকাৰ পাছত কয়লালৈ ৰূপান্তৰিত হয়।

তোমাৰ পৰিবেশ

সূৰ্যৰ পোহৰ, সুস্বাস্থ্যৰ বাবে পৰশমণি

কেতিয়াবা আমি প্ৰকৃতি আইৰপৰা পোৱা কিছুমান উপহাৰৰ কথা পাহৰি যাওঁ। ইয়াৰে এটা হ'ল সূৰ্যৰ পোহৰ। সূৰ্যৰ সোণোৱালী ৰশ্মিত থাকে আমাৰ বাবে হাজাৰ প্ৰতিশ্ৰুতি। সূৰ্যৰ পোহৰত থকা শক্তিয়ে আমাৰ মগজুৰ কিছুমান গ্ৰন্থি সক্ৰিয় কৰি তোলে। ইয়াৰ ফলত ট্ৰাইপ্টোমাইন্চ্ সৃষ্টি হয় যাৰ ফলত আমাৰ মূড ভাল হয়।

সূৰ্যৰ পোহৰে আমাৰ ছালত থকা কিছুমান অপকাৰী ভেঁকুৰ আৰু বেক্টেৰিয়া ধ্বংস কৰে। সূৰ্যৰ পোহৰত তেজৰ শ্বেতৰক্ত কণিকাসমূহো খুব সক্ৰিয় হৈ উঠে।

আমাৰ শৰীৰে সংশ্লেষণ কৰিব পৰা একমাত্ৰ ভিটামিনটো হৈছে ভিটামিন ডি। এই ভিটামিনৰ জনপ্ৰিয় নাম হৈছে সৌৰ পোহৰ ভিটামিন। কেৱল সূৰ্যৰ পোহৰ থাকিলেহে শৰীৰে এই ভিটামিন সংশ্লেষণ কৰিব পাৰে। শক্তিশালী হাড় আৰু দাঁতৰ বাবে এইবিধ ভিটামিন খুবেই উপকাৰী।

জানো আহাঁ নানা কথা

তুমি বাৰু জানানে ?

পেৰিপাটাচ

ই কেঁচু হৈয়ো কেঁচু নহয়। এই জীৱটোৰ নাম পেৰিপাটাচ! এই লাজকুৰীয়া ক্ষুদ্ৰ জীৱটো দেখাত শুৰপোকৰ নিচিনা ইয়াৰ সৰু সৰু ঠেং আছে আৰু এটা দীঘল, ভাঁজখোৰা দেহ আছে। ইহঁতক প্ৰায়েই ভেলভেট কেঁচু বা 'খোজকঢ়া কেঁচু' নামেৰে জনা যায়। কিন্তু সিহঁত কেঁচু নহয়। সাধাৰণতে গৰম দেশত দেখা পোৱা ই এবিধ নিশাচৰ প্ৰাণী। দীঘলে ই প্ৰায় ১২ চে.মি. মান হয় আৰু ইয়াৰ বৰণ মুগা বা ধোঁৱা বৰণীয়া হয়। পেৰিপাটাচে পচি যোৱা কীট পতঙ্গৰ দেহত পৰজীৱি হিচাপে বাস কৰে। ইয়াৰ মূৰত দুটা ডাঙৰ লালটি গ্ৰন্থি থাকে। এই গ্ৰন্থিৰপৰা ই এবিধ বীজলুৱা ৰস উলিয়ায়, যি চিকাৰ ধৰি ৰাখে আৰু চিকাৰটো তেতিয়া লৰচৰ কৰিব নোৱৰা হয়।

ভাৰতৰ বিষয়ে জানি লোৱা

এই মাহৰ বিষয় হ'ল ভাৰতৰ ধৰ্মসমূহ!

১. 'ভগৱদ গীতা'ত কেইটা অধ্যায় আছে?

২. সপ্তাহৰ কোনটো দিনত যীশুখ্ৰীষ্টক ক্ৰচবিদ্ধ কৰা হৈছিল? কোনদিনা তেওঁৰ পুনৰ আৱিৰ্ভাৱ হৈছিল?

৩. পবিত্ৰ 'কোৰাণ' কোনটো ভাষাত ৰচিত?

৪. 'বুদ্ধ' শব্দৰ অৰ্থ কি?

(উত্তৰ ৬৬ পৃষ্ঠাত)

চান্দমামা কুইজ প্ৰতিযোগিতা-১২ (জানুৱাৰী ২০০৭)

আমাৰ অসমীয়া সংস্কৰণৰ পাঠকসকলৰপৰা পোৱা প্ৰৱিষ্টিসমূহৰ ভিতৰত কাৰোৱেই আটাইবোৰ উত্তৰ শুদ্ধ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। পাঠকসকলৰ সুবিধাৰ্থে; কুইজ ১২ৰ উত্তৰসমূহ ৩৭ নম্বৰ পৃষ্ঠাত দিয়া হৈছে। চান্দমামা ভাৰত-কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে পাঠকসকলে ভাগ লৈ থাকিব বুলি আশা কৰা হ'ল।

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন
নামকৰণ কৰিব পাৰিবানে?

NARAYANAMURTHY TATA

NARAYANAMURTHY TATA

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাটুথাঙ্গাল, চেন্নাই - ৬০০ ০৩২
এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। পুৰস্কাৰ পাওঁতা জনৰ নাম মেই সংখ্যাত প্ৰকাশ কৰা হ'ব।

জানুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজেতা

পূজা ভৰালী
মাৰফৎ: দীপক ভৰালী
পি.এন.ৰ'ড, শান্তিপাৰা
ডিব্ৰুগড়-৭৮৬০০১
অসম

বিজয়ী বাক্য

দেশৰ সেৱাত কৃষক আমি।
সুৰক্ষাৰ বাবে যন্ত্ৰ দামী॥

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰ:

১.১৮টা অধ্যায়।
২.শুকুৰবাৰ; দেওবাৰ।
৩.আৰবী।
৪.যাৰ প্ৰজ্ঞা লাভ হৈছে।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 032. Editor : B. Viswanatha Reddi (Viswam)

মোৰ নাম শক্তি



মোৰ নাম শক্তি। বিজ্ঞানীসকলৰ মতে মোৰ নামৰ অৰ্থ হ'ল কাম কৰিবৰ বাবে থকা সক্ষমতা। মোৰ বিভিন্ন ৰূপ আছে–যেনে তাপ শক্তি, বৈদ্যুতিক শক্তি, আৰু যান্ত্ৰিক শক্তি। মই এটা কথাতেই গৰ্ব কৰো যে মোৰ বাবেই আজি তোমালোকে বিভিন্ন কাম কাজ কৰিব পাৰা, যদি তোমালোকে এটা আৰামদায়ক জীৱন কটাইছা তেন্তে ই মোৰ বাবেই সম্ভৱ হৈছে। তোমালোকৰ দৈনন্দিন কাম কাজৰ বাবে তোমালোকে মোৰ ওপৰত অতিমাত্ৰা নিৰ্ভৰশীল। মোক যদি তোমালোকে সুপ্ৰয়োগ কৰা তেন্তে তোমালোকৰ কামত আহিব পাৰি মই অতিকে আনন্দিত। কিন্তু মোক অপপ্ৰয়োগ কৰিলে মোৰ খং উঠে।

উদাহৰণস্বৰূপে, যেতিয়া তোমালোকে তোমালোকৰ ঘৰত ফেনৰ চুইচ বন্ধ কৰি যাবলৈ পাহৰা তেতিয়া মোৰ খং উঠে। ৰাতি শুবলৈ যোৱাৰ আগতে যেতিয়া পাকঘৰ বা বেলকনিৰ লাইট নুমাই যাবলৈ পাহৰা তেতিয়াও মোৰ খং উঠে। খিৰিকী খোলা ৰখা অৱস্থাত এ.চি.লগালেও মই বিৰক্ত হওঁ। স্কুলত যেতিয়া অসাৱধানবশতঃ কোনো ছাত্ৰই পানীৰ টেপ খুলি থৈ যায় তেতিয়াও মোৰ খং উঠে। কাৰখানাত মেচিন আদিৰপৰা তেল পৰি থকা দেখিলে মোৰ বৰ দুখ লাগে। কাম শেষ কৰি মেচিন বন্ধ কৰিবলৈ পাহৰা কৰ্মীবোৰক মই বেয়া পাওঁ। কাম নথকা অৱস্থাতো কোনোবাই কম্পিউটাৰ লগাই থোৱা দেখিলে মই বিৰক্ত হওঁ।

এনেধৰণৰ অপপ্ৰয়োগৰপৰা বিৰত থাকিবলৈ মই তোমালোক সকলোকে অনুৰোধ জনাইছো। বহুতো মানুহে যেতিয়া এনেকৈ শক্তি অবাবতে খৰচ কৰে, তেতিয়া ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিপুল ক্ষতিসাধন হয়। নিজৰ ঘৰতে প্ৰথমতে সংৰক্ষণৰ ব্যৱস্থাসমূহ হাতত লোৱা। আৰু সেইবোৰ স্কুল, অফিচ ইত্যাদিতো পালিবৰ চেষ্টা কৰা। সকলোতে তোমাৰ দৃষ্টিভংগী একেই হোৱা উচিত। আৰু ইয়েই ৰাষ্ট্ৰক সম্পদশালী হোৱাৰ বাট মুকলি কৰিব।



CHANDAMAMA (Assamese) Mar. 2007 RNI No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08